**পশুধন চাৰণ ঃ** এনে তৃণভূমিত পশুধন চাৰণে বৃহৎ ক্ষতিসাধন কৰি সম্পূৰ্ণ তৃণভূমিৰ চেহেৰাই অতি কম দিনৰ ভিতৰতে সলনি কৰি দিয়ে। গোচাৰণৰ ফলত মূলতঃ বন্যপ্ৰাণীৰ খাদ্য টুটি যায়, তৃণভূমিৰ উৎপাদন শক্তি হ্ৰাস পায় আৰু মাটিৰ গুণগত মানত প্ৰবল প্ৰভাৱ পৰে। পবিতৰা আৰু ওৰাঙৰ পূব দিশৰ এক বৃহৎ অংশ ইয়াৰ জ্বলন্ত উদাহৰণ। পবিতৰাত প্ৰতিদিনে প্ৰায় ৩০০০ গৰু-ম'হ চৰে। পূব অংশৰ ঘাঁহনি ইমানেই ক্ষয়প্ৰাপ্ত যে তাত গঁড়তো বাদেই, মেচেকা এটায়ো গা ঢাকিবলৈ আবুৰৰ অভাৱ। ওৰাঙৰ পাচনৈৰ পূব অংশ প্ৰায় পাঁচ-ছয় মিটাৰ ওখ ঘাঁহনিৰে গেজেপনি মৰা আছিল। হাতীৰেও তাত সোমোৱাটো কষ্টকৰ আছিল। মাত্ৰ দুই-তিনিবছৰ নিৰ্বিচাৰে গৰু-ম'হ চৰোৱাৰ ফলত আজি ই হৈছেগৈ এখন ফুটবল পথাৰ। উল্লেখযোগ্য যে পবিতৰাত খাদ্যৰ অভাৱৰ বাবেই ২৫ শতাংশতকৈ অধিক গঁড় বাহিৰৰ কৃষিভূমিত চৰিবলৈ ওলাই যায়, যাৰ ফলত পবিতৰাৰ ৭০ শতাংশ গঁড় চোৰাং চিকাৰীয়ে বাহিৰতে হত্যা কৰে।

পোহনীয়া জন্তুৰ সৈতে একেখন চৰণীয়া পথাৰতে হোৱা প্ৰতিযোগিতাত বন্যপ্ৰাণী তিষ্ঠি থাকিব নোৱাৰে। কাজিৰঙাৰ দ'লহৰিণৰ বৃহৎ জাকটো মিহিমুখৰ ওচৰৰ ওখ মুকলি ঠাইডোখৰত চৰে আৰু প্ৰধানতঃ জিৰণি লয় (Yarding)। এনে ঠাই দ'লহৰিণৰ প্ৰিয়। দ'লহৰিণ এবিধ স্পৰ্শকাতৰ আৰু 'স্পেচিয়েলিষ্ট' প্ৰাণী। নিৰ্দিষ্ট ঘাঁহ আৰু পৰিস্থিতিতন্ত্ৰতহে সিহঁতে বংশবৃদ্ধি কৰে। গতিকে এনে এবিধ প্ৰাণীয়ে ঘৰচীয়া জন্তুৰ সৈতে কৰা প্ৰতিযোগিতাত তিষ্ঠি থাকে কেনেকৈ? দ'লহৰিণ পূব দুৱাৰেদি ভাৰতলৈ প্ৰৱজিত হোৱা প্ৰাণী। পূৰ্বতে লুইত আৰু ইয়াৰ অইন প্ৰধান উপনদীসমূহৰ দুয়োপাৰৰ আৰ্দ্ৰ পলসুৱা তৃণভূমিৰে আৱৰা এলেকাত, সমগ্ৰ অসমতে ই বিয়পি আছিল। আজি মাত্ৰ কেইটামানহে দ'লহৰিণ কাজিৰঙাত বৰ্তি আছে যদিও ইহঁতৰ বংশ বৃদ্ধি যোৱা পাঁচ দশক জুৰি প্ৰায় স্থবিৰ হৈয়ে আছে। কাজিৰঙাত ১৯৮৪ চনত থকা ৭৫৬টা দ'লহৰিণ ২০০৭ চনত ৬৮১টালৈ কমিল।

এসময়ত আমেৰিকাৰ বিশাল সমতল আৰু প্ৰসিদ্ধ

উপত্যকাখনত দুই কোটিৰো অধিক বন গৰুৰ বাসস্থান আছিল। এই তৃণভূমিত ১৮৬২ চনৰ Homestead Actৰ অধীনত ৬০ লাখ লোকক বাস কৰিবলৈ দি দেশখনে বিশ্বৰ এক বৃহৎ পৰিৱেশ দুৰ্যোগৰ সৃষ্টি কৰিছিল। নিৰ্বিচাৰ পশুধন চাৰণৰ লগতে খাদ্য আৰু বসনৰ বাবে হত্যা কৰাৰ ফলত বন গৰুৰ সংখ্যা ১৮৮৯ চনলৈ বাচি থাকিল মাত্ৰ ৫৪১টা। তৃণভূমিক কৃষিভূমিলৈ ৰূপান্তৰ কৰোঁতে মাটিৰ উপৰিভাগ চহাই ভঙাৰ ফলত তাত থকা দুষ্প্ৰাপ্য ঘাঁহৰ শিপাবোৰ ধ্বংস হ'ল। পৌনঃপুনিক এনে কৰ্মই মাটি শুকান আৰু ঢিলা কৰিলে আৰু তাৰ পিছতেই ১৯৩০ চনৰ পৰা হোৱা আঠ বছৰীয়া খৰে তাত অভূতপূৰ্ব ধূলিৰ ধুমুহাৰ সৃষ্টি কৰি মাটিৰ অতিকৈ সাৰুৱা উপৰিভাগ উৰুৱাই নি এক ভয়ংকৰ সংকটৰ সৃষ্টি কৰিলে। পৰিত্ৰাণৰ বাবে আমেৰিকা চৰকাৰে বিশেষ পদ্ধতিৰে মাটি উন্নত কৰাৰ ব্যৱস্থা কৰিবলগীয়া হ'ল।

আমাৰ অসমতো এনে ধৰণৰ দুৰ্যোগ কেতিয়াবাই আৰম্ভ হ'ল। যি অসমত বানে পলস পেলাই অলপ কষ্টতে অসমীয়া খেতিয়কক অধিক শস্য উৎপাদন কৰাত যুগ যুগ ধৰি সহায় কৰি আহিছিল, আৰ্দ্ৰ তৃণভূমি আৰু জলাহ নিধনৰ পিছত তাত আজি পলসৰ সলনি দুই-তিনি মিটাৰ টো-টোৱা বালিৰ তৰপ— য'ত বহু বছৰলৈ কোনো শস্য হোৱাৰ সম্ভাৱনা নাই। ধেমাজি, লখিমপুৰ, দৰং, নলবাৰী, বৰপেটা জিলাৰ উত্তৰভাগ আজি এনে দুৰ্যোগত আক্ৰান্ত। শোণিতপুৰৰ উত্তৰাংশৰ অৰণ্য বিনাশ কৰি কৃষিভূমি আৰু বস্তিলৈ ৰূপান্তৰিত কৰাৰ কুফলো দেখিবলৈ বেছি দিন অপেক্ষা কৰিব নালাগিব চাগে'!

তৃণভূমিত পশুধন চৰোৱাৰ আন এক মাৰঘাত বিপদ হ'ল সৌচৰা ৰোগ। এনে ৰোগত আক্ৰান্ত পশুধনৰ চিকিৎসা কৰা সহজ, কিন্তু বন্যপ্ৰাণীলৈ বিয়পাৰ পিছত মহামাৰী ৰূপ ল'লে পৰিত্ৰাণ পোৱা সম্ভৱ নহয়। চৰকা, গল হেঙৰা আদি ৰোগতকৈ ঘোঁৰা শলখা ৰোগ পশুধনৰ বাবে মাৰাত্মক। অসমত এই ৰোগ সময়ে সময়ে বন্যপ্ৰাণীৰ ক্ষেত্ৰত হৈয়েই আছে। নক'লেও হয় যে একেখন চাৰণ ক্ষেত্ৰত থকা পশুধনে এই ৰোগ বন্যপ্ৰাণীৰ মাজলৈ বিয়পাই দিয়ে। অসমত ঘোঁৰা শলখা ৰোগত নিধন হোৱা বন্যপ্ৰাণীৰ তথ্য এনে ধৰণৰ—

১৯১৯ চন ঃ উত্তৰ কাছাৰত ১৫০তকৈ অধিক হাতীৰ মৃত্যু;

১৯১৪-১৭ চন ঃ কাজিৰঙাত বহুতো গঁড়ৰ মৃত্যু;

১৯৪৮ চন ঃ উত্তৰ কাছাৰৰ বন গৰুৰ সংখ্যা প্ৰায় নিঃশেষ;

১৯৫০-৫১ চন ঃ কাজিৰঙাত ১৩টাতকৈও অধিক গঁড়ৰ মৃত্যু;

১৯৫২-৫৪ চন ঃ কাজিৰঙাত ভালেসংখ্যক ম'হৰ মৃত্যু;

(উল্লেখযোগ্য যে ১৯৫৩ চনত কাজিৰঙাৰ দাঁতিকাষৰীয়া এলেকাত ৩০,০০০তকৈয়ো অধিক পশুধনক প্ৰতিষেধক ছিটা দিয়া সত্ত্বেও এই ৰোগ বিয়পিছিল)

১৯৫৭-৫৮ চন ঃ মানাহ, কাজিৰঙাত বনগৰু, ফুটুকী হৰিণ, কাঠশৰ, সুগৰী পহু, বন গাহৰি আৰু কিছুসংখ্যক হাতীৰ মৃত্যু। ইয়াৰ ফলতে মানাহ এলেকাত ফুটুকী হৰিণৰ সংখ্যা অভূতপূৰ্ব হাৰত কমি গৈছিল।

১৯৬৮ চন ঃ কাজিৰঙাত কাঠশৰৰ মৃত্যু।

উল্লেখযোগ্য যে পশু চিকিৎসা বিজ্ঞানৰ যুগান্তকাৰী উন্নতি হৈছে যদিও ৰাজ্যখনত এই মাৰাত্মক ৰোগত আক্ৰান্ত হৈ এতিয়াও নিয়মিতভাৱে পশুধনৰ মৃত্যু হৈ আছে। অসম বিধান সভাত ৫-৩-২০০৮ত দাখিল কৰা তথ্য মতে ২০০১ৰ পৰা ২০০৭ চনলৈ প্ৰতি বছৰে এই ৰোগত পশুধন আক্ৰান্ত হৈছিল, যাৰ ফলত ৩৭৩টা পশুধনৰ মৃত্যু হৈছিল। ১৯৭২ চনৰ বন্যপ্ৰাণী (সুৰক্ষা) আইনৰ ৩৪ নং ধাৰা মৰ্মে বন্যপ্ৰাণী এলেকাৰ দাঁতিকাষৰীয়া ঠাইৰ পশুধনক অসংক্ৰমণ কৰা কাম বাধ্যতামূলক কৰা হৈছে যদিও ইয়াৰ প্ৰয়োগ যথাযথ হোৱা নাই। আইনী ব্যৱস্থা থকা সত্ত্বেও সংক্ৰামক ৰোগৰ প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰে ইমানেই সতৰ্ক হ'ব লগা হৈছে যে ৰাষ্ট্ৰীয় উদ্যানত পশুধন চৰোৱা কাৰ্য নিষিদ্ধ কৰাৰ পিছতো, আনকি যদিহে এনে এলেকাৰ ভিতৰলৈ চৰকাৰী কামত বাহন হিচাপে পশুধন নিব লগা হয়, তেনেহ'লেও সেই জন্তুক যে অসংক্ৰমণ কৰা হৈছে সেয়া নিশ্চিত হ'ব লাগিব।

পশুধনৰ সঘন চাৰণৰ ফলত তৃণভূমিৰ মাটিৰ উপৰিভাগ পিটি খাই কঠিন তৰপ এটাৰ সৃষ্টি কৰি মাটিৰ গুণগত মানৰ প্ৰভূত ক্ষতি কৰাৰ উপৰি অপতৃণৰ আধিক্য বৃদ্ধি কৰে। ইউৰোপত চলোৱা গৱেষণাই প্ৰমাণ কৰিছে যে জন্তুৰ খুড়াৰ

অহৰহ আঘাতৰ ফলত ঘাঁহৰ শিপাৰ প্ৰভূত ক্ষতি হৈ মূল্যবান প্ৰজাতিসমূহ পৰ্যায়ক্ৰমে বিলুপ্ত হয়। বৃহৎ পশুধন চাৰণৰ ফলত আমেৰিকাৰ প্ৰেইৰি এলেকাত সংঘটিত বিপৰ্যয়ৰ কথা উনুকিওৱা হৈছে। অকল তৃণভূমিৰেই নহয়, গো চাৰণৰ ফলত আৰ্দ্ৰ তৃণভূমিৰ অবিচ্ছেদ্য অংগ জলাহবো বিস্তৰ ক্ষতি হয়। পবিতৰাৰ তামুলী ডোবা, কাজিৰঙাৰ অগৰাতলীৰ চহলাৰ বিশাল, সমৃদ্ধ জলাহ মূলতঃ পশুধন চাৰণৰ ফলতেই পোত গ'ল। ইউৰোপত কৰা গৱেষণাই কয় যে গো চাৰণৰ ফলত জলাহত জলজ পক্ষীৰ সংখ্যাও দ্ৰুত হাৰত হ্ৰাস পায়। ১৯৯৪ চনত 'মধ্য-শীতকালীন পক্ষী গণনা' কালত পবিতৰাত য'ত ২০,০০০ বিভিন্ন প্ৰজাতিৰ জলজ চৰাই গণনা কৰা হৈছিল, তাত আজি বোধহয় ৪,০০০টাও পোৱা নাযাব। ওৱাঙৰ ছবিখনো ইয়াৰ ব্যতিক্ৰম নহয়।

আৰ্দ্ৰ পলসুৱা তৃণভূমিৰ ওখ ঘাঁহবোৰ মে'-জুনৰ পৰা নৱেম্বৰ-ডিচেম্বৰ মাহলৈ পূৰঠ হোৱাৰ বাবে বিভিন্ন কাৰণত জন্তুৰ বাবে পুষ্টিহীন খাদ্যলৈ পৰিৱৰ্তন হয়। একে সময়তে এনে তৃণভূমিত থকা জলাহ আৰু দ' ঠাইবোৰত পানী জমা হৈ কেইবাবিধো জলজ উদ্ভিদৰ সৃষ্টি হয়। এই জলজ উদ্ভিদবোৰ পুষ্টিকৰ আৰু সহজে হজম কৰিব পৰা গুণসম্পন্ন। সেয়ে এনে ঠাইসমূহ বন্যপ্ৰাণীৰ নিদান কালৰ একমাত্ৰ ভঁৰাল। অক্টোবৰ-নৱেম্বৰ মাহৰ পৰা জলাহ/দ' ঠাইৰ পানী ক্ৰমে শুকাবলৈ ধৰে আৰু তেতিয়াই তেনে ঠাইত প্ৰচুৰ উৎকৃষ্ট চুটি ঘাঁহৰ সৃষ্টি হয়। ডিচেম্বৰ মাহৰ পৰা পৰ্যায়ক্ৰমে তৃণভূমি জ্বলোৱাৰ বাবে এনে ঠাইত নতুন পুষ্টিদায়ক কোমল ঘাঁহনি গজি উঠে। কাজিৰঙাৰ দৰে ঠাইৰ তৃণভূমিত ওখ ঘাঁহ আৰু জলাহ/দ' ঠাইত উৎপন্ন হোৱা চুটি, কোমল ঘাঁহনিৰ এক সন্তুলিত ব্যৱস্থা যুগ যুগ ধৰি বৰ্তি থকাৰ বাবেই পবিতৰাৰ দৰে ইয়াৰ জন্তুৱে খাদ্যৰ বাবে বাহিৰলৈ ঢাপলি মেলা ঘটনা অতি কম। নকলেও হয় যে ওখ/চুটি ঘাঁহনি আৰু জলাহ/দ' ঠাইৰ সন্তুলিত ব্যৱস্থা তেতিয়ালৈহে বৰ্তি থাকিব, যেতিয়ালৈ জলাহ আৰু তৃণভূমি এক সন্তুলিত অৱস্থাত থাকিব।

১৯৯৫-৯৬ চনত কৰা জৰীপ মতে কাজিৰঙাত চুটি ঘাঁহনিৰে আবৰা এলেকা আছিল প্ৰায় ৭ শতাংশ। অনিয়মিক জলাহ বাম হোৱাৰ ফলত বৰ্তমান এনে এলেকা বিপদজনকভাৱে টুটি আহিছে। কাজিৰঙাৰ বাগৰী এলেকা তুলনামূলকভাৱে দ' কাৰণে তাত চুটি ঘাঁহৰ প্ৰাপ্তিও অধিক। সেয়ে বাগৰীত জন্তুৰ ঘনত্বও অধিক। কাজিৰঙাত বনৰীয়া ম'হৰ সংখ্যাও বিপজ্জনকভাৱে বৃদ্ধি পাই গৈ আছে। ম'হ, পহু, গঁড়, আনকি হাতীও খৰালি কালত চুটি ঘাঁহনিৰ ওপৰত নিৰ্ভৰশীল। ম'হ এবিধ নিম্নমানৰ ঘাঁহ (Coarse feeder) খোৱা জন্তু। সেয়ে চুটি ঘাঁহনি এলেকাৰ সংকোচনে ভৱিষ্যতে বাকীবোৰ জন্তুৰ বাবে বিপদ কঢ়িয়াই আনিব। আজিৰ পৰা আঠ-দহ বছৰ আগলৈ কাজিৰঙাত চুটি ঘাঁহনিৰ এনেকুৱা দুৰৱস্থা হোৱা নাছিল। পৰিৱৰ্তিত পৰিস্থিতিত ম'হ আৰু হাতী হয়তো কিছু বছৰলৈ বৰ্তি থাকিব পাৰিব। কিন্তু চুটি ঘাঁহনিৰ নাটনিয়ে গঁড়, বিশেষকৈ দ'ল হৰিণৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব। লক্ষ্য কৰিব লগীয়া দিশ হ'ল— কিছুমান বন্যপ্ৰাণীয়ে চুটি ঘাঁহনিৰ সৈতে আপদ কালত অইন ঘাঁহনিৰ ওপৰতো নিৰ্ভৰ কৰি চলিব পাৰে যদিও দুৰ্ভাগ্যক্ৰমে পশুধন সম্পূৰ্ণভাৱে চুটি ঘাঁহনিৰ ওপৰত নিৰ্ভৰশীল। সেয়ে ইতিমধ্যে কাজিৰঙাত জলাহৰ ওপৰত সংকট নমাই অনা আপদকালীন খাদ্যৰ অনাটনৰ সময়তে যদি ঘৰচীয়া জন্তু তাত অধিক হাৰত চৰিবলৈ আৰম্ভ কৰে, তেনেহ'লে কাজিৰঙাৰ অৱস্থা পবিতৰা বা ওৱাঙতকৈও যে অধিক শোচনীয় হ'ব, তাত কোনো সন্দেহৰ অৱকাশ নাই।

পূৰ্বতে প্ৰতিখন অসমীয়া গাঁৱৰ গাতে লাগি থকাকৈ কমেও একোখন সংৰক্ষিত গোপচাৰ (Village Grazing Reserve) আছিল। তদুপৰি আছিল বিশাল বৈতনিক সংৰক্ষিত গোপচাৰ (Professional Grazing Reserve)। নামনি অসমৰ এনে গোপচাৰ মূলতঃ বংগীয় মূলৰ লোকৰ বাসস্থান হ'ল। ২০০৫ চনৰ অসম চৰকাৰৰ হিচাপ মতে অসমৰ কেইখনমান জিলাত থকা অৱশিষ্ট গোপচাৰৰ হিচাপ এনে ধৰণৰ— গোলাঘাট - ২.৩৭ শতাংশ, নগাঁও - ১.৫৫ শতাংশ, দৰং - ২.৭ শতাংশ, শোণিতপুৰ - ২.৩৫ শতাংশ, তিনিচুকীয়া - ০.৯৩ শতাংশ ইত্যাদি। উজনি অসমত থকা অসংৰক্ষিত চৰকাৰী ভূমি আৰু আনকি সংৰক্ষিত গোপচাৰসমূহো মূলতঃ

ক্ষুদ্ৰ চাহবাগান সৃষ্টিৰ কালান্তক ধুমুহাত নিঃশেষপ্ৰায় হ'ল। এইবোৰ তথ্য পাঁচ বছৰ আগৰ। বৰ্তমান ই নিশ্চিতভাৱে মাৰ্‌ঘাত ৰূপ লৈছে। তথ্যমতে, ১৯৯০ চনত অসমত চাহ গছেৰে আবৃৰা এলেকা আছিল ২৩০৫.৬৩ বৰ্গ কিঃমিঃ, যি বাঢ়ি গৈ ২০০৭ চনত হ'লগৈ ৩২১৪.৩৯ বৰ্গ কিঃ মিঃ। এই বৃদ্ধিৰ মূল কাৰণ দুটা — (ক) পুৰণি চাহ বাগানৰ বাবে আৱণ্টিত এলেকাত পতিত হৈ থকা অৰণ্য সদৃশ ভূমি চাফা কৰি অধিক চাহ গছ ৰোপণ কৰা, আৰু (খ) পতিত/সংৰক্ষিত/অসংৰক্ষিত ভূমি, য'ত গৰু-ম'হ চৰোৱাৰ উপৰি অইন দৈনন্দিন ঘৰুৱা সামগ্ৰী মজুত আছিল; আৰু (গ) প্ৰায় প্ৰতিখন অসমীয়া ঘৰৰ পিছফালে সংলগ্নিত 'বাৰী', য'ৰ পৰা খৰি, খেৰ, বাঁহ, ফল-মূলৰ উপৰি নিদান কালত গৰু-ম'হৰ খাদ্যও পোৱা গৈছিল— এইবোৰ এলেকা মুকলি কৰি ক্ষুদ্ৰ চাহ বাগানৰ সৃষ্টি কৰা হ'ল। আমাৰ বোধেৰে অসমৰ দৰে ভূতাত্ত্বিক গাঁথনি আৰু ভৌগোলিক অৱস্থান, যি এতিয়াও চালুকীয়া, অস্থিৰ অৱস্থাৰে গতি কৰি আছে— এনে ঠাইত অধিক আয়ৰ বাবে বৰ্তমান উজান উঠা ক্ষুদ্ৰ চাহ বাগানৰ সৃষ্টিৰ প্ৰক্ৰিয়াই অসমৰ ভৱিষ্যতৰ প্ৰাকৃতিক পৰিস্থিতিতন্ত্ৰত সাংঘাতিক প্ৰভাৱ পেলাব পাৰে।

কাজিৰঙাত আজি কিছু বছৰৰ আগলৈ ওৰাং-পবিতৰা সদৃশ পৰিস্থিতি প্ৰকট ৰূপত নাছিল। কিন্তু যোৱা পাঁচ-সাত বছৰত কাজিৰঙাৰ দাঁতিকাষৰীয়া খালী ঠাইসমূহ অবিশ্বাস্য হাৰত টুটি আহিবলৈ ধৰিছে। কাজিৰঙাক কেন্দ্ৰ কৰি বিভিন্ন ব্যৱসায় গা কৰি উঠিবলৈ ধৰিছে। দহ বছৰ আগলৈ য'ত মাত্ৰ তিনি-চাৰিখন হোটেলহে আছিল, তাত আজি চাৰি কুৰিতকৈও অধিক হৈছেগৈ। বুঢ়াপাহাৰৰ পৰা বোকাখাতলৈ, কাজিৰঙাৰ গাতে লাগি থকা সংৰক্ষিত/অসংৰক্ষিত গোপচাৰ, খালী ঠাই, আনকি জলাহ পিটনিও এফালৰ পৰা আবাদ হ'ল। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত জিলা পৰিষদৰ কাজিৰঙাৰ সীমা চুই থকা এলেকাত পৰিষদেও ঘৰ-দুৱাৰ বন্ধা আদি উন্নয়নমূলক কাম দ্ৰুতহাৰত চলাই আছে— যেন কাজিৰঙাকেন্দ্ৰিক এক মহা মেলাৰ আয়োজন!

লাওখোৱা, বুঢ়াচাপৰিয়ে আজি কেৱল মৃত্যুৰ বাবেহে ক্ষণ গণি আছে। ওৰাং, পবিতৰাৰ তৃণভূমি এচাম অকৃতজ্ঞ, মাটিখোৰ লোকৰ কেইবাবছৰ জোৰা সংগঠিত, পৰিকল্পিত আগ্ৰাসনৰ কবলত। আনকি কাজিৰঙাও এনে ৰাজনীতিৰ হাঁতোৰাৰ বাহিৰত নহয়। এনে এক চৰম সন্ধিক্ষণত বিশ্বৰ দুৰ্লভ, অসমীয়াৰ ঐতিহ্যময়ী অৱশেষ তৃণভূমিখিনি ৰক্ষা কৰাৰ চিন্তা আমি গুৰুত্বসহকাৰে কৰাৰ সময় পাৰ হওঁ হওঁ হৈছে। ●

---

*অসম চৰকাৰৰ বন বিভাগত সহকাৰি বন সংৰক্ষক হিচাপে কৰ্মৰত শ্ৰীতালুকদাৰ এজন অতি নিষ্ঠাৱান আৰু দক্ষ বন্যপ্ৰাণী সংৰক্ষক। তেখেতৰ সমস্ত চাকৰি কাল বন্যপ্ৰাণী সংৰক্ষণৰ স্বাৰ্থত একান্ত আৰু আদৰ্শনীয়ভাৱে নিয়োজনৰ পটন্তৰ। তেখেতে এনে আত্মত্যাগী কৰ্মনিষ্ঠাৰ নিমিত্তে কাজিৰঙা ওৱাইলড লাইফ চ'ছাইটিৰ "লাইফ টাইম এছিভমেণ্ট ২০০৯-২০১০" বঁটা লাভ কৰে।*

# জীৱ-জন্তুৰ পৰা মানুহলৈ আহিব পাৰে বহুবোৰ ৰোগ



ডাঃ প্ৰবীণ কুমাৰ নেওগ

যোৱা দুটামান বছৰত বাৰ্ড ফ্লু আৰু ছোৱাইন ফ্লু ৰোগে জনজীৱনত বিভীষিকাৰ সৃষ্টি কৰিছে। আশংকা কৰা ধৰণেৰেই পশ্চিম বংগত বাৰ্ড ফ্লু ৰোগে দেখা দিয়াৰ পাছতে অসমলৈও এই ৰোগ সম্প্ৰসাৰিত হ'ল। শেহতীয়াকৈ অহা ছোৱাইন ফ্লু ৰোগৰ সংক্ৰমণৰ বাবেও সমগ্ৰ পৃথিৱী জুৰি সতৰ্কতামূলক বিধি-ব্যৱস্থাক আদৰণি জনাবলগা হৈছে। কেৱল বাৰ্ড ফ্লু বা ছোৱাইন ফ্লুৱেই নহয়; এনে বহুবোৰ ৰোগ আছে, যিবোৰ জীৱ-জন্তু, চৰাই-চিৰিকটিৰ পৰা মানুহলৈ অথবা মানুহৰ পৰা ইতৰ প্ৰাণীৰ দেহলৈ সংক্ৰমিত হ'ব পাৰে। ইতৰ প্ৰাণীৰ পৰা সংক্ৰমিত বহুবোৰ ৰোগে বহু সময়ত মানুহৰ মাজত মহামাৰীৰ ৰূপ গ্ৰহণ কৰি জন-জীৱনৰ ব্যাপক হানি-বিঘিনি ঘটাব পাৰে।

আজিকালি কুকুৰ-মেকুৰী, বিভিন্ন চৰাই, শহাপহু আদি পোহা বহুতৰ বাবে এটা চখত পৰিণত হৈছে। কুকুৰ-মেকুৰী পোহাটো বহুতৰে এটা হ'বি আৰু বহুতৰ বাবে ইহঁত নিঃসংগতা দূৰীকৰণৰ একমাত্ৰ উপায়। এনেধৰণৰ হ'বি থকা বহুতো লোকে কুকুৰ-মেকুৰীক কোলাত লৈ মৰম কৰা, চুমা খোৱা, একেলগে বিচনাত শুবলৈ দিয়া দেখা যায়। জীৱ-জন্তুৰ প্ৰতি মৰম আৰু আকৰ্ষণ থকাটো এক মহান মানৱীয়তা; কিন্তু একে সময়তে এই কথাটোও মনত ৰখা প্ৰয়োজন— মৰমৰ সীমা অতিক্ৰমে কেতিয়াবা জীৱ-জন্তুৰ দেহৰ পৰা মানুহৰ শৰীৰলৈ ৰোগৰ সংক্ৰমণ ঘটাবও পাৰে। ৰোগীক শুশ্ৰূষা কৰাটো এক মহান মানৱীয়তা; কিন্তু ৰোগীৰ ৰোগটো শুশ্ৰূষাকাৰীৰ শৰীৰলৈ যাতে বিয়পিব নোৱাৰে, তাৰ ব্যৱস্থা গ্ৰহণ কৰাটোও শুশ্ৰূষাকাৰীৰ কৰ্তব্য।

কেন্সাৰ, উচ্চ ৰক্তচাপ, ডায়েবেটিছ, এজ্‌মা, হৃদযন্ত্ৰৰ অসুখ আদি শৰীৰৰ গঠন আৰু কাৰ্যাৱলীৰ আসোঁৱাহজনিত ৰোগসমূহক বাদ দি যিবোৰ বীজাণুৰ আক্ৰমণৰ দ্বাৰা হোৱা ৰোগ আছে, সেইবোৰৰ কিছুমান ৰোগ কেৱল মানুহৰ দেহতহে হয়। মেলেৰিয়া, কলেৰা, টাইফয়েড আদি বীজাণুজনিত ৰোগে মানুহক আক্ৰমণ কৰে, কিন্তু জীৱ-জন্তুক নকৰে। চবকা, গলফুলা, জহৰবাত, হগ-কলেৰা আদি ৰোগে কেৱল জীৱ-জন্তুকহে আক্ৰমণ কৰে, মানুহক নকৰে। কিন্তু কিছুমান বীজাণুজনিত ৰোগ আছে, যি মানুহ, জন্তু আনকি চৰাই-চিৰিকটিকো আক্ৰমণ কৰিব পাৰে আৰু সুবিধাজনক পৰিস্থিতিত এনেবোৰ ৰোগ জন্তুৰ পৰা মানুহলৈ বা মানুহৰ পৰা জন্তুলৈ সংক্ৰমিত হ'ব পাৰে।

জন্তুৰ পৰা মানুহলৈ অথবা মানুহৰ পৰা জন্তুলৈ পৰস্পৰ সংক্ৰমিত হ'ব পৰা এনেবোৰ ৰোগকে ইংৰাজীত Zoonose বা Zoonotic disease বুলি কোৱা হয়। এই ৰোগবোৰক আমি অসমীয়াত উভ-সংক্ৰামক ৰোগ বুলি ক'ব পাৰোঁ। উভ-সংক্ৰামক ৰোগসমূহৰ শ্ৰেণীবিভাজন বীজাণুৰ শ্ৰেণী অনুযায়ী নিম্নোল্লেখিত ধৰণেৰে কৰিব পাৰি—

(১) **বেক্টেৰিয়াজনিত ৰোগ** ঃ এনথ্ৰাক্স (Anthrax), ব্ৰুচেলʼচিছ, যক্ষ্মা, প্লেগ, লেপ্টʼস্পাইৰʼচিছ আদি।

(২) **ভাইৰাছজনিত ৰোগ** ঃ বাৰ্ড ফ্লু বা এভিয়ান ইনফ্লুয়েঞ্জা, ছোৱাইন ফ্লু, এনকেফেলাইটিছ, এইড্‌ছ আদি।

(৩) **ভেঁকুৰজনিত ৰোগ** ঃ ৰিং ৱৰ্ম, বিভিন্ন ছালৰ ৰোগ আদি।

(৪) **পেলুজনিত ৰোগ** ঃ ফিটা পেলু, যকৃৎ কৃমি, হাঁকুটা পেলু, হাতীখুজীয়া (Filaria), চিষ্টʼচʼমা ৰোগ, লোৱা-লোৱা ৰোগ (Loa-Loa disease) আদি।

(৫) **প্ৰʼটʼজোৱাজনিত ৰোগ** ঃ মেলেৰিয়া, কʼলাজ্বৰ,

ট্ৰাইপেনচ'মা, জিয়াৰ্দিয়াজনিত গ্ৰহণী আদি।

ভাইৰাছজনিত উভ-সংক্ৰামক ৰোগবোৰ বৰ সঘনাই সংক্ৰমিত হয় আৰু কেতিয়াবা ই মৃত্যু-বিভীষিকাৰো সৃষ্টি কৰে। বাৰ্ড ফ্লু, জলাতংক, এনকেফেলাইটিছ আদি এনে জাতীয় ৰোগ।

**বাৰ্ড ফ্লু ঃ বিজ্ঞানীসকলে ভয় খাইছে কিয় ?**

বাৰ্ড ফ্লু এবিধ ইনফ্লুয়েঞ্জা ভাইৰাছৰ পৰা হোৱা ৰোগ আৰু ই বনৰীয়া অথবা ঘৰচীয়া গাহৰি আৰু চৰাইৰ দেহৰ পৰা মানুহৰ দেহলৈ সংক্ৰমিত হ'ব পাৰে; মানুহৰ দেহত এইবিধ ভাইৰাছে ইনফ্লুয়েঞ্জা জাতীয় ৰোগ সৃষ্টি কৰি মানুহজনৰ মৃত্যু ঘটাব পাৰে। $H_5N_1$ নামৰ বিশেষ ধৰণৰ ভাইৰাছবিধে এই ৰোগ সৃষ্টি কৰে। জিনীয় গঠনৰ সালসলনি ঘটি সৃষ্টি হোৱা $H_5N_1$ নামৰ ভাইৰাছবিধ একপ্ৰকাৰৰ নতুন ধৰণৰ ভাইৰাছ। যিহেতু এইবিধ ভাইৰাছ জনজীৱনৰ মাজত পূৰ্বে সংক্ৰমিত হোৱা নাই, সেয়েহে মানুহৰ শৰীৰত ইয়াৰ বিৰুদ্ধে প্ৰতিৰোধ ক্ষমতা গঢ় লোৱা নাই। ১৯১৮-২০ চনত আজিৰ বাৰ্ড ফ্লুৰ নিচিনা স্পেনিছ ফ্লু নামৰ এবিধ ভাইৰাছজনিত ৰোগে মহামাৰীৰ সৃষ্টি কৰিছিল। সমগ্ৰ পৃথিৱীজুৰি তেতিয়া ২০ৰ পৰা ৪০ শতাংশ লোক এই ৰোগত আক্ৰান্ত হৈছিল আৰু চাৰিৰ পৰা পাঁচ কোটি লোকে এই ৰোগত প্ৰাণ হেৰুৱাইছিল। অসমতো সেই যুগতে প্ৰায় ডেৰ লাখৰ ওচৰা-ওচৰি মানুহ মৃত্যুমুখত পৰিছিল। ইতিহাসৰ এই তথ্যৰ বাবেই আচলতে বিজ্ঞানীসকলে ভয় খাইছে। বাৰ্ড ফ্লুৰ ক্ষেত্ৰত অৱশ্যে এটা কথাই সকাহ দিছে যে এই ৰোগ চৰাইৰ পৰা মানুহলৈ সংক্ৰমিত হ'ব পাৰে; কিন্তু এজন আক্ৰান্ত মানুহৰ পৰা এজন সুস্থ মানুহলৈ সংক্ৰমিত হোৱাৰ তথ্য এতিয়ালৈকে নাই।

কাকতে-পত্ৰই বাৰ্ড ফ্লুৰ কথা যি ধৰণে প্ৰকাশ পাইছে, তেনে ক্ষেত্ৰত জনসাধাৰণ ভীতিগ্ৰস্ত হোৱাই স্বাভাৱিক। বজাৰত হাঁহ-কুকুৰাৰ মাংসৰ বিক্ৰীও কমি গৈছে। সদ্যহতে এটা কথা মনত ৰখাই ভাল যে সিজাই খোৱা মাংস বা কণীৰ পৰা বাৰ্ড ফ্লুৰ বীজাণু সংক্ৰমিত হ'ব নোৱাৰে আৰু চৰকাৰ তথা পশুপালন বিভাগৰ দ্বাৰা নিষেধাজ্ঞা জাৰি নকৰালৈকে হাঁহ-কুকুৰাৰ মাংস অথবা কণী বিক্ৰী আৰু ভক্ষণ কৰিবলৈ ভয় কৰিব নালাগে। শেহতীয়াকৈ অহা ছোৱাইন ফ্লুৰ ভাইৰাছটোৰ নাম $H_5N_1$ আৰু এই ভাইৰাছ গাহৰিৰ দেহৰ পৰা মানুহলৈ সংক্ৰমিত হৈ সংক্ৰামক ৰূপ ধাৰণ কৰিছে বুলি বিজ্ঞানীসকলে ব্যাখ্যা কৰিছে। ছোৱাইন ফ্লুৰ ভাইৰাছ গাহৰিৰ পৰা মানুহৰ শৰীৰলৈ আহি মানুহজনক আক্ৰান্ত কৰাৰ পাছত এজন আক্ৰান্ত মানুহৰ পৰা আন এজন সুস্থ মানুহলৈ সংক্ৰমিত হ'ব পাৰে আৰু সেয়েহে ছোৱাইন ফ্লুৰ ভয়াবহতা বাৰ্ড ফ্লুতকৈও অধিক বুলি বিজ্ঞানীসকলে সতৰ্কতামূলক বিধি-ব্যৱস্থাৰ পোষকতা কৰিছে।

**এনথ্ৰাক্স, চিৰিয়াখানাৰ গঁড়টো আৰু তেজপুৰৰ সেই কৰুণ ঘটনা ঃ**

সম্ভৱ ১৯৯১-৯২ চনমানৰ ঘটনা। মাংস খাই তেজপুৰত বহুকেইজন চাহ বনুৱা ৰোগাক্ৰান্ত হৈ মৃত্যুমুখত পৰিল। সেই সময়ত প্ৰকাশিত বাতৰি মতে মৃত ব্যক্তিসকলে মৃত্যুৰ আগদিনা মৃত গৰুৰ মাংস ভক্ষণ কৰিছিল। মৰিবলৈ কলমটিয়াই থকা হাঁহ-কুকুৰাক মাৰি খোৱাৰ অভ্যাস বহু লোকৰ আছে। সেই সময়ত সেই অঞ্চলত গৰু-ম'হৰ 'টেঁটুৱা' ৰোগে দেখা দিছিল। টেঁটুৱা (Anthrax) ৰোগত যিহেতু আক্ৰান্ত জন্তুটো হঠাতে মৃত্যুমুখত পৰে, সেয়েহে বনুৱাসকলে হয়তো জন্তুটো হাৰ্ট-ফেইল কৰি মৃত্যু হোৱা বুলি ভাবি লৈ তাৰ মাংস ভক্ষণ কৰিলে। মাংস নিশ্চয় তেওঁলোকে সিজাই খাইছিল; কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল, টেঁটুৱা ৰোগৰ বীজাণু 'বেচিলাছ এনথ্ৰাচিছ' (Bacillus Anthracis) নামৰ বেক্টেৰিয়াবিধ যেতিয়া বায়ুমণ্ডলৰ সংস্পৰ্শলৈ আহে, তেতিয়া ই ইমানেই শক্তিশালী হৈ পৰে যে উতলাই সিজালেও মাংসৰ ভিতৰত এই বীজাণুবিধ সজীৱ হৈ থাকিব পাৰে আৰু ই মানুহৰ শৰীৰত ৰোগ সৃষ্টি কৰিব পাৰে।

দুবছৰমানৰ আগতে গুৱাহাটীৰ চিৰিয়াখানাত এটা গঁড় এনথ্ৰাক্স (Anthrax) ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ পাছত এনথ্ৰাক্স ৰোগে মহামাৰীৰ ৰূপ লৈ মানুহৰ মৃত্যু ঘটাব পাৰে বুলি সৰ্বত্ৰ আলোচনা হৈছিল আৰু জনসাধাৰণ কিছু পৰিমাণে আতংকিতও হৈছিল। এনথ্ৰাক্সৰ দৰে মাৰাত্মক ৰোগ জন্তুৰ

পৰা মানুহলৈ আহিব পাৰে সঁচা; কিন্তু ই মহামাৰীৰ ৰূপ ধাৰণ কৰি বহু মানুহৰ মৃত্যু ঘটাব বুলি ভবাটো এক অনাহক আশংকাহে। ইতিহাসত 'এনথ্ৰাক্স'ৰ মহামাৰী হৈ বহু মানুহৰ মৃত্যু হোৱাৰ নজিৰ পোৱা নাযায়।

**বিনচ কৰা গৰুজনীৰ পৰা সাৱধান ঃ**

গৰু, ছাগলী, ম'হ আদিয়ে গাভিনী অৱস্থাত গৰ্ভধাৰণকাল সম্পূৰ্ণ কৰিব নোৱাৰি আদসময়তে পোৱালি উলিয়াই দিয়া প্ৰক্ৰিয়াক বিনচ কৰা বুলি কয়। বিভিন্ন কাৰণত গৰু-ছাগলীয়ে বিনচ কৰিব পাৰে যদিও 'ব্ৰুচেলা এবৰ্টাছ (Brucella-abortus) নামৰ এবিধ বেক্টেৰিয়াৰ সংক্ৰমণৰ বাবেও এই ঘটনা ঘটে। এই বেক্টেৰিয়াবিধে মানুহকো আক্ৰমণ কৰি হেন্দোলনি সৃষ্টি কৰা 'মাল্টা জ্বৰ' (Multa fever) নামৰ এবিধ বিশেষ ৰোগ সৃষ্টি কৰিব পাৰে। বিনচ কৰা পোৱালিটো খালী হাতেৰে চুলে বা মাকৰ শৰীৰৰ পৰা ওলোৱা বীজাণু মানুহৰ শৰীৰত থকা ঘাঁৰ সংস্পৰ্শলৈ আহিলে এই বীজাণু মানুহৰ শৰীৰত সোমাব পাৰে।

**কুকুৰৰ পৰা সাৱধান ঃ**

কুকুৰ পোহা বহুতো লোকে নিজৰ পদূলিৰ জপনাত 'কুকুৰৰ পৰা সাৱধান' বুলি ফলক লগাই থয়, কিয়নো কুকুৰে কামুৰিলে হ'ব পৰা জলাতংক এক ভয়ানক বেমাৰ। 'ৰেবিজ' বা জলাতংক নামৰ ৰোগবিধ এবিধ ভাইৰাছৰ পৰা হয় আৰু কুকুৰ, মেকুৰী বা তেনে ধৰণৰ যিকোনো জন্তুৱে কামুৰিলে এই ৰোগ হ'ব পাৰে, যদিহে কামোৰা জন্তুবিধৰ লেলাউটিত এই ভাইৰাছবিধ থাকে। ছালত হোৱা ঘাঁৰ মাজেদি সোমালেহে এইবিধ ভাইৰাছে জলাতংক ৰোগৰ সৃষ্টি কৰিব পাৰে; খাদ্যৰ লগত মুখেদি সোমালে অথবা উশাহ-নিশাহত প্ৰৱেশ কৰিলে ভাইৰাছবিধে ৰোগ সৃষ্টি কৰিব নোৱাৰে।

কুকুৰে কামোৰাৰ পাছত জলাতংকৰ প্ৰতিষেধক টীকা লোৱাই উত্তম উপায়। থলুৱা দৰৱ খাই অথবা কোনো বেজৰ মন্ত্ৰৰ দ্বাৰা জলাতংকৰ ভাইৰাছ মাৰিব নোৱাৰি। অৱশ্যে পোহনীয়া কুকুৰক নিয়মীয়াকৈ জলাতংক প্ৰতিষেধক প্ৰদান কৰি জলাতংকত আক্ৰান্ত হোৱাৰ পৰা বচাই ৰাখিব পাৰি।

জলাতংকৰ ভাইৰাছবিধ খাৰুৱা দ্ৰব্যৰ প্ৰতি বৰ সংবেদনশীল। সেয়েহে, কুকুৰে কামুৰিলে ক্ষতস্থান লগে লগে কাপোৰ ধোৱা চাবোনেৰে মোহাৰি মোহাৰি ধুই দিব লাগে আৰু যদিহে তেজ ওলাই থাকে, তেন্তে কিছু পৰিমাণৰ তেজ শৰীৰৰ পৰা ওলাই যাবলৈ দিব লাগে। তেজৰ লগত কিছু পৰিমাণৰ ভাইৰাছ শৰীৰৰ পৰা ওলাই যাব পাৰে। অৱশ্যে চিকিৎসকৰ পৰামৰ্শ লগে লগে ল'বই লাগিব।

**হালধীয়া ৰোগ ঃ**

ইংৰাজীত Yellow fever বুলি কোৱা ৰোগবিধ 'লেপ্ট'স্পাইৰা' নামৰ এবিধ বেক্টেৰিয়াসদৃশ বীজাণুৱে কৰিব পাৰে। এইবিধ বীজাণুও কুকুৰৰ দেহত থাকিব পাৰে আৰু কুকুৰৰ প্ৰস্ৰাৱৰ জৰিয়তে ই শৰীৰৰ পৰা বাহিৰ হ'ব পাৰে। এনে বীজাণুযুক্ত প্ৰস্ৰাৱ গচকিলে মানুহৰ ভৰিৰ তলুৱাইদি সোমাই বা আন প্ৰকাৰে শৰীৰলৈ বীজাণু সোমাই হালধীয়া ৰোগ সৃষ্টি কৰিব পাৰে।

**উৰহৰ পৰা সাৱধান! ই 'চাগাচ' ৰোগ কৰে ঃ**

চাগাচ (Chagas) নামৰ বিজ্ঞানীজনে ১৯০৯ চনত 'ট্ৰাইপেন'চ'মা ক্ৰুজাই' (Trypenosoma Cruzii) নামৰ 'প্ৰট' জোৱা'বিধ আৱিষ্কাৰ কৰে আৰু তেওঁৰ নামেৰে এইবিধ 'প্ৰ'ট'জোৱা'ই কৰা ৰোগক 'চাগাচ' ৰোগ বুলি কোৱা হয়। আৰ্জেণ্টিনাৰ উত্তৰাঞ্চল, দক্ষিণ আফ্ৰিকা আৰু মধ্য আমেৰিকাত এই ৰোগ বেছিকৈ হোৱা দেখা যায়। কুকুৰ, মেকুৰী, গাহৰি, শিয়াল, ফেউৰা, বান্দৰ আদিৰ দেহত এই বীজাণুবিধ থাকিব পাৰে। শোৱাপাটিত থকা উৰহে এই ৰোগ বিয়পায়। উৰহে আক্ৰান্ত জন্তু বা মানুহক কামুৰিলে বীজাণু উৰহৰ দেহলৈ যায় আৰু উৰহৰ বিষ্ঠাৰ লগত সেই বীজাণু বাহিৰ হয়। এই বিষ্ঠা কিবা প্ৰক্ৰিয়াৰে সুস্থ মানুহৰ তেজৰ সংস্পৰ্শলৈ আহিলে সুস্থ মানুহজন এই 'চাগাচ' ৰোগত আক্ৰান্ত হ'ব পাৰে।

**টোপনি বেমাৰ — আফ্ৰিকাৰ হাবিৰ ৰোগ ঃ**

'ট্ৰাইপেন'চ'মা (Tripenosoma) নামৰ এবিধ মেলেৰিয়াসদৃশ ৰক্তকণিকা ধ্বংস কৰা বীজাণুৱে 'আফ্ৰিকান শ্লিপিং ছিক্‌নেছ' (African Sleeping Sickness) নামৰ ৰোগটো সৃষ্টি কৰে। এই ৰোগৰ বীজাণু সাধাৰণতে নিম্ন

শ্ৰেণীৰ, আমোদৰ বাবে ব্যৱহৃত জীৱ-জন্তুত থাকে। পূব আফ্ৰিকাত এই ৰোগ বেছি যদিও বৰ্তমান অন্য ঠাইলৈও এই ৰোগ বিয়পি পৰিছে। ‘চি-চি’ (Tse-tse fly) নামৰ এজাত মাখিয়ে এই ৰোগ এজন মানুহৰ পৰা আন এজন মানুহলৈ অথবা জন্তুৰ দেহৰ পৰা মানুহৰ দেহলৈ বিয়পায়। এই ৰোগত আক্ৰান্ত ব্যক্তিয়ে আলস্য আৰু টোপনিৰ ভাৱ দেখুৱায়।

**গৰু আৰু গাহৰিৰ মাংসৰ পৰা হ'ব পৰা ফিতা পেলু ঃ**

গৰু আৰু গাহৰিৰ মাংস খালেই যে ফিতা পেলু হ'ব, আচলতে সেইটো কথা শুদ্ধ নহয়। ফিতা পেলুৰো বহু প্ৰজাতি আছে। তাৰ ভিতৰত ‘টিনিয়া চেজিনাটা’ (Taenia saginata) নামৰ ফিতা পেলুবিধ গৰুৰ গাৰ পৰা মানুহলৈ আৰু ‘টিনিয়া চ'লিয়াম’ (Taenia solium) নামৰ ফিতা পেলুবিধ গাহৰিৰ পৰা মানুহলৈ সংক্ৰমিত হ'ব পাৰে।

মুকলিকৈ চৰা গৰু আৰু গাহৰি, যিবোৰে মুকলি ঠাইত শৌচ কৰা মানুহৰ মল-মূত্ৰ ভক্ষণ কৰাৰ সুবিধা পায়, তেনে গৰু বা গাহৰিৰ শৰীৰতে ফিতা পেলু হোৱাৰ সম্ভাৱনা বেছি। এনে ধৰণৰ ফিতা পেলুত আক্ৰান্ত গৰু-গাহৰিৰ মাংস খালে মানুহৰ দেহতো ফিতা পেলু হ'ব পাৰে। কেতিয়াবা মানুহৰ পাকস্থলী বা অন্ত্ৰনলীত হোৱাৰ পৰিৱৰ্তে পেশীৰ মাজত অথবা লাওখোলাৰ ভিতৰত বেলুনৰ নিচিনাকৈ জুলীয়া পদাৰ্থৰে আৱৰা এটা জোলাৰ ভিতৰত ফিতা পেলু গঢ় ল'ব পাৰে, যিটো চিকিৎসা বিজ্ঞানৰ দিশৰ পৰা এটা সমস্যাবহুল অৱস্থা।

অৱশ্যে ভালকৈ সিজাই খোৱা মাংসত ফিতা পেলুৰ কণী জীয়াই থাকিব নোৱাৰে। সেয়েহে পৰিষ্কাৰ-পৰিচ্ছন্নভাৱে ৰন্ধা আৰু উপযুক্তভাৱে সিজোৱা মাংসৰ জৰিয়তে ফিতা পেলুৰ বীজাণুৰ সংক্ৰমণ ৰোধ কৰিব পাৰি।

**প্ৰতিৰোধ ব্যৱস্থা ঃ আমি কি কৰিব পাৰোঁ ?**

* যিসকলে কুকুৰ-মেকুৰী আদি সৰু জন্তু ঘৰমতে অথবা আমোদ-প্ৰমোদৰ বাবে পোহে, তেওঁলোকে নিয়মীয়াকৈ প্ৰতিষেধক টীকা, বিশেষকৈ জলাতংকৰ টীকা জন্তুটোক দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* হাঁকুটী পেলুকে আদি কৰি বহুবোৰ পেলু কুকুৰ-মেকুৰীৰ পৰা মানুহলৈ বিয়পে, সেয়েহে পোহনীয়া জন্তুক নিয়মীয়াকৈ পেলুৰ ঔষধ খুৱাব লাগে।

* বনৰীয়া জীৱ-জন্তু আৰু চৰাইৰ দেহত বহুবোৰ ৰোগ সৃষ্টিকাৰী বীজাণু কোনো ৰোগৰ লক্ষণ নেদেখুৱাকৈ থাকিব পাৰে। সেয়ে কোনো কাৰণতে বনৰীয়া জীৱ-জন্তু বা চৰাই ধৰিবলৈ অথবা সিহঁতৰ মাংস ভক্ষণ কৰিবলৈ যত্ন কৰিব নালাগে।

* মহ-মাখি, চিকৰা, কুকুৰ-মাখি, উৰহ আদি কীট-পতংগই বহুবোৰ ৰোগ জন্তু আৰু মানুহৰ মাজত সংক্ৰমণ ঘটায়। পৰিষ্কাৰ পৰিৱেশত এনে ধৰণৰ বাহকবোৰৰ সংখ্যা বৃদ্ধি নিয়ন্ত্ৰিত হৈ থাকে; সেয়েহে জীৱ-জন্তু পুহিলে সিহঁতক পৰিষ্কাৰকৈ ৰখাৰ লগতে যিমান পৰা যায়, পৰিৱেশ পৰিষ্কাৰ কৰি ৰখাৰ যত্ন কৰিব লাগে।

* যিকোনো জন্তুৱে কামুৰিলে, বিশেষকৈ কুকুৰ, মেকুৰী, বাঘ, শিয়ালজাতীয় মাংসভোজী জন্তুৱে কামুৰিলে লগে লগে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিব লাগে। প্ৰয়োজনীয় ক্ষেত্ৰত জলাতংক-প্ৰতিৰোধী টীকা ল'ব লাগে। গাঁৱলীয়া বেজ, ওজা, বন-দৰৱ আদিয়ে জলাতংকৰ ভাইৰাছ ধ্বংস কৰিব নোৱাৰে।●

***লেখক পৰিচিতি ঃ*** *দক্ষ পশু চিকিৎসক ডাঃ প্ৰবীণ কুমাৰ নেওগ ‘আমাৰ অসম’, ‘পয়োভৰা’, ‘জিএনআৰচি স্বাস্থ্য’ আদি কাকত-আলোচনীৰ নিয়মীয়া লিখক। ডাঃ নেওগ যোৰহাটৰ অন্যতম প্ৰকৃতি সংৰক্ষণ সংস্থা ‘কেতেকী’ৰ উপদেষ্টা আৰু সক্ৰিয় পৰিৱেশ কৰ্মী।*



# (অ)বিশ্বাস আৰু সংশয়ৰ চৰাই ফেঁচা

**চন্দ্ৰ মজিন্দাৰ বৰুৱা**

'ষ্টিগিফৰ্মেচ' বৰ্গৰ অন্তৰ্গত সকলো ফেঁচাই নিশাচৰ আৰু মাংসভোজী, দেখাত বান্দৰৰ মুখৰ লগত মিল থকা মুখাৱয়বৰ, সন্মুখৰ ফালে দুটা গোল গোল তীক্ষ্ণ চকুৰে ফেঁচাকুলৰ চৰায়ে সদায় মানুহৰ মনোযোগ আকৰ্ষণ কৰি আছে। এই বৰ্গৰ কেউটা প্ৰজাতিক লৈ মানুহৰ অহেতুক ভয়-সংশয় আৰু কুসংস্কাৰ আছে। ভয়ৰ কাৰণ হ'ল ইয়াৰ অইন চৰাইৰ লগত মিল নথকা আপচু মুখ মণ্ডল, নিশাৰ অন্ধকাৰত বিভিন্ন বিকট মাত। লগতে ইয়াৰ ওচৰ চাপিলে যি আক্ৰমণাত্মক, ভীতি সঞ্চাৰক মূৰ্তি ধৰে, সিও এটা অন্যতম কাৰণ। ফেঁচা এটা অমংগলীয়া চৰাই বুলি থকা লোকবিশ্বাসো ইয়াৰ প্ৰতি থকা মানুহৰ ভয়ৰ কাৰণ। ঘৰৰ ভিতৰত ফেঁচা সোমালে, ঘৰৰ ছালত পৰি নিউ নিউকৈ চিঞৰিলে, বাৰীৰ গছত হুদুৱে মাতিলে বা যমডাকিনীয়ে (এজাতি ফেঁচা) মৰ মৰকৈ চিঞৰিলে গৃহস্থৰ অচিৰে অমংগল হয় বুলি বদ্ধমূল, কিন্তু অমূলক বিশ্বাস জনমানসত যুগে যুগে সোমাই আছে। ই যেন এটা কালিকা লগা চৰাই। আনহাতে দেশে-বিদেশে দেৱীৰ বাহনৰূপে পূজাৰ বেদীত ফেঁচাৰ মূৰ্তিক সভক্তিৰে স্থাপন কৰা হয়। হিন্দুৰ ধন-সম্পদৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীৰ সংগী ফেঁচা। গ্ৰীক পুৰাণত প্ৰজ্ঞাৰ দেৱী এথেনাৰ সংগী ফেঁচা, যিটো বিশ্বাসৰ পৰা ইংৰাজীত "ৱাইজ অ'ল্ড আউল" আদি যোজনাৰ সৃষ্টি হৈছে। দেৱী এথেনাৰ সন্মানাৰ্থে এথেন্স চহৰ (গ্ৰীচৰ ৰাজধানী) নামকৰণ হৈছে। এস্কিমোসকলেও ফেঁচাক মেজিক বা যাদু বিদ্যাৰ প্ৰতীক বুলি গণ্য কৰে।

পক্ষী জগতত অনন্য ফেঁচাৰ বৰ্গৰ নাম ষ্ট্ৰিগিফৰমেচ্ (Strigiformus)। এই বৰ্গ দুটা বংশত বিভাজিত। সেই দুটা হৈছে টাইটোনিনি (tytoninac) আৰু ষ্ট্ৰিগিদি (Strigidae)। ইয়াৰে প্ৰথমটো বংশত পৰে আমাৰ চিনাকী লক্ষ্মী ফেঁচা (barn owl)। ইয়াৰ বিস্তৃতি পৃথিৱীৰ সকলো দেশতে। বান্দৰৰ মুখমণ্ডলৰ দৰে এখন চেপেটা, ঘূৰ্ণীয়া মুখাৱয়ব ইয়াৰ বৈশিষ্ট্য। ষ্ট্ৰিগিদি বংশৰ ফেঁচাক খাছ ফেঁচা (true owl) বুলি কোৱা হয়; ইয়াৰ বৈশিষ্টা হ'ল ইয়াৰ ডাঙৰ আকাৰৰ মূৰ আৰু সন্মুখত অৱস্থিত প্ৰকাণ্ড গোল চকু দুটা। কিছুমানৰ মূৰৰ ওপৰত দুয়োকাষে থাকে দেখাত জোঙা শিং যেন লগা দুটা পাখিৰ থোপা।



যম ডাকিনী

সকলো ফেঁচাৰে দৃষ্টি আৰু শ্ৰৱণ শক্তি অতি প্ৰখৰ। ঘ্ৰাণ শক্তি কোনো চৰাইৰে প্ৰখৰ নহয়, ফেঁচাৰো নহয়। গোলাকাৰ ডেউকা আৰু সুকোমল পাখিৰ গৰাকী হোৱাৰ বাবে ইয়াৰ উৰণ অতি নিঃশব্দ। ফলত ফেঁচা এবিধ অতি দক্ষ চিকাৰী চৰাই। ই চিকাৰৰ ওপৰত অজানিতে, অলক্ষিতে, দ্ৰুত গতিৰে জঁপিয়াই ঠেঙৰ চোকা নখেৰে থাপ মাৰি ধৰি লয় আৰু গোটে গোটে গিলি থয়। কেৱল ডাঙৰ আকাৰৰ চিকাৰ (যেনে এন্দুৰ, চিকা, কেৰ্কেটুৱা, নাইপিয়া বা অন্য চৰাই) ধৰিলে ঠোঁটেৰে আঁজুৰি ছিঙি খায়। যিবিলাক অংশ হজম কৰিব নোৱাৰে,

সেইবিলাক উগাৰি পেলাই দিয়ে কাৰণে ই কি কি আহাৰ খায় তাক তাৰ আস্তানাৰ তললৈ গ'লে গম পোৱা যায়। তাৰ তীক্ষ্ণ চকুকেইটাৰে সামান্যতম পোহৰৰ আভাসতে দেখা পায়। অনুমান কৰা হৈছে ফেঁচাৰ নিশাৰ দৃষ্টিশক্তি (night vision) মানুহতকৈ প্ৰায় এশ গুণ বেছি। কিন্তু সম্পূৰ্ণ অন্ধকাৰত ফেঁচাও অন্ধ হৈ পৰে। সেইকাৰণে ফেঁচাৰ চিকাৰ ধৰাৰ উৎকৃষ্ট সময় কানিমুনি বা দোকমোকালি সময় আৰু শুক্লপক্ষৰ জোনাক নিশা। বহুতে ভবাৰ দৰে ফেঁচাই দিনত নেদেখা নহয়, কিন্তু তীব্ৰ পোহৰে তাৰ চকুত চাট মাৰি ধৰে তাৰ চকুৰ বৃহৎ লেন্সৰ বাবে। দিনত ওলালে মানুহে ফেঁচাক খেদা দিয়ে। হুদু খেদা দিয়া বুলি কথা এষাৰ আছে নহয়! সেয়ে ই দিনত গছৰ ঘন পাতৰ মাজত বা ধোন্দত চোপ মাৰি লুকাই থাকে; বেলি মাৰ যোৱাৰ সময়তে নিশা জোৰা চিকাৰ অভিযানলৈ ওলাই আহে আৰু বেলিৰ পোহৰ চোকা নোহোৱালৈ অভিযান চলাই যায়। ফেঁচাই চকুকেইটা ২৭০° (দুশ সত্তৰ ডিগ্ৰী) ঘূৰাব পাৰে। সেয়ে গাটো লৰচৰ নকৰাকৈ সন্তৰ্পণে প্ৰায় চাৰিওফালে চিকাৰ সন্ধান কৰিব পাৰে। ফেঁচাৰ শ্ৰৱণ শক্তিও ইমান প্ৰখৰ যে তাৰ বহা স্থানৰ পৰা ত্ৰিছ মিটাৰ ব্যাসৰ দূৰত্বৰ সামান্য পোক-পতংগ এটাই লৰচৰ কৰিলেও তাৰ দৃষ্টিগোচৰ হয়। খেতি পথাৰৰ এন্দুৰ, শলিয়া, ঘাঁহনিত চুঁচৰি ফুৰা সাপ, নাইপিয়া, তৰচেঙেলি বা পানী যুৱলিত বগাই ফুৰা কেঁকোৰা, বেং আৰু ফৰিং, গুবৰুৱা আদিৰ উপস্থিতি সহজেই ধৰিব পাৰে। শকত, সুদৃঢ় ঠোঁটৰ চাৰিওকাষে থকা সংজ্ঞাবাহক নোমৰ যোগে ফেঁচাই চিকাৰৰ অৱস্থিতি অনুভৱ কৰিব পাৰে। ইও তাৰ চিকাৰ কৰাত সহায় কৰে। কেইবাটাও প্ৰজাতিৰ ফেঁচাই আকৌ দিনতহে চিকাৰ কৰে। উদাহৰণ — Hawk owl বা শেন ফেঁচা।

সাধাৰণতে ডাঙৰ গছৰ খোৰোং, পুৰণা পৰিত্যক্ত ঘৰৰ দৰে সুবিধাজনক ঠাইত ফেঁচাই কণী পাৰে। কেইটামান প্ৰজাতিয়ে পাহাৰৰ গাৰ শিলৰ খোৰোঙত বা নদীৰ ঠিয় গৰাত গাঁত খান্দি কণী পাৰে। লোকালয়ৰ পৰা দূৰৰ ঠাইহে ইহঁতে বাচি লয়। অইন চৰায়ে এৰি থৈ যোৱা বাহতো সুবিধা পালে ইহঁতে কণী পাৰে। এবাৰত তিনি বা চাৰিটা কণী পাৰে। মতা মাইকী দুয়োটাই পাল পাতি উমনিত বহে। কণীবোৰ কুকুৰা কণীৰ দৰে, কিন্তু কম দীঘল, প্ৰায় গোল আকৃতিৰ। অইন চৰাইৰ দৰে ইহঁতেও পোৱালীক উৰিব পৰালৈকে টোপ খুৱায় আৰু ৰক্ষণাবেক্ষণ দিয়ে।

ফেঁচাৰ বংশত ১৮ টা প্ৰজাতি চিনাক্ত কৰা হৈছে। ইয়াৰে এটা আমাৰ চিনাকি লক্ষ্মী ফেঁচা (barn owl)। ইয়াৰ বাদেও আছে উলু ফেঁচা (grass owl), হুদু (brown fish owl)। বৰ হুদু (Indian great horned owl, বাংলাত হুটুম পেঁচা) ভাৰতত পোৱা সকলো প্ৰজাতিৰ ফেঁচাৰ মাজত আটাইতকৈ ডাঙৰ। ই দীঘলে ৫৬ চেণ্টিমিটাৰ (২২")।

ফেঁচাৰ বিভিন্ন প্ৰজাতিৰ ভিতৰত যমডাকিনী বা মৰ চৰাই বা কাল ফেঁচাৰ (Brown hawk owl) মাত অতি বিকট, কৰ্কশ লগতে ভীতি সঞ্চাৰক। সেয়ে ইয়াৰ মাত শুনাটো অমংগলজনক বুলি অন্ধবিশ্বাস আছে। মাজনিশাৰ নিৰ্জনতাত তাৰ কেইবা ধৰণৰ মাতৰ ভিতৰত 'মৰ ঔ মৰ ঔ' যেন শুনা কৰ্কশ মাতে অলপ ধতুৱা মানুহৰ বুকুৰ কঁপনি তুলিব পাৰে। এই বিকট মাতটোৱে এটা ভয়াল পৰিৱেশ সৃষ্টি কৰে। অকলশৰে কোনোবা লোকালয়ৰ পৰা দূৰত নিশা কটাওঁতে, মাজনিশা এনে হৃদয় কঁপোৱা শব্দ শুনি নোম ডাল ডাল হোৱাৰ কাহিনী শুনিবলৈ পোৱা যায়। এইবিধ ডাঙৰ জাতৰ ফেঁচা সাধাৰণতে নদী বা বিলৰ কাষৰ হাবিত বিচৰণ কৰে। অইন ফেঁচাৰ দৰে এঠাইত পৰি চিকাৰৰ বাবে ই চোপ লৈ নাথাকে। ই চিকাৰৰ সন্ধানত এঠাইৰ পৰা অইন এঠাইলৈ অস্থিৰভাৱে উৰি ফুৰে। ই অইন চৰাইক উৰন্ত অৱস্থাতে খেদি ধৰাও দেখা গৈছে। বন কুকুৰা, ডাউক আদি বুজন আকাৰৰ চৰায়ো


লক্ষ্মী ফেঁচা

ই চোঁ মাৰি মাটিৰ পৰা নখেৰে ধৰি নিয়ে।

যিটো ফেঁচা গ্ৰীক দেৱী এথেনাৰ সংগী বুলি বিশ্বাস কৰা হয়, সেইটো হ'ল গোটেই গাতে ক'লা-বগা ফুট ফুট আৰু আঁক-বাঁক থকা ফুটুকী ফেঁচা বা স্পটেড্ আউলেট (Spotted owlet, বাংলাত কয় কোটৰে পেঁচা)। ই আকাৰত শালিকাতকৈ সামান্য সৰু। এইবিধ ফেঁচা লোকালয়ৰ ওচৰে-পাজৰে থাকে আৰু শস্যৰ ভঁৰাল, বাৰী, চোতালত চিকাৰ বিচাৰি ওৰে নিশা চলাথ কৰি ফুৰে। ই ডাঠ হাবি এৰাই ফুৰে। সাধাৰণতে সকলো ফেঁচাই অকলে থাকি ভাল পায়— আটকীয়া চিকাৰ ভাগ হোৱাৰ ভয়ত। কিন্তু ফুটুকী ফেঁচাই তিনি চাৰিটাৰ সৰু জাকত থাকে। মুনিচুনি বেলিকা ওলাই আহি মুকলি ঠাইৰ গছৰ ডালত বা টেলিগ্ৰাফৰ তাঁৰত বহি চিকাৰৰ আপেক্ষাত থাকে।

ওপৰত উল্লেখ কৰা ফেঁচাকেইবিধৰ বাহিৰেও আৰু কেইবাটাও প্ৰজাতিৰ ফেঁচা আমাৰ দেশত দেখা যায়। দেশী নাম নজনা বা নথকা কেইটামান প্ৰজাতিৰ ইংৰাজী নাম হ'ল— Collared scops owl (কণ্ঠী ফেঁচা?), Barred jungle owl, Malted wood owl (জপৰা বন ফেঁচা?) আৰু short-eared owl (সৰুকণীয়া ফেঁচা?)

সকলো ফেঁচাৰে চালচলন, খাদ্যাভ্যাস কম-বেছি পৰিমাণে একে। সকলো ফেঁচা মাংসভোজী। ডাঙৰ আকাৰৰ পোক-পতংগৰ লগতে সৰু-সুৰা জীৱ-জন্তু, চৰাই ইত্যাদি ইহঁতৰ খাদ্য। কেইটামান প্ৰজাতিৰ মুখ্য আহাৰ নিগনি, শলিয়া আৰু এন্দুৰ।

## কৃষকৰ পৰম বান্ধৱ ঃ

ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সমীক্ষা মতে ভাৰতত মুঠ খাদ্য শস্য উৎপাদনৰ প্ৰায় দহ শতাংশ যায় এন্দুৰ, শলিয়া আদিৰ পেটলৈ আৰু গাঁতলৈ। এন্দুৰ, শলিয়া, নিগনি আদিয়ে গাঁতত যথেষ্ট পৰিমাণৰ খাদ্য নাটনিৰ দিনৰ বাবে সাঁচি ৰাখে। নিৰীক্ষণ কৰি পোৱা গৈছে যে এটা গড় আকাৰৰ এন্দুৰে বছৰি প্ৰায় দহ কিলোগ্ৰাম শস্য খায় আৰু সম পৰিমাণে গাঁতত সাঁচে অথবা কুটি নষ্ট কৰে।



ফুটুকী ফেঁচা

যিকেইটা প্ৰজাতিৰ ফেঁচাৰ প্ৰধান খাদ্য এন্দুৰ, শলিয়াৰ দৰে কৃন্তক প্ৰাণী, সিহঁতে গোটেই নিশাটো, ফুট গধুলিৰ পৰা পুৱতি নিশালৈ এন্দুৰ-নিগনি বিচাৰি মানুহৰ খেতি পথাৰ, চোতাল, বাৰী, ভঁৰালঘৰ আদি তন্ন তন্নকৈ চলাথ কৰে। গৱেষকসকলে লক্ষ্য কৰি পাইছে যে একোটা ফেঁচাই এনিশাত কমেও তিনিটা এন্দুৰ-নিগনি ধৰি খায়। এনেকৈ চালে মাত্ৰ এটা ফেঁচাই এবছৰত কমেও ৭৫০টা এন্দুৰ ধৰি খায়। এই ৭৫০টা এন্দুৰে, প্ৰতিটোৱে ২০ কিলোগ্ৰামকৈ বছৰি (৭৫০×২০) ১৫০ কুইণ্টল খাদ্য শস্য ধ্বংস কৰে। প্ৰতি কুইণ্টলত ৭০০ টকাকৈ মূল্য ধৰিলে, বছেৰেকত মাত্ৰ এটা ফেঁচাই প্ৰায় এক লাখ টকা (১৫০ কুইণ্টল × ৭০০ টকা) মূল্যৰ শস্য ৰক্ষা কৰে।

এটা ফেঁচা চৰাইৰ গড় জীৱনকাল সাত বছৰ বুলি ধৰিলে, ই তাৰ জীৱনকালত সাত লাখ টকা ৰাহি কৰে। এতিয়া ভাবি চাওকচোন, ফেঁচা মানৱ জাতিৰ বাবে কেনে পৰম হিতৈষী বান্ধৱ!

## অন্ধবিশ্বাসৰ কৰুণ বলি ঃ

মাজে-সময়ে বাতৰি কাকতত পোৱা যায় যে বিৰল প্ৰজাতিৰ ফেঁচা ধৰি বহিঃৰাজ্যলৈ চোৰাংভাৱে ৰপ্তানি কৰোঁতে চোৰাং বেপাৰী ধৰা পৰিছে। সততে দেখা পোৱা নাযায় বাবেই ফেঁচা এবিধ ৰহস্যময় আৰু অনেক সময়ত ঐন্দ্ৰজালিক গুণসম্পন্ন চৰাই বুলি সাধাৰণ মানুহৰ মাজত বিশ্বাস আছে। বিভিন্ন ধৰণৰ কুসংস্কাৰে এই বিৰল চৰাইবিধক আগুৰি আছে।



হুদু

কিছুমান উদ্ভট কল্পনাপ্ৰসূত কুসংস্কাৰে অশিক্ষিত সমাজকে নহয়, কিছুমান তথাকথিত উচ্চশিক্ষিত মূৰ্খ মানুহকো আবৃত কৰি ৰাখিছে। মাৰণ, বশীকৰণ, উচ্চাতন আদি কু-উদ্দেশ্য প্ৰাণোদিত কৰ্মত (Black magic) ফেঁচাৰ কলিজা, অন্ত্ৰ, ঠোঁট, নখ আদি ব্যৱহাৰ কৰা হয়। দুষ্প্ৰাপ্য বাবেই ফেঁচা ধৰি মাত্ৰাধিক মূল্যত চালান দিয়ে বোধহয় এনে উদ্দেশ্যৰেই। শগুণ, কাউৰী, হাড়গিলা, চিলনী, ফেঁচু আদি বহু প্ৰজাতিৰ চৰাই দ্ৰুত গতিত কমি আহিছে। আনকি খুদমান ঘৰচিৰিকাও সংখ্যাত কমি আহিছে। ফেঁচা, চিলনী, ফেঁচু আদি চৰাইৰ সংখ্যা বৃদ্ধিৰ সহায়ক হিচাপে আমি এনে কিছুমান সহজ উপায় চৰকাৰী সাহায্য নোহোৱাকৈও কৰিব পাৰোঁহক।

(১) খেতি পথাৰৰ কাষে কাষে ওখ গছ ৰোপণ। ইয়াৰ দ্বাৰা বাহ বান্ধি পোৱালী জগাবলৈ আৰু চিকাৰৰ বাবে চোপ ল'বলৈ সুবিধা কৰি দিয়া হয়।

(২) খেতি পথাৰৰ মাজে মাজে বাঁহৰ খুটা পোতা। চিকাৰী চৰায়ে তাত পৰি এন্দুৰ, নিগনিৰ বাবে চাৰিওফালে চকু দিব পাৰে।

(৩) এন্দুৰ, নিগনি মাৰিবলৈ ঔষধ প্ৰয়োগ যিমান পাৰি কমোৱা। এনে ঔষধ খাই মৰা এন্দুৰ-নিগনি খাই চৰাইৰো মৃত্যু হ'ব পাৰে।

(৪) খেতি পথাৰৰ কাষে কাষে, বাসগৃহৰ ওচৰে-পাজৰে কাঠৰ বাকচ (চৰাই ওলোৱা-সোমোৱা বাট ৰাখি) স্থাপন কৰিলে ফেঁচাই বাহ ল'বলৈ সুবিধা কৰি দিয়া হয়। কিয়নো ফেঁচাই নিজে বাহ সাজি নলয়; গছৰ খোৰোং, পাহাৰৰ গাৰ শিলৰ ফাঁক বা অইন চৰাইৰ পৰিত্যক্ত বাহ তহে কণী পাৰে। এনে কৰিলে একোটা অঞ্চলত ফেঁচাৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা বাঢ়ে। অন্য পতংগভোজী চৰাই, যেনে ফেঁচু, দহিকতৰা, এৰা চৰাই, বাঘ চৰাই (Shrike) আদিয়ে শস্যৰ অনিষ্ট কৰা পোক-পতংগ যথেষ্ট পৰিমাণে খাই আমাৰ মহৎ উপকাৰ সাধি আছে। ●




উৎস— ১) **Magic Owl : Man and Animals**
**By Yuri Dmitriyev**
**Raduga Publishers, Moscow**

২) (ফুটুকী ফেঁচা) আৰু যমডাকিনী
**(Brown Hawk Owl) :**
**The Pictorial Encyclopedia of Birds**
**By J Hanzak**
**Paul Hamlyn, London**

৩) হুদু, লক্ষ্মী ফেঁচা ঃ চেনা অচেনা পাখি
লেখক— অজয় হোম
শৈব্যা প্ৰকাশন বিভাগ, কলকাতা



*পেছাত অভিযন্তা শ্ৰী চন্দ্ৰ মজিন্দাৰ বৰুৱা এজন আগ্ৰহী পক্ষীবিদ আৰু নিষ্ঠাবান সমাজকৰ্মী। শ্ৰীবৰুৱা গুৱাহাটীস্থ বৃদ্ধাশ্ৰম 'ভৰষা'ৰো সভাপতি। ম'বাইল নম্বৰ ঃ ৯৪৩৫৫৫৭৬৮৫*



# পাখি লাহী পখিলা

**তৃপ্তি দাস**

নীলাভ আকাশ, সেউজীয়া প্ৰকৃতি, সাগৰ-মহাসাগৰ, নদ-নদী, জান-জুৰিৰে বিনন্দীয়া পৃথিৱীখনলৈ দৃষ্টি নিগৰালে বিস্মিত হওঁ। চৌদিশে বিয়পি থকা সৌন্দৰ্য দেখি মনে মনে ভাবোঁ— এয়া কোন নিপুণ শিল্পীৰ তুলিকাৰ যাদু? বিবিধ গছ-বন, জীৱ-জন্তু, চৰাই-চিৰিকটি, কীট-পতংগৰে সমৃদ্ধ ধুনীয়া ধৰণীখনক চন্দ্ৰতাপৰ দৰে আৱৰি ৰাখিছে বিশাল আকাশে। প্ৰকৃতি জগতৰ সম্পদসমূহৰ সুকীয়া সুকীয়া সৌন্দৰ্য আছে। জোন, বেলি, তৰাৰে বাখৰুৱা আকাশে আমাৰ দৃষ্টি আকৰ্ষণ কৰে, পক্ষীৰ কাকলি আৰু উৰণে সিঁচে সুখানুভূতি। অপলক নেত্ৰে উপভোগ কৰিব পাৰি গছ-বিৰিখৰ সৌন্দৰ্য। সেউজ ৰঙেৰে সৌন্দৰ্যক কাৰাৰুদ্ধ কৰা গছ-বিৰিখত আকৌ নানাৰঙী ফুলৰ মেলা। কোনে জানো কৈছিল— 'গছৰ দৰে সুন্দৰ কবিতা ঈশ্বৰেহে সৃষ্টি কৰিব পাৰে।' ফুল আৰু গছৰ লগত সংপৃক্ত হৈ আছে আন এক সৌন্দৰ্য। ভিন্নৰঙী ফুলৰ দৰে অথচ ভ্ৰাম্যমাণ এই সৌন্দৰ্য। আমাক অভিভূত কৰা এই সৌন্দৰ্য 'পখিলা' নামেৰে পৰিচিত। প্ৰিয় পাঠক, আজি আমি পখিলাৰ বিষয়ে কিছু কথা আলোচনা কৰোঁ আহক।



**পখিলাৰ জীৱন কথাঃ**

প্ৰকৃতিৰ এপদ অলংকাৰ পখিলাৰ জীৱন পৰ্যায়ক্ৰমে কণী, পলু, লেটা আৰু পৈণত পখিলা— এই চাৰিটা স্তৰত বিভক্ত। পখিলাৰ জীৱন-চক্ৰত নিহিত আছে ৰূপান্তৰৰ মন্ত্ৰ। পখিলাৰ প্ৰজনন কাৰ্য প্ৰজাতিভেদে বছৰৰ ভিন ভিন সময়ত হয় যদিও ঋতুৰাজ বসন্তই হ'ল বেছিভাগ পখিলাৰ প্ৰিয় প্ৰজনন কাল। সংগমৰ সময়ত মাইকী পখিলাক আকৰ্ষণ কৰিবলৈ মতা পখিলাই 'ফেৰোম'নাছ' নামৰ এবিধ সুগন্ধি ৰস নিৰ্গত কৰে। কিছুমান প্ৰজাতিৰ একেটা পখিলাতে স্ত্ৰী আৰু পুং দুয়োটা লিংগই থাকে। প্ৰজাতি অনুসৰি কিছুমান পখিলাই এটা এটাকৈ কণী পাৰে আৰু কিছুসংখ্যকে থোপা পাতি কণী পাৰে। সাধাৰণতে পখিলাই গছৰ কুমলীয়া পাতত আৰু পাতৰ ওপৰ অংশতহে কণী পাৰে। কিন্তু কেতিয়াবা খাদ্য হিচাপে গ্ৰহণ কৰা গছ-বন থকা মাটিত সিঁচৰতি কৰি কণী পাৰে। পখিলাৰ প্ৰজাতিভেদে কণী পৰা উদ্ভিদো ভিন্ন হয়। সকলো পখিলাই সকলো উদ্ভিদত কণী নাপাৰে। বহুকেইটা প্ৰজাতিয়ে একাধিক উদ্ভিদত কণী পাৰে যদিও কিছুসংখ্যকে কিন্তু নিৰ্দিষ্ট উদ্ভিদতহে কণী পাৰে। উদাহৰণস্বৰূপে SWORDTAIL (Papilionidac) পৰিয়ালৰ পখিলাই প্ৰধানকৈ ঔষধি উদ্ভিদতহে কণী পাৰে। কণী পাৰিবৰ বাবে সুচল উদ্ভিদ চিনাক্ত কৰাত মাইকী পখিলা পাকৈত। সেয়েহে মাইকী পখিলাক এগৰাকী বিশিষ্ট 'উদ্ভিদবিদ'ৰ (Botanist) লগত তুলনা কৰা হয়। ভিন্ন ৰঙী পখিলাৰ কণীৰ ৰং— সেউজীয়া, হালধীয়া, বগা, কমলা আৰু ৰঙা। চৌপাশৰ তাপমাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰি পখিলাৰ কণীয়ে সাধাৰণতে তিনি বা সাত দিনৰ ভিতৰত পলুৰ ৰূপ ধাৰণ কৰে। উল্লেখযোগ্য যে কণীৰ ভিতৰত পলুৰ বিকাশ প্ৰত্যক্ষ কৰিব পাৰি। পলুবোৰ তেৰটা খণ্ডত বিভক্ত

কোমল ছালৰ এটি দীঘলীয়া দেহৰ অধিকাৰী। পলুৰ সৰু সৰু চকুক 'অচিলি' (OCELLI) বুলি জনা যায়। ইহঁতৰ বক্ষস্থলত হাঁতোৰাযুক্ত ছটা ঠেং থকাৰ লগতে পেটৰ অংশত দহ বা তাতোকৈ কমসংখ্যক কৃত্ৰিম ঠেং থকা দেখা যায়। পলুবোৰে পাঁচবাৰমান মোট সলায়। কণীৰ পৰা বাহিৰ হৈয়ে পলুৱে কণীৰ চোকোৰাটো খাবলৈ আৰম্ভ কৰে। কণীৰ চোকোৰা ভক্ষণ কৰি পলুৱে দেহৰ বাবে প্ৰয়োজনীয় ভিটামিন আহৰণ কৰিহে আশ্ৰয়ী উদ্ভিদৰ ডাল-পাত খাবলৈ আৰম্ভ কৰে। পৰিৱেশৰ তাপমাত্ৰা আৰু প্ৰাপ্ত খাদ্য-পোষক উদ্ভিদৰ (Food host plant) ওপৰত নিৰ্ভৰ কৰি পলুৱে পোন্ধৰৰ পৰা পঞ্চল্লিছ দিন পৰ্যন্ত জীৱন যাপন কৰে। পৈণত পলুবোৰে আহাৰ গ্ৰহণ নকৰে আৰু বিৰামহীনভাৱে বগাবলৈ বিচাৰে। অৱশেষত সুচল স্থানত পলুবোৰে থিতাপি লয়। পলুবোৰে মিহি সূতা সৃষ্টি কৰি তাৰে বাহ সাজে আৰু নিজকে আঠৰ পৰা দহ ঘণ্টা সময় বাহৰ ভিতৰত বন্দী কৰি ৰাখে। পলুবোৰে মোট সলাই লেটাৰ সাজ পৰিধান কৰে। লেটাৰ আকাৰ-প্ৰকাৰত প্ৰজাতি ভেদে পাৰ্থক্য পৰিলক্ষিত হয়। দুসপ্তাহৰ পৰা চাৰি সপ্তাহৰ ভিতৰত লেটাৰ জীৱন কালৰ যৱনিকা পৰে যদিও শীত কালত ইয়াৰ ব্যতিক্ৰম ঘটে। কিছুমান প্ৰজাতিৰ লেটাই প্ৰতিকূল পৰিৱেশত কেইবামাহ ধৰি লেটা অৱস্থাতেই থাকে। লেটাবোৰে খাদ্য গ্ৰহণ নকৰে। 'লেটা' নামৰ অন্তিম স্তৰৰ নিৰ্ধাৰিত সময় উকলিলেই আৰম্ভ হয় পৈণত পখিলাৰ জীৱন। কণীৰ পৰা পৈণত পখিলা হ'বলৈ প্ৰজাতিভেদে ৪৫, ৬০, বা ৯০ দিন সময় লাগে। পৈণত পখিলাৰ প্ৰথম কাম হ'ল পাখিযোৰ ৰ'দত মেলি দিয়া। পখিলাৰ পাখি উৰণৰ উপযোগী হৈ উঠিবলৈ ১৬°ৰ পৰা ৩৮° চেণ্টিগ্ৰেড তাপমাত্ৰাৰ প্ৰয়োজন। সেয়েহে পৈণত পখিলাই লেটাৰ পৰা ওলাই আহি প্ৰথমে কিছু সময় ৰ'দ লয়। এঘণ্টাৰ ভিতৰত পখিলাই কটকটীয়া পাখিসহ কাৰ্যক্ষম হৈ উঠে। পৰিৱেশৰ তাপমাত্ৰাই পখিলাৰ দেহৰ পৰিৱৰ্তনশীল তাপমাত্ৰা নিয়ন্ত্ৰণ কৰে। পৈণত পখিলাৰ দেহ মূৰ, বুকু, পেট আদি তেৰটা খণ্ডৰে গঠিত। সকলো প্ৰজাতিৰ পখিলাৰ জীৱন-চক্ৰ চাৰিটা স্তৰত বিভক্ত যদিও প্ৰজাতিভেদে জীৱন-চক্ৰৰ সময় বেলেগ বেলেগ। কিছুমান প্ৰজাতিৰ পখিলাই এবছৰত এটাতকৈ বেছি জীৱন-চক্ৰ সম্পূৰ্ণ কৰে। আনহাতে অন্য কিছুসংখ্যক প্ৰজাতিয়ে এটা জীৱন-চক্ৰ সম্পূৰ্ণ কৰিবলৈ এবছৰতকৈ বেছি সময় লয়।



মনোমোহা পাখি লাহী পখিলাই বাৰু কি খাই জীৱন ধাৰণ কৰে? পখিলাৰ পলুৱে কুমলীয়া পাতৰ উপৰি সকলো বয়সৰ পাত, আনকি প্ৰয়োজনসাপেক্ষে কুমলীয়া ডালো খায়। কিন্তু পৈণত পখিলাই জুলীয়া খাদ্যহে গ্ৰহণ কৰে। দেহৰ সজীৱতা আৰু মিনাৰেলৰ বাবে পখিলাই ফুলৰ মৌৰ লগতে ফলৰ ৰস চুহে। পখিলাই গছৰ গাৰ ৰস, গেলা ফলমূল, শাক-পাচলি, জীৱ-জন্তুৰ বিষ্ঠা আদিৰ পৰাও খাদ্য আহৰণ কৰে। মৰা মাছ আৰু বিবিধ জন্তুৰ দেহৰ পৰাও পখিলাই নিমখ আৰু পুষ্টি (nutri-ent) শুহি লয়। পখিলাই প্ৰয়োজনীয় মিনাৰেল আৰু ছডিয়াম তিতা বালি, সেমেকা মাটি বা বোকাৰ পৰা শুহি লয়। ফুলৰ মৌ, ছডিয়াম আৰু মিনাৰেল পখিলাৰ শক্তি অটুট ৰখা আৰু প্ৰজনন-সক্ষম কৰি তোলাৰ বাবে আৱশ্যকীয়। কিছুমান প্ৰজাতিৰ পখিলাই ফুলৰ মৌতকৈ ছডিয়াম বেছি বিচাৰে। ছডিয়ামৰ প্ৰতি দুৰ্বলতা থকাৰ বাবেই ইহঁতে মানুহৰ গাতো

পৰে। মানুহৰ গাৰ ঘামে পখিলাক আকৃষ্ট কৰে। কেতিয়াবা জুলীয়া খাদ্যৰ বাবে উৎস বিচাৰি নাপালে, পখিলাই শুকান বস্তুৰ ওপৰত নিজৰ মুখ আৰু পাখিৰে প্ৰথমে পানী ছটিয়াই বিশেষ কৌশলেৰে শুকান বস্তুৰ ৰস চুহি খায়। পখিলাৰ মুখৰ ঠিক পিছতেই এডাল দীঘল নলী থাকে আৰু সেইডালে ইহঁতক জুলীয়া পদাৰ্থ শুহি লোৱাত সহায় কৰে। পখিলাৰ শুংকেইডাল বৰ নিমজ।

শুৱনি পাখিৰ অধিকাৰী পখিলাক দেখি কবি চন্দ্ৰ কুমাৰ আগৰৱালাদেৱৰ দৰে আপোনাৰো সুধিবলৈ মন যায় নেকি— "...বনৰ মাজত পাতৰ আঁৰত ক'ত তোমাৰ ঘৰ"? ঘাঁহনি, তৃণাবৃত সমভূমি, কাঠনি আদি হ'ল পখিলাৰ বাসস্থান। প্ৰজাতি অনুসৰি পখিলাই বেলেগ বেলেগ বাসস্থান নিৰ্বাচন কৰে। উদাহৰণস্বৰূপে, তৃণাবৃত সমভূমি আৰু ঘাঁহনিয়ে স্কিপাৰ (SKIPPER), ব্লু (BLUE), হোৱাইট এণ্ড য়েল্ল' (WHITE & YELLOW) আৰু ব্ৰাছ ফুটেড বাটাৰফ্লাই (BRUSH FOOTED BUTTERFLY) পৰিয়ালৰ দুটামান প্ৰজাতিক আকৰ্ষণ কৰে। ব্ৰাছ ফুটেড বাটাৰফ্লাইৰ (BRUSH FOOTED BUTTERFLY) অধিকাংশ প্ৰজাতিয়ে কাঠনিত আশ্ৰয় লৈ ভাল পায়। আনহাতে শ্ব'ৰ্ডটেইল (SWORDTAIL) পৰিয়ালৰ প্ৰজাতিৰ আশ্ৰয়ৰ বাবে উত্তম স্থান হ'ল বৰ্ষাসিক্ত সেউজ অৰণ্য। সুন্দৰ সুন্দৰ পখিলাবোৰৰ জীৱনকাল কিন্তু হ্ৰস্বম্যাদী। প্ৰজাতিভেদে পখিলাৰ জীৱনকালৰ ভিন্নতা দেখা যায়। সৰহসংখ্যক পখিলাৰ জীৱন পোন্ধৰৰ পৰা পঁচিছ দিনৰ ভিতৰতে সীমাবদ্ধ যদিও কিছুমান প্ৰজাতিৰ পখিলা ন-দহ মাহ পৰ্যন্ত জীয়াই থাকে।

## বিবিধ প্ৰজাতি আৰু বিচিত্ৰ পখিলা

বৈচিত্ৰ্যৰ পোছাক পৰিধান কৰা পখিলা পতংগৰ LEPIDOPTERA শ্ৰেণীৰ অন্তৰ্ভুক্ত। LEPIDOPTERAৰ আক্ষৰিক অৰ্থ হ'ল— 'Scale-winged'। পতংগৰ এই শ্ৰেণীত পখিলাসদৃশ ম'থো অন্তৰ্ভুক্ত। সাধাৰণ দৃষ্টিত পখিলা আৰু ম'থ একে। কিন্তু বহু সাদৃশ্যৰ লগতে ম'থ আৰু পখিলাৰ মাজত বহু বৈসাদৃশ্যও পৰিলক্ষিত হয়। যেনে— ম'থবোৰে গধূলি বা ৰাতিহে বিচৰণ কৰি ভাল পায়, কিন্তু পখিলাই দিনতহে বিচৰণ কৰে (অৱশ্যে দুটামান প্ৰজাতি ইয়াৰ ব্যতিক্ৰম নোহোৱা নহয়)। পখিলাৰ শুং মিহি, দীঘল আৰু কুণ্ডলী পকোৱা গছৰ আকৃতিৰ। আনহাতে ম'থৰ শুং চুটি, শাখাযুক্ত। পখিলাৰ দৰে ম'থৰ শুং গছৰ আকৃতিৰ নহয়। জিৰণিৰ সময়ত পখিলাই পাখি দুখন পিঠিৰ ওপৰত থিয় কৰি ৰাখে। কিন্তু ম'থে পাখি দুখন দুয়োকাষে মেলি ৰাখে।

পতংগৰ ভিতৰত ধুনীয়া ৰং-বিৰঙৰ পখিলাবোৰক প্ৰধানকৈ ছটা পৰিয়ালত ভাগ কৰা হৈছে— SKIPPER (hesperiidae), SWORDTAIL (papilinidae), WHITE AND YELLOW (pieridae), BRUSH FOOTED BUTTERFLY (nymphalidae) BLUE (lycaenidae) আৰু RHIONIDAE। প্ৰতিটো পৰিয়ালক আকৌ বিভিন্ন প্ৰজাতিয়ে সমৃদ্ধ কৰিছে। স্কিপাৰ পৰিয়ালক পেলগ্ৰীন অলেট, ক'লন ছুইফ্‌ট, ৰাইচ ছুইফ্‌ট, টাইগাৰ হ'পাৰ আদি বিভিন্ন প্ৰজাতিয়ে সমৃদ্ধ কৰিছে। শ্ব'ৰ্ডটেইল পৰিয়ালত পোৱা যায়— কমন মৰমন, কমন বাৰ্ড উইং, গ্ৰেট মৰমন, য়েল্ল' হেলেন ইত্যাদি প্ৰজাতি। ইণ্ডিয়ান কেবেজ হোৱাইট, ত্ৰী য়েল্ল', চক'লেট গ্ৰাছ য়েল্ল', কমন গ্ৰাছ য়েল্ল' ইত্যাদি প্ৰজাতিসমূহ হোৱাইট এণ্ড য়েল্ল' পৰিয়ালৰ। ব্ৰাছ ফুটেড বাটাৰফ্লাই পৰিয়ালৰ অন্তৰ্গত কেইটিমান প্ৰজাতি হ'ল— কমন টাইগাৰ, পিকক পেঞ্জী, লে'পাৰ্ড লে'চউইং, কমন বুশ্ব ব্ৰাউন আদি। পী ব্লু, কপাৰ ফ্লেশ্ব, বেণ্ডেড লাইন ব্লু, লাইম ব্লু আদি প্ৰজাতিয়ে ব্লু পৰিয়ালক সমৃদ্ধ কৰিছে। ৰাইঅ'নিডেই পৰিয়ালত পোৱা যায়— পাম জুডি,



পানশ্চিনেল' টেইল্‌ড জুডি আদি প্ৰজাতি।

প্ৰাপ্ত তথ্য মতে, সমগ্ৰ বিশ্বত প্ৰায় ১৮,০০০ প্ৰজাতিৰ পখিলা আছে। ভাৰতবৰ্ষত পোৱা যায় ১,৫০১টা প্ৰজাতি। ইয়াৰে স্কিপাৰ পৰিয়ালৰ ৩২১টা, শ্ব'ৰ্ডটেইল পৰিয়ালৰ ১০৭টা, হোৱাইট এণ্ড য়েল্ল' পৰিয়ালৰ ১০৯টা, ব্ৰাছ ফুটেড বাটাৰফ্লাই পৰিয়ালৰ ৫২১টা, ব্লু পৰিয়ালৰ ৪৪৩টা প্ৰজাতি পোৱা যায়। শেহতীয়াকৈ পখিলাৰ পৰিয়ালত সংযোজিত হৈছে ৰাইঅ'নিডেই (RHIONIDAE) নামৰ এটা নতুন পৰিয়াল। জানিব পৰা মতে, ভাৰতবৰ্ষত এই পৰিয়ালৰ ২১টা প্ৰজাতি আৰু অসমত তিনিটা প্ৰজাতি পোৱা গৈছে। গতিকে ভাৰতবৰ্ষত প্ৰাপ্ত পূৰ্বৰ ১,৫০১টা প্ৰজাতিৰ লগত নতুন প্ৰজাতিসমূহ যোগ হোৱাত প্ৰজাতিৰ সংখ্যা বৃদ্ধি হৈছে। বিশ্বৰ শতকৰা যাঠিভাগ পখিলাৰ বাসভূমি হিচাপে উত্তৰ-পূৰ্বাঞ্চলে গৌৰৱ অনুভৱ কৰিব পাৰে। Biodiversity of Assam Report 2006ৰ মতে অসমত ৪০৫টা প্ৰজাতিৰ পখিলা দেখিবলৈ পোৱা যায়। উল্লেখযোগ্য যে প্ৰতিটো প্ৰজাতিৰ পখিলাৰ আকৃতি, প্ৰকৃতি আৰু বৰণ সুকীয়া সুকীয়া।

প্ৰকৃতিৰ ৰম্যভূমি হিচাপে অভিহিত অসমৰ প্ৰাকৃতিক পৰিৱেশ অধিকাংশ উদ্ভিদ আৰু প্ৰাণীৰ বাবে অনুকূল। সেইবাবেই হয়তো অসম পৃথিৱীৰ বহু বিৰল প্ৰজাতিৰ প্ৰাণীৰ বাসভূমি। অন্যান্য প্ৰাণীৰ লগতে অসম বিৰল প্ৰজাতিৰ পখিলাৰো বাসভূমি। পৃথিৱীত যিমান বিৰল প্ৰজাতিৰ পখিলা আছে সেইবোৰৰ ভিতৰত অসমতে আছে আটাইতকৈ বেছি বিৰল প্ৰজাতিৰ পখিলা। ব্ৰিটিছ শাসনকালত অসমত ৬২বিধ বিৰল প্ৰজাতিৰ পখিলাৰ সন্ধান পোৱা গৈছিল বুলি জানিব পৰা গৈছে। বিশ্বৰ প্ৰাণী বিজ্ঞানীয়ে পৃথিৱীৰ পৰা হেৰাই যোৱা বুলি আশংকা কৰা বিৰল প্ৰজাতিৰ শ্ব'ৰ্ডটেইল (SWORDTAIL) পৰিয়ালৰ পখিলা কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰবক্তা কুশল চৌধুৰীয়ে ২০০৯ বৰ্ষৰ ২২ মে'ত চিৰাং-ৰিপু বনাঞ্চলত উদ্ধাৰ কৰে। মূৰত হালধীয়া ৰঙৰ চিকমিকিয়া মুকুট থকাৰ বাবে YELLOW CRESTED SPANGLE নামকৰণ কৰা এইবিধ পখিলাৰ বৈজ্ঞানিক নাম হ'ল papilio elephenor। ১৯০৭ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাণীবিজ্ঞানী চি টি বিংহামে YELLOW CRESTED SPANGLEক অতি বিৰল তথা লুপ্তপ্ৰায় পখিলা বুলি লিখি থৈ যোৱাৰ সুদীৰ্ঘ সময়ৰ পিছত অসমত এইবিধ পখিলাৰ সন্ধান পোৱাটো, মিউজিয়ামত বন্দী হৈ থকা এইবিধ বিৰল প্ৰজাতিৰ পখিলাই অসমৰ চিৰাং-ৰিপু বনাঞ্চলত বিচৰণ কৰাটো আমাৰ বাবে নিশ্চয় সুখবৰ। জাপান আৰু দক্ষিণ চীনত পোৱা ব্লু (BLUE) পৰিয়ালৰ MOORES CUPIDSHIJIMIA MOOREI নামৰ পখিলাবিধো কুশল চৌধুৰীয়ে চিৰাং-ৰিপু বনাঞ্চলত উদ্ধাৰ কৰিছে। প্ৰাকৃতিক সম্পদ সংৰক্ষণ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় সংস্থা IUCN ৰ "Red data book" ত চৌধুৰীয়ে উদ্ধাৰ কৰা দুয়োবিধ পখিলাই স্থান পাইছে। IUCN-এ উত্তৰ-পূব ভাৰতক শ্ব'ৰ্ডটেইল (SWORD TAIL) পৰিয়ালৰ পখিলাৰ আধিক্য থকা অঞ্চল হিচাপে চিহ্নিত কৰিছে।

চলিত বৰ্ষৰ ২৯ জুলাইত তিনিচুকীয়া জিলাৰ এটা অঞ্চলত পক্ষীবিদ প্ৰাণজিৎ বুঢ়াগোহাঁয়ে উদ্ধাৰ কৰিছে 'লাইচা জাম্পা' প্ৰজাতিৰ এটা মাইকী পখিলা। বিৰল প্ৰজাতি হিচাপে খ্যাত 'লাইচা জাম্পা' ১৮৬৯ চনত লাওচত প্ৰথম আৱিষ্কাৰ কৰা হৈছিল। পৰৱৰ্তী সময়ত আন্দামানত 'লাইচা জাম্পা'ৰ এটা মতা পখিলা দেখাৰ কথা কৃশমেঘ কৃৰ্তী নামৰ এজন প্ৰাণীবিদে দাবী কৰে যদিও উপযুক্ত তথ্য আগবঢ়াবলৈ সক্ষম নহ'ল। তিনিচুকীয়া জিলাত প্ৰাণজিৎ বুঢ়াগোহাঁয়ে লাইচা জাম্পাৰ সন্ধান পোৱাৰ কথা সদৰী কৰাৰ লগতে তেওঁৰ কেমেৰাত বন্দী কৰিলে পখিলাটোৰ কেইবাখনো ফ'টো। 'লাইচা জাম্পা'ৰ ফ'টো তুলিবলৈ সক্ষম হোৱা প্ৰথম ভাৰতীয় হিচাপে প্ৰাণজিৎ বুঢ়াগোহাঁইয়ে অভিলেখ সৃষ্টি কৰাৰ উপৰি কেৱল লাওচ, ভিয়েটনাম আদিত পোৱা বিৰল প্ৰজাতিৰ 'লাইচা জাম্পা' যে অসমতো পোৱা যায় এই কথা প্ৰতীয়মান কৰিলে। প্ৰাকৃতিক সম্পদৰ ভঁৰালস্বৰূপ অসমত এতিয়াও আমাৰ দৃষ্টিৰ আঁৰত বহু বিৰল প্ৰজাতিৰ পখিলা লুকাই থকাৰ সম্ভাৱনা আছে।

**পখিলা আৰু পৰিভ্ৰমণ ঃ**

পখিলা পৰিভ্ৰমী প্ৰাণী। প্ৰতিকূল পৰিৱেশৰ পৰা পৰিত্ৰাণ পাবলৈ উপযুক্ত পৰিৱেশৰ সন্ধানত সাধাৰণতে পখিলাই

পৰিভ্ৰমণ কৰে যদিও কিছুমান প্ৰজাতিৰ পখিলাই নিজৰ ইচ্ছামতে পৰিভ্ৰমণ কৰে। খাদ্যৰ নাটনি, পখিলাৰ অত্যধিক সংখ্যা বৃদ্ধি, অতিবৃষ্টি, অনাবৃষ্টিৰে আক্ৰান্ত পৰিৱেশেই পখিলাৰ পৰিভ্ৰমণৰ ঘাই কাৰণ। কিন্তু পখিলাৰ পৰিভ্ৰমণ একমুখী। পৰিভ্ৰমণকাৰী পখিলাসমূহ পূৰ্বৰ স্থানলৈ উভতি নাহে। ওভতনি যাত্ৰা আৰম্ভ কৰে পৰিভ্ৰমণ আৰম্ভ কৰা পখিলাৰ পিছৰ প্ৰজন্মইহে। সাধাৰণতে পখিলাৰ তিনি ধৰণৰ পৰিভ্ৰমণ দেখা যায়— হ্ৰস্ব দূৰত্বৰ বা স্থানীয় পৰিভ্ৰমণ, দূৰৱৰ্তী পৰিভ্ৰমণ আৰু বিস্তাৰণ। পাহাৰীয়া অঞ্চলত থকা পখিলাবোৰৰ মাজত স্থানীয় পৰিভ্ৰমণ দেখা যায়। সাময়িক প্ৰতিকূল পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰা অব্যাহতি পাবলৈ কমন গ্ৰাছ য়েল্ল', ডাৰ্ক ক্লাউডেড আদি পখিলাই স্থানীয় পৰিভ্ৰমণ কৰে। আনহাতে কমন ক্ৰ', ব্লু টাইগাৰ, ষ্ট্ৰি পড টাইগাৰ আদি প্ৰজাতিৰ পখিলাই দূৰৱৰ্তী পৰিভ্ৰমণ কৰে। ভাৰতৰ পশ্চিমঘাট অঞ্চলৰ পৰা উক্ত প্ৰজাতিসমূহে মাৰ্চৰ পৰা মে'মাহৰ ভিতৰত পূৰ্বঘাট অঞ্চলৰ ফালে পৰিভ্ৰমণ কৰে। সেই সময়ত দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত পশ্চিমঘাট অঞ্চলত হোৱা অতিবৃষ্টিয়ে পখিলাৰ বাবে প্ৰতিকূল পৰিৱেশ সৃষ্টি কৰে। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ পখিলাবোৰে ৫০০ কিলোমিটাৰৰ অধিক বাট অতিক্ৰম কৰে। খাদ্য-পোষক উদ্ভিদৰ (FOOD HOST PLANTS) নাটনিয়েও পখিলাক পৰিভ্ৰমণৰ বাবে বাধ্য কৰে। খাদ্য-পোষক উদ্ভিদৰ সন্ধানত এমিগ্ৰেণ্ট, এলবাট্ৰছ, পাইঅ'নিয়েৰ আদি পখিলাৰ এঠাইৰ পৰা আন ঠাইলৈ বিস্তাৰণ হয়। এবিধ উল্লেখযোগ্য পৰিভ্ৰমী পখিলা হ'ল— আমেৰিকান ম'নাৰ্ক (AMERICAN MONARCH)। এই পখিলাবিধে উত্তৰ আমেৰিকাৰ পৰা উত্তৰ দিশে গতি কৰি কানাডাত উপস্থিত হয়গৈ। শীতকালত সিহঁতৰ পিছৰ প্ৰজন্মই দক্ষিণ দিশে পুনৰ উলটি আহি কেলিফ'ৰ্ণিয়া, ফ্ল'ৰিডা আৰু মেক্সিকোত উপস্থিত হয়। মেক্সিকোৰ ছিয়েৰা পৰ্বতমালাত লাখ লাখ পখিলাই সৃষ্টি কৰে অপূৰ্ব দলিচা। আমেৰিকান ম'নাৰ্ক পখিলাই কিমান দূৰত্ব অতিক্ৰম কৰে জানেনে? ৪০০০ পৰা ৪৮০০ কিলোমিটাৰ। পৃথিৱীৰ আটাইতকৈ বেছি পৰিভ্ৰমণ কৰা পখিলা হৈছে— পেইণ্টেড লেডী আৰু পী ব্লু। মেৰু অঞ্চল দুটাক বাদ দি পৃথিৱীৰ সকলো ঠাইতে ইহঁতক দেখিবলৈ পোৱা যায়। পৰিভ্ৰমণত পাকৈত বাবেই পেইণ্টেড লেডী আৰু পী ব্লুৰ গোলকীয় বিস্তাৰণ ঘটিছে। আকৰ্ষণীয় তথা আলসুৱা প্ৰাণী পখিলাই ঘণ্টাত বাৰু কিমান দূৰত্ব অতিক্ৰম কৰিব পাৰে? আপুনি জানি হয়তো আচৰিত হ'ব পখিলাই বেগাই উৰিলে ঘণ্টাত ১২ মাইল পৰ্যন্ত অতিক্ৰম কৰিব পাৰে। চাওঁক্যচোন, সৌন্দৰ্যৰে আমাৰ দৃষ্টি কাঢ়ি নিয়া পখিলাই লাহী পাখিৰে কিমান শ্ৰম কৰে



### পখিলাৰ পৃথিৱীৰ ইটো-সিটো

বাৰেবৰণীয়া পখিলাৰ পৃথিৱীত বিচৰণ কৰিলে জানিব পাৰি বহুতো কথা। প্ৰকৃতিৰ মানস কন্যা অসম বিভিন্ন প্ৰজাতিৰ বহু পখিলাৰ বাসভূমি। পখিলাৰ বৈচিত্ৰ্যৰ ফালৰ পৰা ভাৰতবৰ্ষৰ স্থান ষষ্ঠ। ভাৰতৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চল চিহ্নিত হৈছে বিবিধ প্ৰজাতিৰ ভালেসংখ্যক পখিলাৰ বাসভূমি হিচাপে। জলবায়ু, ভৌগোলিক অৱস্থিতি, খাদ্য আৰু প্ৰজাতিভেদে পখিলাৰ ৰং সুকীয়া সুকীয়া। অসমত বিভিন্ন ৰঙৰ পখিলা পোৱা যায় যদিও বগা আৰু হালধীয়া ৰঙৰ পখিলা বেছি দেখা যায়। কিছুমান পখিলাৰ আকৌ নিজৰ বৰণ সলাব পৰা ক্ষমতাও আছে। কিছুমান প্ৰজাতিৰ একেটা পখিলাৰে বাৰিষা আৰু খৰালি কালত ৰঙৰ পাৰ্থক্য পৰিলক্ষিত হয়। বাৰিষা আৰু খৰালি কালত ইহঁতে দেহৰ বৰণ সলায়। ভিন্নৰঙী পখিলাবোৰে কেৱল ৰঙা, সেউজীয়া আৰু হালধীয়া ৰংহে চিনি পায়। জীৱ-জন্তুৱে ভৰি বা ঠেঙৰ সহায়েৰে খোজ কাঢ়ে বুলি সকলোৱে জানে। কিন্তু পখিলাই ঠেঙেৰে সোৱাদো ল'ব পাৰে। গছৰ পাতত কণী পৰাৰ আগেয়ে উদ্ভিদবিধ কণী পাৰিবলৈ উপযুক্ত হয় নে নহয় সেই কথা পখিলাই ঠেঙেৰে পৰীক্ষা কৰে। আগতে উল্লেখ কৰা হৈছে যে অসমত বিভিন্ন প্ৰজাতিৰ পখিলা পোৱা

যায়। অসমত পোৱা ধুনীয়া প্ৰজাতিৰ পখিলাৰ ভিতৰত পীকক পেঞ্চি, ব্লু অক'লীফ, কমন নাবাব, ব্লু পেঞ্চি, কমন মৰমন, কমন বাৰ্ড উইং ইত্যাদিৰ নাম ল'ব পাৰি। অসমত পোৱা আটাইতকৈ ডাঙৰ আকৃতিৰ পখিলা হৈছে গ'ল্ডেন বাৰ্ড উইং আৰু আটাইতকৈ সৰু পখিলাবিধ হৈছে জিজিৰিয়া এটিলাছ। এইখিনিতে ভাৰতৰ আৰু পৃথিৱীৰ আটাইতকৈ ডাঙৰ আৰু সৰু পখিলাবিধৰ নাম উল্লেখ কৰিলে বেয়া নহ'ব কিজানি। ভাৰতত পোৱা আটাইতকৈ ডাঙৰ পখিলাবিধ হ'ল ছাউডাৰ্ণ বাৰ্ড উইং আৰু সৰুবিধ হ'ল গ্ৰাছ জুৱেল। পৃথিৱীৰ আটাইতকৈ ডাঙৰ পখিলাবিধ হ'ল কুইন আলেকজেণ্ডাৰ বাৰ্ড উইং আৰু সৰুবিধ হ'ল ডেৱাৰ্ফ ব্লু। ভাৰত তথা অসমত পোৱা আটাইতকৈ মূল্যৱান পখিলাবিধ হৈছে কেইজাৰ-ই-হিন্দ বা টেইন'পেল পাচ ইমপেৰিয়েলছ। 'ভূটান গ্ল'ৰী'ৰ নাম শুনিছেনে? 'ভূটান গ্ল'ৰী' উত্তৰ-পূৰ্বাঞ্চলৰ এবিধ মূল্যৱান পখিলাৰ নাম।

উদ্ভিদ জগতৰ সৈতে 'সুগন্ধি' শব্দটোৰ সম্পৰ্ক আছে। যেনে— সুগন্ধি ফুল, সুগন্ধি পাত ইত্যাদি। কিন্তু সুগন্ধি পখিলা? হয়, সুগন্ধি পখিলাও আছে। আমাৰ দেশত নহয়, সুগন্ধি পখিলা ব্ৰাজিলত পোৱা যায়। জাক পাতি ঘূৰি ফুৰা এই পখিলাবোৰৰ গাৰ পৰা চকলেটৰ নিচিনা সুগন্ধ বাহিৰ হয়। এই পখিলাবিধৰ ৰঙো প্ৰায় চকলেটৰ দৰে। পখিলাই দিনতহে বিচৰণ কৰে। অৱশ্যে কিছুমান পখিলা সন্ধিয়াহে সক্ৰিয় হৈ উঠে। সুন্দৰ ভুৱনত মৰাৰ ইচ্ছা পখিলাৰো নাই। পখিলাইও বাচি থাকিবলৈ বিচাৰে। সেয়েহে শত্ৰুৰ পৰা ৰক্ষা পাবলৈ বিশেষ কৌশল অৱলম্বন কৰে। ইহঁতে আশ্ৰয় স্থানৰ পশ্চাৎপট, চৌপাশৰ বস্তুবোৰৰ লগত এনেভাৱে মিলি থাকে যে সহজে চিনি পোৱাই টান। ভিন্নৰঙী সজীৱ ফুল, পাত, শুকান পাত, সিৰ ওলোৱা শুকান পাত, ডাল, কাঠফুলা আদিৰ লগত সাদৃশ্য থকা পখিলাই দৃষ্টিভ্ৰম সৃষ্টি কৰে। উল্লেখযোগ্য যে পখিলাৰ পলুবোৰ চৰাই, জেঠী, মকৰা, ভেকুলী আদিৰ লগতে কীট-পতংগক খাদ্যৰূপে গ্ৰহণ কৰা স্তন্যপায়ী প্ৰাণীৰো খাদ্য। এনেবোৰ প্ৰাণীৰ পৰা কিছুমান প্ৰজাতিৰ পখিলাৰ পলু বাচি থাকিবলৈ সক্ষম হয়। ইহঁতৰ খহটা নোমে আত্মৰক্ষাত সহায় কৰে। প্ৰকৃতি জগতত সৌন্দৰ্য সিঁচা পখিলাই সুস্থ প্ৰাকৃতিক পৰিৱেশতহে জীয়াই থাকিব পাৰে। পৰিৱেশৰ উষ্ণতা বৃদ্ধি আৰু হ্ৰাসে পখিলাৰ স্বভাৱলৈ পৰিৱৰ্তন আনে। বিচৰণ, খাদ্য গ্ৰহণ, প্ৰজনন আদিৰে পখিলাই অব্যাহত ৰখা স্বাভাৱিক জীৱন যাত্ৰাই সুস্থ প্ৰাকৃতিক পৰিৱেশৰ অৱস্থিতিৰ কথাও কয়। পখিলাক পৰিৱেশবিদ তথা বিজ্ঞানীসকলে 'পৰিৱেশৰ সূচক'ৰূপে আৰু 'Sensitive Barometer of environmental change' হিচাপে গণ্য কৰিছে। পখিলাৰ মনোৰম পৃথিৱীখন কৈ অন্ত কৰিব নোৱাৰা অনেক কথাৰে ভৰপূৰ। পখিলা ৰূপান্তৰিত হৈছে গৱেষণাৰ বিষয় হিচাপেও।



**পখিলা চাবলৈ আপুনি যাব কেনি?**

ভিন্নৰঙী ফুলৰ দৰে ধুনীয়া ধুনীয়া পখিলাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। পখিলাই জানে মানৱক মুগ্ধ কৰাৰ মন্ত্ৰ। পখিলা চাবলৈ আপোনাৰো নিশ্চয় মন যায়। পিছে পখিলা চোৱাৰ আনন্দ উপভোগ কৰিবলৈ আপুনি যাব ক'লৈ? মেৰু অঞ্চল দুটাক বাদ দি পৃথিৱীৰ সকলোতে পখিলাই বিচৰণ কৰে। অসমৰ বিভিন্ন প্ৰান্তৰত কম-বেছি পৰিমাণে পখিলা দেখা যায়। বৰ্ষাৰণ্যত পখিলাৰ আধিক্য দেখা যায়। অসমৰ প্ৰায়বোৰ অভয়াৰণ্য, সংৰক্ষিত বনাঞ্চল, ৰাষ্ট্ৰীয় উদ্যানত কম-বেছি পৰিমাণে পখিলাৰ বিচৰণ লক্ষ্য কৰা যায় যদিও আমচাং বন্যপ্ৰাণী অভয়াৰণ্য, চিক্ৰুচা অৰণ্য, চিৰাং-ৰিপু বনাঞ্চল, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, নামডফা, নামেৰী, জকাই সংৰক্ষিত বনাঞ্চল, দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্য

আৰু অভয়াৰণ্যখনৰ সংলগ্ন বৰ্ষাৰণ্য আপাৰ দিহিং, ডিৰাক, জয়পুৰ সংৰক্ষিত বনাঞ্চলক পখিলাৰ ৰম্যভূমি বুলিব পাৰি। মনত ৰাখিব, পখিলা চাবলৈ ভাল মনচুন পিৰিয়ডত।

**শেহান্তৰৰ কথা**

প্ৰকৃতিৰ সৌন্দৰ্যবৰ্ধনত অৰিহণা আগবঢ়োৱা পখিলাৰ জীৱন পৰিক্ৰমা উদ্ভিদৰ ওপৰত নিৰ্ভৰশীল। উদ্ভিদক কেন্দ্ৰ কৰি জীৱন যাপন কৰা পখিলাই আকৌ উদ্ভিদৰ বংশ বিস্তাৰত গুৰুত্ব ভূমিকা পালন কৰে। ফুলৰ মৌ চুহি খোৱা পখিলাই ফুলৰ পৰাগ সংযোগ (Polination) ঘটায়। কিছুসংখ্যক বিশেষ প্ৰজাতিৰ পখিলাই পৰাগ সংযোগ ঘটালেহে কিছুমান উদ্ভিদৰ বংশ বিস্তাৰ সম্ভৱ হয়। কিছুমান প্ৰজাতিৰ পলুৱে উদ্ভিদৰ বাবে অনিষ্টকাৰী পতংগক আহাৰ হিচাপে গ্ৰহণ কৰি উদ্ভিদৰ ৰক্ষা কৱচৰ ভূমিকাও পালন কৰে। সম্প্ৰতি বিভিন্ন কাৰণত বনাঞ্চলসমূহ সংকুচিত হৈছে। সংকুচিত বনাঞ্চলে পখিলাৰ বিচৰণভূমি সংকুচিত কৰিছে, পখিলাই খাদ্য সংকটৰ সন্মুখীন হৈছে। বনাঞ্চল বিধ্বংসী যজ্ঞই, কৃষি খণ্ডত জধে-মধে কীটনাশক দ্ৰব্য প্ৰয়োগ কৰা কাৰ্যই, গোলকীয় উষ্ণতা বৃদ্ধিয়ে, প্ৰদূষিত পৰিৱেশে জৈৱ বৈচিত্ৰ্যৰ এক অংগ পখিলাৰ বহু প্ৰজাতিক বিলুপ্তিৰ পথলৈ ঠেলি দিছে। বিপন্নৰ তালিকাভুক্তও হৈছে ভালেসংখ্যক প্ৰজাতি। প্ৰকৃতিৰ প্ৰতিকূল পৰিৱেশৰ লগতে বহু ব্যক্তিয়ে উপহাৰ সামগ্ৰী হিচাপে, গৱেষণা কৰ্মৰ নমুনা হিচাপে পখিলা ব্যৱহাৰ (অপব্যৱহাৰ) কৰাৰ ফলত, নীতি-বহিৰ্ভূতভাৱে কৰা পখিলাৰ ৰপ্তানিয়ে, আধুনিক যুগত ক্ৰমাগতভাৱে বৃদ্ধি পোৱা যান্ত্ৰিক কোলাহলে (পখিলাই শব্দ প্ৰদূষণ সহ্য কৰিব নোৱাৰে) পখিলাৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। প্ৰকৃতি জগতত সকলো প্ৰাণী আৰু উদ্ভিদৰ প্ৰয়োজন আছে। জৈৱ-বৈচিত্ৰ্যই প্ৰকৃতিক বৰ্ণাঢ্য কৰি তোলে। পখিলা প্ৰকৃতিৰ সম্পদ। প্ৰকৃতিৰ সুন্দৰতা আৰু ভাৰসাম্যতা ৰক্ষা কৰাৰ স্বাৰ্থত পখিলাৰ সংৰক্ষণ অতি প্ৰয়োজন। ১৯৭২ চনৰ ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইনে (The Indian Wildlife Protection Act, 1972) পখিলাকো সাঙুৰিছে। কিন্তু কেৱল আইনেৰে জানো বন্যপ্ৰাণী সংৰক্ষণ সম্ভৱ? সংৰক্ষণৰ ক্ষেত্ৰত আইনৰ লগতে জনসাধাৰণৰ সজাগতাৰো বিশেষ প্ৰয়োজন। সুখৰ খবৰ যে, 'বাটাৰফ্লাই নৰ্থ-ইষ্ট' আদি কৰি বহু স্বেচ্ছাসেৱী সংগঠন, পখিলাপ্ৰেমী, প্ৰাণীবিদ, গৱেষক বৰ্তমান পখিলা সংৰক্ষণৰ কৰ্মত ব্ৰতী থকাৰ লগতে জনসাধাৰণৰ মাজতো সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিছে। একবিংশ শতিকাই পখিলাক উপহাৰ দিছে মানৱ সৃষ্ট উপত্যকা। জৈৱ-বৈচিত্ৰ্য আৰু প্ৰাচীন শৈল-ভাস্কৰ্যৰে পৰিপূৰ্ণ দেও পাহাৰৰ কাষতে থকা নুমলীগড় শোধনাগাৰত গঢ়ি উঠিছে পখিলাৰ উপত্যকা। শোধনাগাৰ নিৰ্মাণ কাৰ্যৰ সমান্তৰালকৈ ভাৰতৰ ভিতৰত প্ৰথমবাৰৰ বাবে নুমলীগড় শোধনাগাৰত ৯০ বিঘা মাটি সামৰি নিৰ্মাণ কৰা হয় পখিলা উপত্যকা। প্ৰথম অৱস্থাত 'পখিলা উদ্যান'ৰূপে পৰিচিত আছিল যদিও বন আইনক সন্মান জনাই শোধনাগাৰ কৰ্তৃপক্ষই পখিলা উদ্যানক পখিলা উপত্যকালৈ উন্নত কৰে। অসমৰ বহু প্ৰান্তৰ পখিলা উপত্যকাৰ বাবে সুচল। পখিলা উপত্যকাই পখিলা সংৰক্ষণৰ লগতে পৰ্যটক, দেশ-বিদেশৰ গৱেষকক আকৰ্ষণ কৰাত সহায় কৰাৰ সম্ভাৱনীয়তা নুই কৰিব নোৱাৰি। সাহিত্য, লোকবিশ্বাস আদিত স্থান লাভ কৰা জকমকীয়া পাখিৰে উৰণৰ ছন্দৰে মনোমোহা পখিলাই বিনন্দীয়া প্ৰকৃতিৰ পৰা বিদায় লোৱাৰ আগেয়ে আমি সংৰক্ষণৰ ব্যৱস্থা কৰোঁ আহক। ●

*তিনিচুকীয়াৰ বৰদলৈনগৰ নিবাসী তৃপ্তি দাস তিনিচুকীয়াৰ ইউনিশ্চন চেনেলৰ সম্পাদক হিচাপে কৰ্মৰত। সদৌ অসম কবি সন্মিলনৰ কাৰ্যনিৰ্বাহক সদস্যা শ্ৰীমতী দাসৰ প্ৰকাশিত গ্ৰন্থ 'বনকৰা হোৱালীৰ বনছাই আৰু কিছু গদ্য'ই পাঠক সমাজৰ প্ৰশংসা লাভ কৰিছে। যোগাযোগৰ ফোন নম্বৰ ঃ ৯৯৫৪৭-১০০২৮।*

# চৰাই আৰু মানুহ



ডিম্বেশ্বৰ চলিহা

পৃথিৱীৰ যিবিলাক দেশত চৰাইক ৰক্ষণাবেক্ষণ দিয়া হয়, সেইবিলাক দেশৰ মাজৰে ভাৰতো এখন। চৰাই মাৰি আনন্দ পোৱা অথবা চৰাইৰ মঙহ খালে তৃপ্তি পোৱা এচাম লোক যেনেকৈ আছে, ঠিক সেইদৰে চৰাইক মৰম কৰা, বনৰীয়া চৰাইক খুৱাই-বুৱাই সঁজাত ভৰাই পোহ-পাল দিয়া আৰু চৰাইৰ ৰক্ষণাবেক্ষণৰ প্ৰতি চকু দিয়া এচাম লোকো আছে। অৱশ্যে কিছুমান সমাজত চৰাইক মৰম কৰা, চৰাইক খাদ্য যোগোৱা আৰু সিহঁতৰ ৰক্ষণাবেক্ষণৰ আঁৰত কিছু ধৰ্মবিশ্বাস আৰু পৰম্পৰাও আছে। তেওঁলোকে জীৱ বধ কৰাটোকেই পাপ বুলি ভাবে। বৈষ্ণৱপন্থী এচামে মাছ-মাংসত মুখেই নিদিয়ে; তেওঁলোকৰ মতে মাছ-মাংস সদায় বৰ্জনীয়। শিৱভক্তসকলেও মাছ-মাংস নাখায়। কাশী হিন্দু বিশ্ববিদ্যালয়ৰ চৌহদত তাৰ একালৰ উপাচাৰ্য মদন মোহন মালব্য থকালৈকে হোষ্টেলত মাছ-মাংস খাবলৈ নিদিছিল।

**কিছুমান দেৱ-দেৱীৰ বাহনো চৰায়েই ঃ**

আমাৰ বহুতো দেৱ-দেৱীৰ বাহনো চৰায়েই। লক্ষ্মীৰ বাহন ফেঁচা, সৰস্বতীৰ ৰাজহাঁহ আৰু কাৰ্তিকৰ বাহন ম'ৰা চৰাই। আমাৰ ধৰ্মীয় গ্ৰন্থসমূহতো গৰুড় পক্ষী, জটায়ু পক্ষী,



ধূতৰাজ

ভৰত পক্ষী আদিৰ উল্লেখ আছে। গতিকে দেৱতাসকলক পূজা কৰাৰ লগে লগে সেই চৰাইকেইজাতকো পূজা কৰা হয়। তদুপৰি আমাৰ অসমীয়া ভাষাত প্ৰকাশ পোৱা গল্প, উপন্যাস, কবিতা, নাটক, কাহিনী আদিত চৰাই জগতৰ বহুতো মনোৰম কাহিনী, সাধু আদি আছে। 'চিলনীৰ জীয়েকৰ সাধু', 'শালিকী এ ৰতৌ তৌ', 'ফেঁচু ৰজা হ'ল', 'বগলী এ সবাহলৈ নগ'লি কিয়', 'টিপচী চৰাই, চৰাইটোহে সৰু লয় হোলোং গছত বাহ' আদি শিৰোনামেৰে বহু কাহিনী আৰু সাধুকথা আছে। আগৰ দিনত নগৰৰ নহ'লেও গাওঁ অঞ্চলৰ সৰুৰ পৰা ডাঙৰলৈকে বহুতেই সততে দেখা চৰাই কিছুমান চিনি পাইছিল। মাক-দেউতাকেও কোনটো কি চৰাই দেখুৱাই দিছিল। কিন্তু এতিয়া ল'ৰা-ছোৱালীক শিকোৱা দূৰৈৰ কথা, মাক-দেউতাকেই বাৰীয়ে-চোতালে দেখা চৰাইবোৰ নাম বা চৰিত্ৰৰে সৈতে চিনি নাপায়। বৰ্তমান পক্ষী সংৰক্ষণৰ বহুতো ব্যৱস্থা হাতত লোৱা হৈছে। কিন্তু আটাইতকৈ দৰকাৰী কথাটো আছিল— আমাৰ ল'ৰা-ছোৱালীবোৰক স্থানীয় চৰাইবোৰৰ সৈতে চিনাকী কৰাই দিয়া। কাৰণ, চৰাইৰ ভৱিষ্যৎ ৰক্ষক তেওঁলোকেই। কোনজাত চৰাইৰ সংখ্যা কমিছে নে বাঢ়িছে, তেওঁলোকেহে ক'ব পাৰিব। আমাৰ কৃষকসকলে যিবোৰ ঠাইত খেতি কৰে, সেইবোৰ ঠায়েই বহুতো চৰাইৰ বাসভূমি। গতিকে কৃষকে খেতি ৰক্ষা কৰাৰ লগে লগে চৰাই আৰু সিহঁতৰ বাহ, কণী, পোৱালী আদিও ৰক্ষা পৰে।

ভাৰতৰ উত্তৰ প্ৰদেশতে আটাইতকৈ বেছি দ

জলাশয় আছে। আলিগড় জিলাৰ আমাখেৰা গাঁৱত এনে এক জলাশয় আছে। বহু বছৰ ধৰি এই জলাশয় মাছ ধৰা আৰু জলসিঞ্চনৰ কাৰণে ব্যৱহাৰ হৈ আহিছে। এই জলাশয়তে বহু ভ্ৰমণকাৰী চৰাই বছৰি আহি পৰেহি। গাঁৱৰ মানুহখিনিয়ে কিন্তু কোনো ধৰণৰ দিগদাৰি নকৰে। ইটাহ জিলাৰ পামা নামৰ হ্ৰদটোত বতৰ ভাল হ'লে একে সময়তে এক লাখমান ভ্ৰমণকাৰী চৰাই পৰেহি। ওচৰৰ গাঁৱৰ মানুহখিনিয়ে এই হ্ৰদটোক যুগ যুগ ধৰি এক পুণ্যস্থানৰূপে গণ্য কৰি আহিছে। এইসকল লোকে তাত কোনো চৰাই বধ নকৰে আৰু আনকো বধ কৰিবলৈ নিদিয়ে। অৱশেষত ১৯৯১ চনত হ্ৰদটোক অভয়াৰণ্যৰূপে ঘোষণা কৰা হ'ল। খেৰি জিলাৰ চাৰেলি গাঁওখনতো প্ৰায় এহেজাৰ শামুকভঙা চৰাই আছে। চৰাইজাত থাকিলে তাত বতৰ ভাল হয় বুলি তাৰ মানুহখিনিয়ে বিশ্বাস কৰে। ইহঁতে যিহেতু শামুক খায়, গতিকে তাৰ মানুহবোৰৰ বিশ্বাস যে ইহঁতে ৰোগ নিয়ন্ত্ৰণ কৰে।

### দেৱালীত ফটকা ফুটোৱাও নিষিদ্ধ ঃ

তামিলনাডুত সাত বৰ্গকিলোমিটাৰ এলেকাৰ এটা বৰ ডাঙৰ পুখুৰী আছে। ১৮০০ চনতে খন্দা এই পুখুৰীটোৰ নাম থোৱা হৈছিল চিট্টাৰন পুদি। এই পুখুৰীটোলৈ বৰটোকোলা, আইবিচ, বৰবগ, গো বগ, পানী কাউৰী আদি নানান ভ্ৰমণকাৰী চৰাই আহে। কাষতে থকা গাঁৱৰ মানুহখিনিয়ে কাকো চৰাই মাৰিবলৈ নতুবা কণী চুৰ কৰিবলৈ নিদিয়ে। তেওঁলোকে আনকি দেৱালীৰ সময়ত ফটকা ফুটাবলৈও নিদিয়ে। সেই সময়ত পুখুৰীত মাছ মৰাও নিষিদ্ধ।



কৰ্ণাটকৰ মহীশুৰ জিলাৰ কালকে'ৰ বেলুৰ গাঁৱত পক্ষী সংৰক্ষণৰ যি ব্যৱস্থা আছে, সিও মন কৰিবলগীয়া। তেওঁলোকৰ প্ৰধান খেতি হ'ল তেতেলি। কিন্তু কেতিয়াবা চৰাইবোৰক ৰক্ষা কৰিবলৈ গৈ তেতেলি খেতিকে বিসৰ্জন দিব লগাত পৰে। ভ্ৰমণকাৰী চৰাইবোৰ যাতে কোনো ধৰণৰ দিগদাৰি নাপায়, সেইটোৱেই ইয়াৰ উদ্দেশ্য। চৰাইবোৰ তেওঁলোকৰ অঞ্চললৈ অহাটো তেওঁলোকে সৌভাগ্যৰ চিন বুলি ভাবে। চৰাইবোৰে উলিয়াই দিয়া মল খেতিয়কে পথাৰত দি পথাৰ সাৰুৱা কৰে।

### অন্ধ্ৰ প্ৰদেশতো চৰাই প্ৰতিপাল কৰা হয় ঃ

অন্ধ্ৰ প্ৰদেশৰ বীৰপুৰম নামৰ গাঁওখনত কাঁকৈতোৰা, পেলিকান আৰু বগা আইবিচ নামৰ চৰাই তিনিজাতে বহু বছৰ ধৰি বাহ সাজি আহিছে। কেতিয়াবা একেবাৰতে পাঁচ হেজাৰমান বাহ সাজে। অঞ্চলটোৰ মানুহখিনিয়ে চৰাইবোৰক বন্ধুৰূপে গণ্য কৰে আৰু সকলো প্ৰকাৰে ৰক্ষা কৰে। কাদাফ জিলাৰ পেচলিপেনি গাঁৱৰ



লোকসকলে এক শতিকাৰো ওপৰকাল কাঁকৈচোৰা, বগা আইবিচ আৰু পানীকাউৰী নামৰ চৰাইকেইজাতক ৰক্ষণাবেক্ষণ দি আহিছে। চৰাইকেইজাতে সেই অঞ্চলত বহুতো বাহ সাজে আৰু কণী পাৰে। পোৱালী বৰটোকোলা আৰু বগা আইবিচবোৰে প্ৰায়েই ঘৰৰ ছালত নতুবা ঘাঁহ-খেৰৰ দ'মৰ ওপৰত জিৰণি লয়। অন্ধ্ৰ প্ৰদেশৰ নেলোৰ জিলাৰ নেলাপট্টু আৰু দেদুমপট্টু নামৰ ঠাই দুখনত বগা আইবিচ, শামুকভঙা আৰু বৰবগ চৰাই তিনিজাতে যুগ যুগ ধৰি বসবাস কৰি আহিছে। এই চৰাইকেইজাতে ওচৰতে থকা পুলিকেট নামৰ হ্ৰদটোত খাদ্য সংগ্ৰহ কৰে আৰু দেদুপট্টু নামৰ ঠাইখনত থকা তেতেলি গছবোৰত বাহ সাজি কণীৰ পাৰে। কণীৰ পৰা ওলোৱা পোৱালীবোৰৰ দুই-এটা মাটিত পৰে আৰু দুই-এটাৰ মৃত্যু হয়। আঘাত-প্ৰাপ্তবোৰক ওচৰতে থকা তিৰুপতি ৰাষ্ট্ৰীয় উদ্যানলৈ পঠাই দিয়া হয়। দুই-এগৰাকী স্থানীয় তিৰোতাই পোৱালীবোৰক প্ৰতিপালো কৰে। নেলাপট্টু নামৰ হ্ৰদটোতে বহু চৰায়ে সাঁতুৰি-নাদুৰি জীৱন নিৰ্বাহো কৰে। তাতে নিজৰ প্ৰয়োজনীয় খাদ্যখিনিও পায়। গতিকে ১৯৯৭ চনত গোটেই হ্ৰদটোকে বন্যপ্ৰাণী সংৰক্ষিত উদ্যান হিচাপে ঘোষণা কৰা হয়।

দেম'চেল নামৰ বগলীজাতে যেতিয়া বহুদূৰ অতিক্ৰম কৰি ভাগৰে-জোগৰে ৰাজস্থানৰ খীচন নামৰ গাঁওখনত পৰেহি, সিহঁতে স্বস্তিৰ নিশ্বাস পেলায়। আচৰিত কথা এয়ে যে মুহূৰ্তৰ ভিতৰতে পাঁচহাজাৰমান চৰায়ে অঞ্চলটো চাটি ধৰে। লগে লগে গাঁৱৰ মানুহখিনিয়ে হাতে হাতে শস্যৰ মোনা লৈ চৰাইজাকৰ





কাষ চাপি আহে। গাঁৱৰ তিৰোতাসকলে যে সিহঁতক ভাল পায়, মোনাত সিহঁতৰ কাৰণে যে ধান-মাহ আনিছে— সেই কথা চৰাইবোৰেও বুজি পায়। সেইকাৰণে চৰাইবোৰে মানুহলৈও ভয় নকৰে। জৈন ধৰ্মাৱলম্বী লোকসকলে চৰাইক অধিক প্ৰতিপাল কৰে। তেওঁলোকে আন নহ'লেও ৰাতিপুৱাতে জাক জাক পাৰ চৰাইক চাউল বা আন শস্যৰ গুটি খুৱায়। আমাৰ অসমত বিশ্বাস আছে যে ম'ৰা চৰাই সাধাৰণ মানুহে পুহিব নাপায়। সত্ৰ, সভা আদিতহে পোহা হয়। সিহঁতক সুৰক্ষা দিবৰ কাৰণেই বোধহয় এনে কৰে। ঢাকৈচকোৱা চৰাইৰ মতা-মাইকীহালৰ মাজত ইমান প্ৰীতি যে এটাৰ অবিহনে আনটোৱে খাব-বৰলৈকে এৰে। গতিকে সিহঁতক সাধাৰণতে মৰা নহয়।

**ক'লা ডিঙিৰ ডাঙৰ বগ অৰুণাচলতো আছে ঃ**

ভাৰতৰ বিভিন্ন ঠাইত চৰাই প্ৰেমৰ এনে উদাহৰণ আৰু অনেক আছে। বোম্বাই প্ৰাকৃতিক বুৰঞ্জী সমাজৰ সম্পাদক ড° এ ৰহমানীয়ে এঠাইত উল্লেখ কৰিছে যে বৃহৎ ভাৰতীয় বাষ্টাৰ্ড (Great Indian Bustard) নামৰ চৰাইজাত জীয়াই থকাৰ মূল কাৰণ হ'ল খেতিয়কসকলৰ চৰাইজাতৰ প্ৰতি থকা মৰম। কাৰণ যিখিনি ঘাঁহনি, চাপৰি অথবা কৃষি ভূমিত খেতিয়কসকলে খেতি কৰে, সেইবোৰ ঠাইতে বাষ্টাৰ্ড চৰায়ো থাকে। খেতিয়কসকলে চৰাইজাতৰ ওপৰত অত্যাচাৰ কৰা হ'লে চৰাইজাত ইতিমধ্যে লুপ্ত হ'লহেঁতেন। ঠিক সেইদৰে কৃষকসকলে ম'ৰা চৰাইৰ ওপৰত অত্যাচাৰ কৰা হ'লেও ম'ৰা চৰাই ইতিমধ্যে লুপ্ত হৈ পৰিলহেঁতেন। ক'লা ডিঙিৰ ডাঙৰ বগলীজাত এসময়ত কেৱল লাডাখতহে আছে বুলি ভৱা

হৈছিল। কিন্তু পাছত ১৯৯০ চনত ড' প্ৰকাশ ক'লৈই অৰুণাচলৰ চাংগো উপত্যকাতো সেইজাতৰ কিছুমান চৰাই আৱিষ্কাৰ কৰিলে। বৌদ্ধধৰ্মী সন্ন্যাসীসকলে যুগ যুগ ধৰি বিভিন্ন চৰাইৰ লগত সহবাস কৰি আহিছে। আমাৰ চোতালবোৰত ধান মেলিলে শালিকা, কাউৰী আদি চৰায়ে প্ৰায়েই ধান খায়। ঠিক সেইদৰে কঠিয়াতলীবোৰ নষ্ট কৰে বগলীয়ে। কিন্তু তাৰ কাৰণে সেই চৰাইবোৰ মৰা নহয়। হুৰাই দিয়াহে হয়।



অৰণ্যে চৰাইক মৰম কৰা মানুহ যিমান আছে, চৰাই মৰা মানুহো তেনেই কম নহয়। লগতে আন কিছুমান সমস্যায়ো দেখা দিয়ে। তাৰে এটা হ'ল ইন্ধন হিচাপে ব্যৱহাৰ কৰা গছৰ নাটনি। একোজাত চৰায়ে হয়তো এক নিৰ্দিষ্ট জাতৰ গছতহে বাহ সাজি কণী পাৰে। এজোপা গছ কাটি ধ্বংস কৰিলে তাত থকা চৰাইবোৰৰ বিপদ হয়। বেলুৰৰ কাক্কেৰ নামে ঠাইত কিছুমান গছৰ গৰাকীবোৰে চৰায়ে বাহ সজা গছবোৰ কাটিহে ভাল পায়। কাৰণ সেইবিলাক গছ ব্যৱসায়িক দিশত অধিক মূল্যৱান। ওচৰা-উচৰিকৈ থকা জনগোষ্ঠীসমূহৰ মাজত প্ৰায়েই মতানৈক্য হোৱা দেখা যায়। কাৰণ একেখিনি বনাঞ্চলতে চিকাৰী লোকসকলে চৰাই মাৰে, কণী চুৰ কৰে আৰু সুবিধা পালে মাছো মাৰে।

**কীটনাশক ঔষধে চৰাইৰো মৃত্যু আনে ঃ**

বৰ্তমান আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল ৰাসায়নিক কীটনাশক আৰু ৰাসনিক সাৰৰ বহুল ব্যৱহাৰ। ম'ৰা চৰাইসমূহক এহাতে ৰক্ষা কৰা হয় যদিও সেই ম'ৰা চৰায়েই ৰাসায়নিক দ্ৰব্য মিহলি খাদ্য খাই মৃত্যুমুখত পৰে। উদাহৰণস্বৰূপে আম্মাখেৰা নামৰ গাঁও এখনৰ জলাহ



অঞ্চলত তেল নিগাৰি বহু ঠাই প্ৰদূষিত কৰিছিল। বাট-পথ বহল কৰা, কৃষিভূমি বহল কৰা আদি কাৰণতো প্ৰাণী থকা অঞ্চলবোৰ বিষাক্ত হয় আৰু তাৰ বলি হয় জলচৰ মাছ আৰু চৰাইবোৰ। নতুনকৈ উঠি অহা ডেকা-গাভৰুসকলৰ চিন্তা-চৰ্চা অৰণ্যে কিছু বেলেগ হৈছে। তেওঁলোকে চৰাইখিনিৰ স্বাৰ্থত এটা বছৰ তেতেলিৰ উৎপাদন ত্যাগ কৰিবলৈও প্ৰস্তুত। পুমা হ্ৰদ, চিত্তৰংদি, নেলাপট্টু আদি আৰ্দ্ৰভূমিসমূহক চৰকাৰে ইতিমধ্যে বন্যপ্ৰাণী অভয়াৰণ্য হিচাবে ঘোষণা কৰিছে। ফলত বন্য চৰাই ৰক্ষা কৰিবলৈ গৈ প্ৰকৃততে বনবিভাগ আৰু স্থানীয় পক্ষীপ্ৰেমীসকলৰ মাজত মতানৈক্যৰহে সৃষ্টি হৈছে। কাৰণ যুগ যুগ ধৰি এইখিনি মানুহেই ৰক্ষণাবেক্ষণ দি আহিছে। এতিয়া তেওঁলোকক নোসোধাকৈ এই দায়িত্ব বনবিভাগক দিয়াটো তেওঁলোকে সহজভাৱে ল'ব পৰা নাই। অভয়াৰণ্যখনত তেওঁলোকৰ অধিকাৰ যেন লোপ পাইছে, তেনে এক ভাব তেওঁলোকৰ মনত সৃষ্টি হৈছে। দেখা গৈছে যে চৰকাৰী বিভাগতকৈ স্থানীয় মানুহখিনিয়ে অধিক দক্ষতাৰে চৰাইবোৰ ৰক্ষা কৰে। চৰাই সংৰক্ষণৰ প্ৰাচীন পদ্ধতিবোৰ অঞ্চলটোৰ মানুহে ভালদৰে জানে। গতিকে তেওঁলোকক লগত লৈ বিভাগীয় লোকসকলে একেলগে পক্ষী সংৰক্ষণৰ ব্যৱস্থা কৰিলেহে আপুৰুগীয়া চৰাইখিনি মৃত্যুৰ মুখৰ পৰা বাচি থাকিব। ●

*ডিব্ৰুগড় কানৈ কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীডিম্বেশ্বৰ চলিহা পৰিৱেশ ও বন্যপ্ৰাণী সংৰক্ষণৰ স্বাৰ্থত সততে উৎসাহী।*
*তেখেতৰ ফোন নম্বৰ ঃ ০৩৭৩২-৩০১৭৭৮*

# হাবিত আঘাতপ্ৰাপ্ত বনৰীয়া হাতীৰ চিকিৎসা চোৱাৰ অভিজ্ঞতা

**পদ্মেশ্বৰ গগৈ**

১১/০৩/২০০০ তাৰিখে সন্ধিয়া গোলাঘাট টেনিছ ক্লাবত বহি থাকোতে অৰূপ বল্লভ গোস্বামীয়ে খবৰ দিলেহি যে নামবৰ অভয়াৰণ্যৰ সমীপৰ টেঙানিত এটা আঘাতপ্ৰাপ্ত বনৰীয়া হাতীক চিকিৎসা কৰিবৰ বাবে গুৱাহাটী চিৰিয়াখানাৰ পশু চিকিৎসক ডাঃ দুৰ্গাচৰণ ডেকা কহৰাত আহি আছেহি আৰু কাইলৈ পুৱাই টেঙানিলৈ আহি হাতীটো চিকিৎসা কৰিব। অৰূপে মুভী কেমেৰাৰে আৰম্ভণিৰ পৰা শেষলৈকে হাতীটোৰ চিকিৎসা কৰাৰ ফটো তুলিবলৈ তেওঁৰ লগত যাবলৈ লগ ধৰিলে। সেইদিনাই ৰাতিলৈ গোলাঘাটৰ ডি এফ অ' ৰহমানেও বনৰীয়া হাতী চিকিৎসা কৰা চাবলৈ পিছদিনা পুৱাই তেখেতৰ লগত যাবলৈ ক'লে। ডি এফ অ' ৰহমানেই আঘাতপ্ৰাপ্ত বনৰীয়া হাতীটোৰ চিকিৎসাৰ ব্যৱস্থা কৰোৱাইছিল। আঘাতপ্ৰাপ্ত হাতীটো টেঙানি অঞ্চলত দেখাৰ পৰা তাৰ গতি-বিধিৰ ওপৰত চকু ৰাখিবলৈ বন বিভাগৰ কৰ্মচাৰীসকলক ডি এফ অ' ৰহমানে নিৰ্দেশ দিছিল, যাতে চিকিৎসাৰ বাবে তাৰ অৱস্থিতি সহজে উলিয়াব পাৰি।

পিছদিনা (১২/০৩/২০০০) পুৱা ৯ বজাত ডি এফ অ' ৰহমান, ৰেঞ্জ অফিচাৰ শ্ৰী বণিয়া আৰু মই বন বিভাগৰ জীপ গাড়ীৰে টেঙানিলৈ বুলি ৰাওনা হ'লোঁ। অৰূপ আগদিনা ৰাতি শিলনীজানৰ তেওঁলোকৰ বাগানত থকাৰ বাবে যোৱাৰ আগমুহূৰ্তত ফোন কৰি আমি গৈ থকাৰ খবৰ দিলোঁ আৰু তেওঁক শিলনীজানৰ তেল ডিপোত ৰৈ থাকিবলৈ ক'লোঁ। আমি ৯-৪৫ বজাত শিলনীজান পালোঁ আৰু অৰূপেও আমাৰ লগত নিজৰ গাড়ীৰে যাবলৈ ওলাল। বৰপথাৰ পায়েই খবৰ পালোঁ যে ডাঃ দুৰ্গাচৰণ ডেকা আৰু ডাঃ তৰুণ খেৰীয়া ইতিমধ্যে টেঙানি (য'ত বনৰীয়া হাতীটো আছিল) পালেগৈ। খবৰটো পায়েই মোৰ উৎকণ্ঠা বাঢ়িল। ডি এফ অ' ৰহমানক খৰকৈ গাড়ী চলোৱাৰ কথা ক'লোঁ। মোৰ চিন্তা হৈছিল জানোচা আমি গৈ পোৱাৰ আগতে পশুচিকিৎসকদ্বয়ে হাতীটো অৱশ কৰি চিকিৎসা কৰিয়েই পেলায়। দিনৰ প্ৰায় ১০-৪৫ বজাত বনৰীয়া হাতীটো থকা হাবিখন পালোঁগৈ। গাড়ীৰ পৰাই ডাঃ ডেকা আৰু ডাঃ খেৰীয়াক বনবিভাগৰ কৰ্মচাৰীৰ সৈতে হাবিখনৰ কাষৰ ৰাস্তাতে দেখি বুজিলোঁ যে তেওঁলোক হাবিত সোমোৱাই নাই। গাড়ীৰ পৰা নামিয়েই বন কৰ্মচাৰী এজনক হাতীটো ক'ত আছে সুধিলোঁ, এনে ভাৱত যেন হাতীটোৰ চিকিৎসা মইহে কৰিম। বন কৰ্মচাৰীজনে অলপ দূৰ আগুৱাই গৈ হাতীটো থকাৰ ফালে আঙুলিয়াই দেখুৱালে। ডাঃ খেৰীয়াক মাত দি ডাঃ ডেকাৰ লগত চিনাকি হ'লোঁ। দুয়োজনৰ লগতে দুই-এষাৰ কথা পাতি বন কৰ্মচাৰী এজনক হাতীটো ওচৰৰ পৰা চাবলৈ লগ ধৰিলোঁ। সেইমতে বন কৰ্মচাৰীজনে আৰু এজনক লগত লৈ হাতীটো দেখুৱাবলৈ লৈ গ'ল। জেৰেপানি হাবি ফালি চুপি চুপি হাবিৰ ভিতৰলৈ সোমালোঁ। কিছু দূৰ যোৱাৰ পিছত এজোপা সৌৰা গছৰ তলত হাতীটো দেখা পালোঁ। প্ৰকাণ্ড এটা মখনা। ওখই ৮ ফুটমান হ'ব। হাতীটো থিয় হৈ নিতাল মাৰি আছে। ভালকৈ চাই দেখিলোঁ হাতীটোৰ ভৰিত, গাত ঘাঁ আৰু টেমুনা আছে। বেছি দূৰ খোজ কাঢ়িব নোৱাৰা হোৱাত খাবলৈ নাপাই হাতীটো খীণাইছে। হাতীটোৰ নেজডালৰ আগটো ছিগা। হাতীটো নামবৰত দুই-তিনিবাৰ দেখিছোঁ, নেজডালতে চিনি পালোঁ। নেজ ছিগা মখনা হাতী প্ৰায় অকলেই থাকে। জাকত বোধহয় দঁতাল হাতীয়ে থাকিবলৈ

নিদিয়ে। মতা হাতীৰ নেজ সাধাৰণতে যুঁজতে ছিগে বুলি হাতীৰ লগত জড়িত লোকসকলে কয়।

হাতীটো চাই ঘূৰি আহি থাকোঁতে মোৰ চিন্তা হ'ল যে বেজী দিয়াৰ পিছত হাতীটো নিশ্চয় অৱশ হৈ শুই পৰিব। হাতীটোৰ দেহটোৰ সোঁৱে-বাঁৱে ঘাঁ, টেমুনা আছে। গতিকে শুই পৰাৰ পিছত দেহটোৰ ওপৰফালে ঘাঁবোৰৰ চিকিৎসা কৰিব পাৰিব। তলফালৰবোৰৰ চিকিৎসা কেনেকৈ কৰিব? আগতে মই গঁড় বেজী দি অৱশ কৰা দেখিছোঁ। অৱশ হ'লে মাটিত ঢলি পৰে, হাতীটো নিশ্চয় তেনেকৈ ঢলি পৰিব। কি হয় দেখা যাওক বুলি ভাবি মনৰ কথা মনতে থ'লোঁ। মুকলিলৈ ওলায়েই ডাক্তৰৰ ওচৰলৈ আহিলোঁ। ডাক্তৰদ্বয়ে হাতীটো বেজী দি অৱশ কৰিবৰ বাবে যা-যোগাৰ কৰাত ব্যস্ত। ইতিমধ্যে বনৰীয়া হাতী বেজী দি অৱশ কেনেকৈ কৰিব আৰু হাতীটোক বেজী কেনেকৈ দিব সেইখিনি চাবলৈ হাবিখনৰ ওচৰ-পাজৰৰ বহু মানুহ গোট খালে। ডাঃ ডেকাই দুটা ছিৰিঞ্জত নিৰ্দিষ্ট পৰিমাণৰ দৰৱ ভৰাই, দুটা 'ট্ৰেংকুইলাইজাৰ' বন্দুকত বেলেগে বেলেগে গুলীসহ খাজি ল'লে। অৰূপেও ফটো ল'বৰ বাবে কেমেৰা সাজু কৰিলে। দুয়ো চিকিৎসক আৰু ডি এফ অ' ৰহমানে আলোচনা কৰি কোন দিশৰ পৰা হাবিখনত সোমালে ভাল হ'ব ঠিক কৰি হাবিত সোমাবলৈ অগ্ৰসৰ হ'ল। লগত বন্দুকধাৰী বন কৰ্মচাৰী। চিকিৎসাৰ বাবে দৰৱ-পাতি, ঘাঁ ধোৱাবলৈ পানী আদি লৈ দুজনমান বনৰক্ষীও লগত। পিছে পিছে ডি এফ অ' ৰহমান, ৰেঞ্জ অফিচাৰ বণিয়া, অৰূপ আৰু মই। হাবিখন জেৰেপানি হাবিহে। 'ছামশলখ' (chromolaena oderata) আৰু 'ফুটুকলা'ৰে (Melastoma malabainsiceem) ভৰপূৰ। পাঁচ হেক্টৰমান মাটিকালিৰ হাবিখনত আছে কেইজোপামান 'সৌৰাগছ' (Streblus asfier) আৰু তিনি জোপা 'ছ' গছ (Albizia Chinensis)। এই অঞ্চলটো উত্তৰ নামবৰ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত। বৰ্তমান বেদখলকাৰীৰ দখলত। অতীজত


ফটো ঃ অৰূপ বল্লভ গোস্বামী

উত্তৰ নামবৰ সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটিকালি আছিল ১৫,৪১০ হেক্টৰ। বন বিভাগৰ জৰীপ মতেই ২০০৩ চনলৈকে ৯,০০০ হেক্টৰ বেদখল হ'ল। তাৰ পিছতো বেদখল হৈ আছে। বৰ্তমান ৪,০০০ হেক্টৰমানহে বেদখল নোহোৱাকৈ আছে। সেইখিনি অঞ্চলৰ সুকাঠী গছবোৰ কাটি শেষ কৰিলে। গছ কাটি বনাঞ্চলৰ ভিতৰতে 'ধাৰণ' পাতি কাঠ ফালে। ৰাতি ৰাতি গছ কটা আৰু ফলা কামবোৰ কৰে। পুৱতি নিশা ফলা কাঠবোৰ কান্ধত লৈ বনাঞ্চলৰ পৰা ওলাই আহে। অসমৰ সংৰক্ষিত বনাঞ্চলসমূহত এনে কাৰ্য চলিয়েই আছে। গতিকে বন্য জীৱ-জন্তুসমূহ অৱশিষ্ট বনাঞ্চলত ক'ত শান্তিৰে থাকিব পাৰিব?

আমাক হাবিত সোমোৱা দেখি বনৰীয়া হাতী চিকিৎসা কৰা চাবলৈ অহা মানুহৰ জুমৰ মাজৰ কেইটামান চেঙেলীয়া ল'ৰাও হাবিত সোমাই সৌৰা গছত উঠি চিএঞৰ-বাখৰ কৰাত লাগিল। বন কৰ্মচাৰী কেইজনমানে ল'ৰাকেইটাক ধমকি দি গছৰ পৰা নামিবলৈ কৈছে। কাৰণ চিএঞৰ-বাখৰত হাতীটোৱে মানুহৰ ফালে আহিলে শূন্যলৈ গুলী মাৰিলে গছত উঠি থকা ল'ৰাকেইটাৰ গাত লাগিব পাৰে। ৰাস্তাত ৰৈ থকা কেইজনমানে কিন্তু ল'ৰাকেইটাক গছত উঠি থাকিবলৈহে কৈছে আৰু গছৰ ওপৰৰ পৰাই হাতীটোৱে গতি কৰিলে তাৰ গতি-বিধি ফুটবল খেলাৰ বিৱৰণী দিয়াদি দি থাকিবলৈ কৈছে, যাতে তেওঁলোক থকাৰ ফালে হাতীটো আহিলে ল'ৰাকেইটাৰ বিৱৰণীৰ পৰা গম পাই লগে লগে পলাব পাৰে। মানা কৰাৰ সত্বেও ল'ৰাকেইটাৰ চিএঞৰ-বাখৰ চলি থাকিল। আমিও হাবি ফালি ফালি হাতীটোৰ ওচৰলৈ সাৱধানে আগবাঢ়িলোঁ। ৰাস্তাৰ পৰা ১০০ মিটাৰমান হাবিত সোমাই হাতীটো এজোপা সৌৰা গছৰ গুৰিত থিয় হৈ থকা চকুত পৰিল। হাতীটো আমাৰ পৰা ১৫-২০ মিটাৰমান দূৰত। ডাঃ ডেকা সাজু হ'ল। ভালকৈ নিৰীক্ষণ কৰি বন্দুকৰ ঘোৰা টিপিলে। ঘোৰা কেইবাবাৰো টিপিলে, পিছে বন্দুকহে নুফুটিল। মানুহৰ উমান পাই হাতীটো লেঙেৰাই লেঙেৰাই হাবিৰ আৰু ভিতৰলৈ সোমাই গ'ল। সৌৰা গছত উঠি থকা ল'ৰাকেইটাই হাতীটো হাবিত গৈ থকাৰ বিৱৰণী দি গ'ল। জেৰেপানি হাবি বাবে হাতীটো যাওঁতে হাবি ভাঙি যোৱাত হাতীটোৰ গতিৰ বিৱৰণ গছৰ ওপৰৰ পৰা সহজে দিব পাৰিছিল। এটা সময়ত হাতীটো হাবিখনৰ উত্তৰ দিশত ৰৈ গ'ল। সৌৰা গছত উঠি থকা ল'ৰাকেইটাৰ বিৱৰণীমতেই হাতীটো ৰোৱা ঠাই সহজে উলিয়াব পৰা হ'ল। ডাক্তৰ ডেকাই নুফুটা বন্দুকটোত পুনৰ গুলী ভৰাই ঠিক-ঠাক কৰি ল'লে। দুয়ো ডাক্তৰে ঠিক কৰি ল'লে যে প্ৰথমে ডাক্তৰ ডেকাই গুলীয়াব আৰু যদি গুলী নুফুটে বা ফুটিলেও যদি ছিৰিঞ্জসহ নিড্‌ল হাতীৰ গাত নালাগে, তেন্তে ডাক্তৰ খেৰীয়াই আনটো বন্দুকেৰে গুলীয়াব। কথামতে কাম। ডাক্তৰ ডেকাই বন্দুক ফুটুৱালে, কিন্তু নিড্‌ল হাতীৰ গাত নোসোমাল। লগে লগে ডাক্তৰ খেৰীয়াই বন্দুক ফুটুৱালে। নিড্‌ল হাতীৰ টিকাত লাগিল, কিন্তু হাতীটোৱে টিকাটো হাবিত ঘঁহাই নিড্‌ল এৰুৱাই পেলালে। হাতীটোৰ দেহলৈ দৰব নোসোমাৱাৰ বাবে অৱশ নহ'ল। পুনৰ হাতীটো হাবিৰ মাজে মাজে হাবিখনৰ পশ্চিম দিশলৈ গতি কৰিলে। ইতিমধ্যে বৰষুণ পৰিল। গছত উঠি থকা ল'ৰাবোৰো ঘৰাঘৰি গ'ল। চিএঞৰ-বাখৰ কমিল। ডি এফ অ' ৰহমান, অৰূপ আৰু মই হাবিৰ পৰা ওলাই ৰাস্তালৈ আহিলোঁ। জীপ গাড়ীখনতে বহি লৈ পানী আৰু ফল খালোঁ। ঘড়ী চাই দেখিলোঁ তিনি বাজিল। বৰষুণত তিতি-বুৰি মনটোও ভাল লগা নাই। তাতে হাতীটোৰ চিকিৎসাও হোৱা নাই। ডাঃ ডেকা আৰু ডাঃ খেৰীয়া কিন্তু হতাশ হোৱা নাই। পুনৰ হাতীৰ পিছ ল'লে, লগত বণিয়া আৰু অৰূপ। ডি এফ অ' ৰহমান আৰু মই গাড়ীতে বহি থাকিলোঁ। বৰষুণৰ বাবে হাতীৰ চিকিৎসা চাবলৈ গোট খোৱা মানুহবোৰ ঘৰাঘৰি গ'ল। চিএঞৰ-বাখৰ নোহোৱা হ'ল। কিছুসময়ৰ পিছত গাড়ীত বহি থাকোতেই গুলীৰ শব্দ শুনিলোঁ আৰু গাড়ীৰ পৰা নামি হাবিত সোমাওঁতে বন কৰ্মচাৰীয়ে হাতীটো অৱশ কৰাৰ খবৰ দিলেহি। হাবি ভাঙি দৌৰাদৌৰিকৈ হাতীৰ ওচৰ পালোঁগৈ। দেখিলোঁ অৱশ হোৱাৰ পিছতো হাতীটো থিয় হৈ আছে আৰু দুয়ো ডাক্তৰে চিকিৎসা কৰি আছে। মই ভবাৰ দৰে হাতীটো শুই নপৰিল। হাতীটোৰ যৌনাংগ বাহিৰ ওলাই ওলমি পৰিছিল, চকুৰে পানী বৈ আছিল আৰু নাকেৰে 'ঘৰ্‌ঘৰ্‌' শব্দ কৰি আছিল। হাতীটোৰ ঘাঁবোৰ

ধুৱাই চাফা কৰি মলম সানিলে। টেমুনাবোৰ মীট্‌দাৰে খুঁচি ফুটাই তেজ-পূঁজ উলিয়াই চাফা কৰি দৰৱ সুমুৱাই দিলে। বেজীও ভালেকেইটা দিলে।

হাতীটোৰ চিকিৎসা চলি থাকোঁতেই দেখিলোঁ দুজনমানে হাতীটোৰ পেটৰ তলেদি কুঁজা হৈ অহা-যোৱা কৰিছে। ডাক্তৰ খেৰীয়াও ৰৈ নাথাকিল। তেখেতেও দুবাৰমান অহা-যোৱা কৰিলে। জনবিশ্বাস যে হাতীৰ পেটৰ তলেদি পাৰ হ'লে বহুত বেমাৰ-আজাৰ ভাল হয়। ডাক্তৰদ্বয়ে চিকিৎসা খৰতকীয়া কৰিছে, কাৰণ গজৰাজে চেতনা পালে ৰক্ষা নহ'ব। প্ৰায় ৪০-৪৫ মিনিটমান চিকিৎসা কৰাৰ পাছত বয়-বস্তুবোৰ সামৰি হাতীটোৰ চেতনা আহিবৰ বাবে ডাক্তৰ ডেকাই বেজী দিলে আৰু সকলোকে হাতীটোৰ ওচৰৰ পৰা আঁতৰি আহিবলৈ ক'লে। হাতীটোৰ পৰা কিছু দূৰ আঁতৰি আহি সকলোৱে তাৰ চেতনা অহালৈ আগ্ৰহেৰে বাট চাই থাকিল। পাঁচ মিনিটমানৰ পিছতে শুৰ আৰু কাণ লৰচৰ কৰা দেখি ডাঃ ডেকাই 'চেতনা আহিল' বুলি কৈ আৰু কিছু দূৰ পিছুৱাই আহি পুনৰ নিৰীক্ষণ কৰিবলৈ ধৰিলে। হাতীটো লাহে লাহে এখোজ-দুখোজকৈ হাবিত সোমোৱাত আমি সকলো হাবিৰ পৰা ওলাই মুকলিত ৰ'লোঁহি। ডাঃ ডেকাই ৰেঞ্জ অফিচাৰ বণিয়াক দৰৱৰ এখন 'প্ৰেছক্ৰিপশ্যন' লিখি দি দৰৱখিনি (কেপছুল) আঠিয়া কলৰ মাজত সুমুৱাই খুৱাবলৈ ক'লে। সেইমতে বনৰক্ষীসকলে পিছদিনাৰ পৰা আঠিয়া কলৰ মাজত কেপছুল সুমুৱাই হাতীটো থকা ঠাইত থৈ অহাত কলৰ লগতে দৰৱ খালে বুলি খবৰ লৈ গম পালোঁ। ২০০০ চনৰ নৱেম্বৰ মাহত এদিন হাতীটো পুনৰ নামবৰত দেখা পাই ভাল লাগিল (নেওৰতে চিনিলোঁ)। সুস্থ হৈ থকা যেন দেখিলোঁ। হাতীটো চাৰি বছৰ জীয়াই থাকিল। পুনৰ মানুহৰ অত্যাচাৰত দেহ ক্ষত-বিক্ষত হৈ উজনি দৈগ্ৰোং বনাঞ্চলত ২০০৪ চনৰ এপ্ৰিল নে মে' মাহত হাতীটো মৰি থাকিল।

**উপসংহাৰ ঃ** হাতী তৃণভোজী আৰু পৰিভ্ৰমী প্ৰাণী। এটা প্ৰাপ্তবয়স্ক হাতীক দিনে ৩-৪ কুইণ্টল কেঁচা ঘাঁহ খাদ্য হিচাপে প্ৰয়োজন। ঠিক সেইদৰে ১০০-১৫০ লিটাৰ পানীও খায়। অসমৰ প্ৰাকৃতিক বনাঞ্চল (Natural forest) ৰাজ্যখনৰ মুঠ মাটিকালিৰ শতকৰা ২০ ভাগো নাই। চৰকাৰে বিভিন্ন আঁচনিৰ জৰিয়তে গছ-গছনি ৰোৱাই বনাঞ্চল বৃদ্ধি হোৱাৰ ঢাক-ঢোল বজালেও প্ৰাকৃতিক বনাঞ্চল অবিহনে হাতীকে ধৰি বিভিন্ন বন্য-প্ৰাণী, চৰাই-চিৰিকটিৰ সংৰক্ষণ সম্ভৱ নহয়। প্ৰাকৃতিক বনাঞ্চলতহে জৈৱ বৈচিত্ৰ চহকী হয়। জৈৱ বৈচিত্ৰ অবিহনে বন্যপ্ৰাণী সংৰক্ষণ সম্ভৱ নহয়। মানুহৰ দ্বাৰা সৃষ্ট বনাঞ্চল এখনত হাতীৰ খাদ্য পৰ্যাপ্ত পৰিমাণে নাথাকে। কেইবিধমান গছ-বনেই হাতীৰ সুষম খাদ্য হ'ব নোৱাৰে।

হাতী পৰিভ্ৰমী প্ৰাণী হোৱাৰ বাবে পৰ্যাপ্ত পৰিমাণে খাদ্য থাকিলেও একেখন হাবিতে নাথাকে। হাতীৰ চিকাৰৰ লগত জড়িত ফান্দি, মাউতসকলৰ মতে এসময়ত মানদেশৰ (ম্যানমাৰ) পৰা হাতী পাটকাই পৰ্বত পাৰ হৈ অৰুণাচল, নগালেণ্ডৰ মাননি অঞ্চলেদি আহি নামবৰ, কাজিৰঙা হৈ ব্ৰহ্মপুত্ৰ পাৰ হৈ ভূটানলৈ গৈছিল। বৰ্তমানেও কাজিৰঙাৰ পৰা হাতী কাৰ্বি আংলং, নামবৰ হৈ ধনশিৰি অঞ্চললৈ চৰি ফুৰে। কাজিৰঙাৰ পৰা কাৰ্বি আংলংৰ পশ্চিম দিশেদি গৈ ডবকা হৈ লামডিং বনাঞ্চললৈ যায়। এনেদৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়ো পাৰে হাতীৰ বহু কৰিড'ৰ আছে। হাতীয়ে সদায় নিজৰ কৰিড'ৰেদিহে অহা-যোৱা কৰে। কৰিড'ৰত হাবি-বন মুকলি কৰি মানুহৰ বসতি হ'লেও বা কাঁইটীয়া বেৰ দিলেও বেৰ ভাঙি হ'লেও সেইপিনে যাবই। সেয়েহে আজিও নুমলীগড় তেল শোধনাগাৰৰ উত্তৰ দিশৰ পকা বেৰৰ নিৰ্দিষ্ট ঠাইত সময়ে সময়ে বনৰীয়া হাতীৰ জাকে পকা বেৰত খুন্দিয়াই বেৰ ভাঙি সোমাবলৈ চেষ্টা কৰে। নুমলীগড়ৰ তেল শোধনাগাৰ হোৱা ঠাইখন অতীজত বনাঞ্চল আছিল। নুমলীগড় দেওপৰ্বতৰ পৰা হাতীৰ জাক কালিয়নি নদী পাৰ হৈ উক্ত বনাঞ্চলত সোমাই দুই-এদিন থাকি তেল গৰমেদি পাৰ হৈ বগীচলা, পোৱা জংঘল বিজুলী বনাঞ্চল হৈ নামবৰলৈ যায়। বনৰীয়া হাতীয়ে যেনি যাম বুলি ভাবিব যাবই। অৰূপ গোস্বামী আৰু মই নামবৰৰ পৰা ধান খাবলৈ ওলাই অহা হাতীৰ জাক ভেটি নামবৰলৈ ঘূৰাই পঠাবলৈ চেষ্টা কৰি বিফল হোৱাৰ তিক্ত অভিজ্ঞতা আছে। ২০০৫ চনৰ ১ নৱেম্বৰৰ দেৱালীৰ ৰাতি শ্যামৰাইপুৰ বাগানৰ খেল পথাৰত চিনেমা

চলি থাকোতে, য'ত দৰ্শকৰ চিঞৰ-বাখৰ, মাইকৰ শব্দ, দোকান-পোহাৰ, 'ডাইচ' খেল পাতি বৃহৎ মানুহৰ সমাগম হৈ থাকোতেও ঘৰচীয়া গৰুৰ পালৰ দৰে সকলোবোৰ আওকাণ কৰি খেল পথাৰৰ মাজেদিয়েই ২১টা হাতী পাৰ হৈ যোৱা দেখাৰ অভিজ্ঞতা আছে। জন্মৰ পৰা যিবোৰ বনাঞ্চলত হাতী চৰি ফুৰিছিল, সেই বনাঞ্চলবোৰৰ ঠাইত জনাঞ্চল হ'লেও খাদ্যৰ সন্ধানত হাতী তালৈ যাবই। তেনে জনাঞ্চলত খাদ্য নাপাই ঘৰ-দুৱাৰ ভঙা, খেতি নষ্ট কৰা আদি কামবোৰ কৰিবই। বনৰীয়া হাতী হানি-খুঁচি বা বন্দুকেৰে গুলীয়াই জখম কৰিলেও সেই ঠাইবোৰলৈ গৈয়েই থাকে। সম্ভৱতঃ যিবোৰ ঠাইত হাতী গুলীয়াই মাৰি খাবলৈ লৈছে, তেনেবোৰ ঠাইলৈহে হাতী যোৱাটো কমিছে। কাৰণ নগালেণ্ড, মেঘালয়ত বনৰীয়া হাতী মাৰি খাবলৈ লোৱাত পাহাৰৰ পৰা নামি অহা হাতীবোৰ তালৈ ঘূৰি নগৈ গোটেই বছৰটোৱেই নামনি অঞ্চলত উপদ্ৰৱ কৰিবলৈ লৈছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ তিনিওফালৰ পাহাৰীয়া অঞ্চলৰ পৰা সেই কাৰণেই বোধহয় হাতীবোৰ নামি আহি নামনি অঞ্চলত থিতাপি লৈছে।

মানুহে হানি-খুঁচি জখম কৰাৰ ফলত হাতী মৰে, কীটনাশক ঔষধ খুৱাই হাতী মাৰে, ৰে'ল গাড়ীয়ে হাতী কাটে, চাহ-বাগানৰ নলা-নৰ্দমাত পৰি হাতীৰ পোৱালি মৰে, মানুহৰ খেদা-কুৰাত গাভিনী হাতীয়ে পোৱালি বিনাশ কৰে, বিজুলী তাঁৰত লাগিও হাতী মৰে আৰু মানুহে মাৰি খায়। মুঠতে হাতী মৰিয়েই আছে। গতিকে হাতী আৰু কিমান দিন থাকিব? ●

---

*প্ৰখ্যাত উদ্ভিদ বিজ্ঞানী শ্ৰী গগৈ দেৱৰাজ ৰায় মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক। বৰ্তমান তেখেত কা,ওল,ছৰ কহৰাস্থিত মহীমিৰি গৱেষণা কেন্দ্ৰৰ গুৰিয়াল হিচাপে সেৱা আগবঢ়াই আছে।*

*তেখেতৰ ম'বাইল নম্বৰঃ ৯৪৩৫০৫৬৪৭৪।*

# গঁড় চিকাৰৰ কিছু কথা



**ডাঃ তৰুণ চন্দ্ৰ খেৰীয়া**

*জ্যেষ্ঠ পশু চিকিৎসা বিষয়া*

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অজ্ঞাত চোৰাং চিকাৰীৰ দ্বাৰা গঁড় হত্যা আৰু খড়্গ লৈ উধাও হোৱাৰ ঘটনা মাজে-সময়ে সংবাদ মাধ্যমত প্ৰচাৰ হোৱা দেখা যায়। বন কৰ্মীসকলৰ অক্লান্ত পৰিশ্ৰমৰ পাছতো গঁড় হত্যা হোৱাটো নিঃসন্দেহে অতি পৰিতাপৰ কথা। গাজত লগাও। কিয়নো কাজিৰঙা অৰণ্যত গঁড়ৰ সংখ্যা মাত্ৰ কেইটামানহে থকাৰ সময়ত কুৰি শতিকাৰ আৰম্ভণিতে গঁড় নামৰ এই প্ৰাগ্ ঐতিহাসিক প্ৰাণীবিধৰ সংৰক্ষণৰ ব্যৱস্থা বৃটিছ চৰকাৰে হাতত লয়। সেই সময়ৰে পৰা প্ৰণালীবদ্ধ সংৰক্ষণ ব্যৱস্থাৰ ফলত ইহঁতৰ সংখ্যা মাত্ৰ কেইটামানৰ পৰা ক্ৰমে বৃদ্ধি হ'বলৈ ধৰে। বৰ্তমান দ্বি-সহস্ৰাধিক গঁড়ে এই অৰণ্যখনত বিচৰণ কৰি আছে। ২০০৮ চনৰ শেহতীয়া গঁড় পিয়ল অনুসৰি গঁড়ৰ সংখ্যা ২০৪৮টা। এই সংখ্যাটোৱে অৰণ্যখনত গঁড়ৰ গাঢ়তা বৃদ্ধি হোৱাটোকে সূচায়।

অতীতত সমগ্ৰ অঞ্চলতে ইহঁতৰ বিস্তৃতি থকাৰ কথা জনা যায়। কিন্তু কালক্ৰমত অন্যান্য বন্যপ্ৰাণীৰ লগতে ইহঁতকো অবাধে আৰু নিৰ্বিচাৰে হত্যা কৰা হ'ল। জনা যায় যে ইংৰাজসকল অসমলৈ অহাৰ আগতে গঁড়ৰ ছালেৰে ঢাল তৈয়াৰ কৰা হৈছিল। গঁড়ৰ ছাল ডাঠ। শুকালে অতি কঠিন হৈ পৰে। কাঁড় অথবা যাঠি আদিয়ে ভেদ কৰিব নোৱাৰে। আনকি সেই সময়ৰ যুদ্ধত ব্যৱহাৰ হোৱা চোকা অস্ত্ৰও পৰাভূত হ'ব পাৰে। সেয়ে হয়তো ঢাল তৈয়াৰ কৰিবৰ কাৰণে সেই সময়ৰ সৈনিকসকলে গঁড় বধ কৰিছিল। কিন্তু খড়্গটো সেই সময়ত ব্যৱহাৰ হোৱাৰ বিষয়ে কোনো তথ্য পোৱা নাযায়। পাছলৈ অন্ধবিশ্বাস, ঔষধ আদিৰ বাবে গঁড় চোৰাংকৈ হত্যা কৰিবলৈ ধৰিলে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনৰ ভৌগোলিক পৰিৱেশ যিদৰে গঁড়ৰ বাসোপযোগী, ঠিক সেইদৰে চোৰাং চিকাৰীৰ প্ৰৱেশ পথৰ বাবেও উপযোগী। উত্তৰ দিশে চিৰ প্ৰৱাহমান ব্ৰহ্মপুত্ৰ নদীৰ বিশাল সীমাইদি নিশাৰ অন্ধকাৰত জলপথেদি দেশীয় নাও ব্যৱহাৰ কৰি চোৰাং চিকাৰীয়ে সহজে অৰণ্যখনত প্ৰৱেশ কৰিব পাৰে। দক্ষিণ দিশে ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথটো উদ্যানখনে চুই যোৱাত চোৰাং চিকাৰী প্ৰৱেশৰ বাবে সুচল হৈ পৰিছে। সন্ধ্যাৰ পাছৰ নিৰ্জনতাত চোৰাং চিকাৰীয়ে সহজে প্ৰৱেশ কৰিব পাৰে উদ্যানখনত। কাৰণ সুদীৰ্ঘ পৰিসীমাত বন কৰ্মীসকলৰ দ্বাৰা পহৰা দিয়া কাৰ্য সম্ভৱপৰ নহয়।

সাধাৰণতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীয়ে তিনিটা উপায় অৱলম্বন কৰি গঁড় নিধন কৰা পৰিলক্ষিত হয়— গুলীয়াই, বিদ্যুৎ সৰবৰাহ কৰি আৰু গাঁত খান্দি। গুলীয়াই গঁড় নিধন কৰা উপায় অৱলম্বন কৰিলে ঠাই বিশেষে ঘেৰাও হৈ ধৰা পৰা বা মৃত্যুমুখত পৰা সম্ভাৱনা অধিক। গুলীৰ শব্দ শুনাৰ মুহূৰ্ততে ৱায়াৰলেছ যন্ত্ৰৰ যোগেদি সকলো শিবিৰ তথা বনাঞ্চলিক বিষয়াক বাতৰিটো মাত্ৰ অৱগত কৰাই নহয়, গুলীৰ শব্দৰ উৎসটোৰ সন্ধানত চাৰিওফালৰ বন কৰ্মীসকল সম্পূৰ্ণ সাজ হৈ যুদ্ধংদেহি মনোভাৱেৰে ওলাই যায়। তেওঁলোকে সম্ভৱ হ'লে চিকাৰীক কৰায়ত্ব কৰিব নতুবা প্ৰয়োজনসাপেক্ষে সন্মুখ সমৰত লিপ্ত হ'ব। অৱশ্যে চতুৰ চিকাৰীৰ দলে ওলাই যোৱাৰ পথ সোমাওতেই নিশ্চিত কৰি পলাই যাবলৈ সক্ষম হয়। অৱশ্যে তেনে ক্ষেত্ৰতো বহু চোৰাং চিকাৰীৰ বুকু বনকৰ্মীৰ হাতৰ গুলীৰে বিদীৰ্ণ হোৱাৰ নজীৰ অলেখ আছে।

বিদ্যুৎস্পৃষ্ট কৰাই গঁড় নিধন কৰাৰো দৃষ্টান্ত নথকা নহয়। এনে ক্ষেত্ৰত অতি সন্তৰ্পণে দেভাগ নিশা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণে থকা উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰৰ সহায় লোৱা দেখা যায়। কিন্তু আজিকালি সম্ভাব্য অঞ্চলসমূহত বন কৰ্মীসকলে তীক্ষ্ণ দৃষ্টি ৰখাত এই কামফেৰা চোৰাং চিকাৰৰ বাবে সহজ হৈ থকা নাই। তথাপি মাজে-সময়ে প্ৰয়োজনীয় বিদ্যুৎ পৰিবাহী তাঁৰ কোনো কোনো ঠাইত উদ্ধাৰ হোৱা কাৰ্যই সক্ৰিয় চোৰাং চিকাৰীৰ বিফলতা প্ৰতিপন্ন কৰাৰ লগতে বনকৰ্মী সকলৰ কৰ্মনিষ্ঠাও প্ৰতিফলিত হয়।

গাঁত খান্দি গঁড় বধ কৰাটো চোৰাং চিকাৰীসকলৰ বাবে এক সহজ পন্থা। এই কাৰ্যতো তেওঁলোকৰ জীৱনৰ সংশয় থাকে যদিও আগ্নেয়াস্ত্ৰ তথা বিদ্যুৎ পৰিবাহী তাঁৰৰ দৰে ব্যয়বহুল নহয়। যিকোনো প্ৰকাৰে উদ্যানখনত প্ৰৱেশ কৰিব পাৰিলেই কাম সহজ হৈ পৰে। কোৰ আৰু পাচিয়েই হৈছে প্ৰধান আহিলা। ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত থকা বিলসমূহৰ পাৰত প্ৰচুৰ পৰিমাণে লকচা জাতীয় কোমল ঘাঁহ গজি উঠে। এনে কোমল ঘাঁহনিত চৰিবৰ কাৰণে গঁড়বিলাকে ইখন বিলৰ পৰা সিখন বিললৈ অহা-যোৱা কৰে। বিলসমূহ ইকৰাৰ বেষ্টনীত থকাত গঁড় অহা-যোৱা কৰোঁতে কৰোঁতে একোটা ঠেক পথৰ সৃষ্টি হয়। এনে পথক দণ্ডি বুলি কোৱা হয়। এনে দণ্ডিৰে ম'হ-পহু আদিও অহা-যোৱা কৰে। চোৰাং চিকাৰীয়ে এনে দণ্ডিকে নিৰ্বাচন কৰে গাঁত খান্দি চিকাৰ কৰিবৰ বাবে।



এনে দণ্ডিত এক নিৰ্দিষ্ট দীঘ, প্ৰস্থ আৰু গভীৰতাত চিকাৰীয়ে গাঁত খান্দে। উদ্যানখনৰ ইকৰানিসমূহৰ মাটি বালিচহীয়া, খান্দিবলৈ সহজ— অধিক পৰিশ্ৰমৰ আৱশ্যক নাথাকে। খন্দা মাটিবিলাক কোৰ-পাচিৰ সহায়ত কিছু নিলগত পেলায়। খনন কাৰ্য সম্পূৰ্ণ হোৱাৰ পাছত গাঁতটোৰ ওপৰত ইকৰা, গছৰ শুকান ডাল-পাত আদিৰে এখন পাতলীয়া চাং দি ঢাকি আঁতৰি যায় চিকাৰীৰ দল। গাঁতটো এনেদৰে প্ৰস্তুত কৰে যে গঁড় এটা সোমাই পৰাৰ পাছত সেই গাঁতটোৰ পৰা উঠি অহাটো কোনোপধ্যে সম্ভৱ নহয়। চিকাৰীয়ে মাজে-সময়ে পুনৰ উদ্যানৰ ভিতৰত প্ৰৱেশ কৰি গাঁতত গঁড় পৰাটো নিশ্চিত কৰে। গঁড় পৰিলে চোকা অস্ত্ৰৰে নাকৰ হাড়েৰে সৈতে খড়্গটো কাটি উধাও হয়।

গাঁত খান্দি গঁড় নিধন কৰা চিকাৰীৰ দলটো দূৰণিৰ যেন অনুমান নহয়। কাৰণ গাঁতত তেওঁলোকৰ চিকাৰ পৰা-নপৰাটো নিশ্চিত কৰিবৰ কাৰণে একাধিকবাৰ উদ্যানৰ অন্তৰ্ভাগলৈ প্ৰৱেশ কৰিবলগীয়া হয়। অন্যকেইবিধ উপায় অৱলম্বন কৰাসকলৰ লগত ওচৰৰ কোনোবা দুস্কৃতিকাৰী জড়িত থকাটো সম্ভৱ। কাৰণ ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত প্ৰৱেশ কৰি বিল, দণ্ডি, বাট-পথ আদি চিনাক্ত কৰি প্ৰৱেশ আৰু প্ৰস্থানৰ পথ প্ৰশস্ত কৰাটো দূৰৰ অথবা নতুন মানুহৰ বাবে সম্ভৱ হ'ব নোৱাৰে।

চোৰাং চিকাৰীয়ে গঁড় হত্যা কৰাৰ মূল উদ্দেশ্য হৈছে খড়্গটো হস্তগত কৰা। খড়্গৰ সৈতে জড়িত হৈ আছে এটা আন্তৰ্জাতিক চোৰাং ব্যৱসায়ীৰ দল। ইয়াক পুলিয়ে-পোখাই উঘালি পেলোৱাটো বৰ সহজ কথা নহয়। খড়্গৰ মূল্য আন্তৰ্জাতিক বজাৰত যথেষ্ট হোৱা হেতুকে অৰ্থলোলুপ এচামে বাছি লৈছে এই বেহা। এটা আপুৰুগীয়া প্ৰাণীক হত্যা কৰি আৰ্থিকভাৱে লাভৱান হোৱাৰ কু-কাৰ্যত জড়িত এচাম মানুহে

বন কৰ্মীৰ হাতত প্ৰাণ হেৰুৱাবলগীয়া হোৱাৰ পিছতো মাজে-সময়ে গঁড় নিধনৰ ঘটনা নঘটাকৈ থকা নাই। অৱশ্যে পোন্ধৰ বছৰমানৰ আগৰ তুলনাত বৰ্তমান এনে ঘটনাৰ হাৰ কমি আহিছে। ইয়াৰ মূলতে বন কৰ্মীসকলৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰতি থকা আত্মীয়তা, বন্যপ্ৰাণীৰ প্ৰতি মমত্ববোধ আৰু তেওঁলোকৰ কৰ্মনিষ্ঠা।

চোৰাং চিকাৰ ৰোধৰ বাবে উদ্যানখনৰ কৰ্তৃপক্ষ সদায় সজাগ আৰু বদ্ধপৰিকৰ। বন কৰ্মীসকলেও নিষ্ঠাৰে নিজ কৰ্তব্য সম্পাদন কৰে। নিজ নিজ বন শিবিৰ এলেকাত পহৰা কাৰ্য বাহাল ৰখাত কৃপণালি নকৰে তেওঁলোকে। তথাপিও চিকাৰীৰ প্ৰৱেশ ঘটে সন্তৰ্পণে, আচম্বিতে— বিশাল পৰিসীমাৰ কোনো সুৰুঙাৰ সুযোগ লৈ। কিছু ক্ষেত্ৰত কৰ্তৃপক্ষই চিকাৰী প্ৰৱেশৰ বাৰ্তা আগতীয়াকৈ পায়। এই বাৰ্তা উদ্যানখনৰ বাবে থকা সহৃদয় কোনো ব্যক্তিৰ, অথবা কোনো নিয়োজিত বিশ্বস্ত লোকৰ। এনে বাতৰিত কৰ্তৃপক্ষই সম্ভাব্য আগতীয়া ব্যৱস্থা গ্ৰহণ কৰি চোৰাং চিকাৰ ৰোধত বহুবাৰ সফল হৈছে। সফল হৈছে কোনো গঁড়ক অনাহুত মৃত্যুৰ পৰা ৰক্ষা কৰাত।

প্ৰয়োজনতকৈ উদ্যানখনত বন কৰ্মীৰ সংখ্যা তাকৰ। কমসংখ্যক বন কৰ্মীৰ দ্বাৰা সংযোজিত এলেকাসমূহৰ সৈতে বিশাল পৰিসৰৰ উদ্যানখন নিয়াৰিকৈ চোৱা-চিতা কৰাটো দুৰূহ। কাজিৰঙাৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে সহায়ক হোৱাকৈ প্ৰায় এবছৰৰ আগতে বহু বন কৰ্মীক নতুনকৈ নিযুক্তি দিয়া হৈছিল। জনা গৈছে যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাৰ হেতুকে নিযুক্তি লোৱাসকলৰ প্ৰায়সকলে ৰাজনৈতিক পৃষ্ঠপোষকতাত কেইটামান মাহ কাজিৰঙাত চাকৰি কৰিয়েই বদলি হৈ গ'ল। ৰিক্ত হৈয়ে ৰ'ল বন কৰ্মীৰ পদসমূহ। এনে পৰিস্থিতিত বান বা আন কোনো প্ৰাকৃতিক দুৰ্যোগৰ সময়ত অন্য ঠাইৰ পৰা বন কৰ্মী অনাৰ গত্যন্তৰ নাথাকিব। অথচ অন্য ঠাইৰ পৰা অনা বন কৰ্মীয়ে বিশেষকৈ বান হোৱাৰ সময়ত সম্ভাব্য চোৰাং চিকাৰী ৰোধত অনভিজ্ঞতাৰ বাবে বিফল হোৱাৰ সম্ভাৱনা থাকি যায়।

চোৰাং চিকাৰী ৰোধৰ বাবে সজাগতাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰাকৈ থাকিব নোৱাৰি। উদ্যানখনৰ কাষৰীয়া অঞ্চলৰ গাঁওসমূহত উদ্যান কৰ্তৃপক্ষ তথা বেচৰকাৰী সংস্থাসমূহে গঁড় তথা অন্যান্য বন্যপ্ৰাণীৰ সুৰক্ষা আৰু সংৰক্ষণৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰি আহিছে। তথাপি পাঁচোটা আঙুলি সমান নোহোৱাৰ দৰে মানুহৰ মন আৰু নৈতিকতাবোধো সমান নোহোৱা দুই-এক দুষ্কৃতিকাৰীয়ে সজাগতাত বিৰাগ ভাৱ প্ৰদৰ্শন কৰি ভাৰাতীয়া চোৰাংচিকাৰীৰ সংশ্ৰৱত উদ্যানৰ বিস্তৰ ক্ষতিসাধন কৰে। জনমত আৰু জনতাৰ শুভেচ্ছা সদায় উদ্যানখনৰ সপক্ষে হোৱাত দুষ্কৃতিকাৰীহঁতে গা কৰি উঠাৰ সুযোগ কৰিব পৰা নাই। এটা কথা কিন্তু ক'বই লাগিব— উদ্যানখনৰ কাষৰীয়া অঞ্চলৰ বাসিন্দাসকলৰ সহমৰ্মিতা আৰু সহযোগ উদ্যানখনৰ প্ৰতি সদায় কাম্য। এই বাসিন্দাসকলৰ সহযোগ অবিহনে উদ্যানখনৰ সুৰক্ষা, সংৰক্ষণ তথা চোৰাংচিকাৰী ৰোধ কৰাটো সহজ নহয়। ●

*পশু চিকিৎসক শ্ৰীখেৰীয়া বন্যপ্ৰাণী সংৰক্ষণৰ এজন অত্যুৎসাহী সমৰ্থক তথা নিস্বাৰ্থ কৰ্মী। কাজিৰঙা অভয়াৰণ্যৰ সকলো তথ্য-পাতি, খুতি-নাটি তেখেতৰ নখদৰ্পনত। তেখেতৰ ম'বাইল নং-৯৪৩৫৩-৫৪১২৬*

# অৰণ্যত এখোজ-দুখোজ

## অৰণ্য বিষয়ক এখন উৎকৃষ্ট গ্ৰন্থ



ইন্দ্ৰজিৎ দত্ত

গছ-গছনি, অৰণ্যৰে এতিয়াও সুশোভিত হৈ আছে আমাৰ ৰাজ্যখন। নৈ, বিল, জলাশয়বোৰতো আছে সজীৱ স্পন্দন। এইবোৰত আছে অনেক চৰাই-চিৰিকটি, জীৱ-জন্তু, কীট-পতংগ, সৰীসৃপ, মাছ আৰু উভচৰ প্ৰাণী। পিছে আমি ইয়াৰ অৰ্থনৈতিক দিশটোতে ক্ষান্ত থাকোঁ, অৰণ্যৰ মায়াময় বৈচিত্ৰৰ প্ৰতি আমাৰ আকুলতা নাই। অৰণ্যৰ এই বিস্ময়কৰ জগতখনৰ বিষয়ে আমি প্ৰায় অজ্ঞাত। পৰুৱাৰ দৰে ক্ষুদ্ৰ প্ৰাণী এটাৰ পৰা হাতী-বাঘ আদিৰ দৰে অৰণ্যৰ অগণন বাসিন্দাৰ জীৱন ধাৰণৰ বৈশিষ্ট্য, আচাৰ-আচৰণ, খাদ্য আহৰণ, প্ৰজনন, বংশ বিস্তাৰ, আশ্ৰয় স্থান আদিৰ বিষয়েও আমাৰ জ্ঞান একেবাৰে সীমিত। এই কথাবোৰ সুন্দৰকৈ গল্পৰ ছলেৰে বৰ্ণনা কৰিছে সৌম্যদ্বীপ দত্তই, তেওঁৰ 'অৰণ্যত এখোজ-দুখোজ' নামৰ সুখপাঠ্য কিতাপখনত। ক'বলৈ গ'লে এই কিতাপখন চাক্ষুষ অভিজ্ঞতাৰ খুঁটি-নাটি ধাৰাভাষ্যৰে আগবঢ়োৱা ছটা অংকৰ (প্ৰবন্ধ) এখন যেন অনুপম আলেখ্যহে! 'সেউজীয়া অৰণ্যৰ সুবাস' নামৰ দীঘলীয়া লেখাটো আৰম্ভ কৰিছে চক্ৰশিলা অৰণ্যত বনগৰু (গৌৰ) সন্ধানৰ কৌতূহলোদ্দীপক বৰ্ণনাৰে।

এদিন বৰষুণৰ বতৰত চক্ৰশিলা পাহাৰত উঠিবলৈ আহি হাওঁ হাওই নামৰ নিজৰা এটাৰ কাষত বৰষুণ এৰালৈ তেওঁ অপেক্ষা কৰি আছিল। বৰষুণ পিছত কোমল মাটিত বনগৰুৰ পদচিহ্নৰ সন্ধান তথা অনুসৰণ কৰিবলৈ সহজ। জুৰিটো তেতিয়া স্ফীতোদৰা, জোৰেৰে বৰষুণৰ পানী তললৈ বৈ আহিছে। দত্তই লিখিছে— 'প্ৰায় এঘণ্টা অতিবাহিত হোৱাৰ পিছত নিজৰাৰ পানীৰ প্ৰবাহ আৰু পৰিমাণ দুয়োটাই কমি আহিল। অলপ পিছতে পাহাৰলৈ উঠিম বুলি ভাবি মই ডাঙৰ শিল এটাৰ ওপৰত বহি থাকিলোঁ। দেখিলোঁ কেঁকোৰা খোৱা নেউল এটাই শিলৰ চেপাত কেঁকোৰাৰ হাতোৰা দুটাৰ পৰা বাচিবলৈ কেঁকোৰাটো ধৰিয়েই তৎক্ষণাত তাৰ হাতোৰা দুটা শিলত আচাৰি ভাঙি মঙহখিনি খায়। খন্তেক পিছতে এদল জনজাতীয় মহিলা কেঁকোৰা ধৰিবলৈ নিজৰাৰ পাৰত আহি উপস্থিত হ'লহি। এই অঞ্চলৰ বন্যপ্ৰাণী আৰু মানুহ উভয়ে জানে— প্ৰবল বৰষুণৰ পিছত অৰণ্যৰ অভ্যন্তৰত স্বাভাৱিকভাৱে বাঢ়ি অহা কেঁকোৰা আৰু মাছবোৰ নিজৰাৰ পানীত প্ৰবাহিত হৈ সমতললৈ নামি আহিব। যুগ যুগ এই প্ৰক্ৰিয়া চলি আছে, কিন্তু অৰণ্যৰ প্ৰজাতিৰ ক্ষতি হোৱা নাই বা তাৰ অৱলুপ্তি ঘটা নাই।'

দত্তই পাহাৰৰ ওপৰলৈ খুপি খুপি উঠিবলৈ আৰম্ভ কৰিলে। অখংস্য জোক। সেইবোৰলৈ কেৰেপ কৰা নাই। এঘণ্টামান আগুৱাই গৈ এঠাইত ৰ'লগৈ। জোকবোৰ এৰুৱাই 'অলগৰে' গছৰ পাত কেইটামান ছিঙি তাৰ ৰস ক্ষতস্থানত লগোৱাৰ পিছত তেজ ওলোৱা বন্ধ হ'ল। বৰ্ণনাৰ কিয়দংশ আকৌ তুলি দিছোঁ—'এই বনৰীয়া গৰুটোক, যাৰ বৈজ্ঞানিক নাম Boss goura, বহুতে ম'হ বুলি ভুল কৰে। বহুতে আকৌ ভুলকৈ মেঠোন বুলি কয়। মেঠোন এটা সম্পূৰ্ণ পৃথক প্ৰজাতি, যাৰ বৈজ্ঞানিক নাম Boss trontilars। গৌৰ কিন্তু পৃথিৱীৰ ভিতৰতে বৰ্তমান জীৱিত অৱস্থাত থকা সৰ্ববৃহৎ বনৰীয়া গৰুৰ প্ৰজাতি। বৰ্তমানৰ বঙাইগাঁও অঞ্চলত এসময়ত ইমানেই বনগৰু আছিল যে স্থানডোখৰৰ নামেই বন + গাই + গাঁও, পিছলৈ বঙাইগাওঁ হ'ল।

চক্ৰশিলা অঞ্চল পৰ্ণপাতী বৃক্ষৰ অৰণ্য। পৰ্ণপাতী গছৰ

পাত বছৰৰ এটা নিৰ্দিষ্ট সময়ত একেলগে সৰি পৰে। পাহাৰত চিৰহৰিং বৃক্ষও কিছু আছে। এইবিধ বৃক্ষৰ সমগ্ৰ পাত এটা নিৰ্দিষ্ট সময়ত একেলগে সৰি পৰে। পাহাৰত চিৰহৰিৎ বৃক্ষও কিছু আছে। এইবিধ বৃক্ষৰ সমগ্ৰ পাত এটা নিৰ্দিষ্ট সময়ত একেলগে সৰি নপৰে। এঠাইত বহুকেইটা সাতভনী চৰাই একেলগে দেখি ৰৈ গ'লোঁ। দেখিলোঁ চৰাইবোৰে উঁইৰ টিপ এটাৰ পৰা ওলোৱা অজস্ৰ উঁই পোক ধৰাত ব্যস্ত। অলপ পিছতে সেই ভোজলৈ আহিল চাৰিটা ফেঁচু চৰাই, দুটা ভীমৰাজ, এটা কাও চৰাই আৰু এটা কেতেকী চৰাই। প্ৰবল বৰষুণৰ পিচত ৰ'দ দিলে এই পোকবোৰ প্ৰায়ে উঁই টিপৰ পৰা ওলাই আহে। চাওঁতে চাওঁতে অৰণ্যৰ অন্য এক প্ৰজাতি মলুৱা বান্দৰৰ দল এটা আহিয়েই দুহাতেৰে পটাপট উঁই পোকবোৰ ধৰি মুখত সুমুৱাইছে। পৰ্ণপাতী বৃক্ষৰ অৰণ্য বাবে জাৰকালি এই অৰণ্যৰ বন্যপ্ৰাণীবোৰৰ খাদ্যৰ কিছু অভাৱে দেখা দিয়ে। এতিয়া বৰষুণ পৰাৰ লগে লগে অৰণ্য যেন খাদ্যৰে পৰিপূৰ্ণ। গছবোৰত অসংখ্য কুমলীয়া পাত, ফল-মূল, অৰণ্যভূমিৰ মাটি ফুটি ওলাই অহা বিভিন্ন প্ৰকাৰৰ কচুজাতীয় উদ্ভিদ আৰু ৰসাল কাণ্ড, পতংগৰে পৰিপূৰ্ণ বনভূমি যেন এক বিপুল খাদ্যৰ ভঁৰাল।'

গৌৰৰ সন্ধানত তেওঁ বহু দূৰ আগুৱাই গ'ল। যাওঁতে সাক্ষাৎ হোৱা নানা তৰহৰ পশু-পক্ষী আৰু গছ-লতাৰ বিৱৰণ এনে সাৱলীলভাৱে দি গৈছে যে পঢ়ুৱৈৰ চকুৰ আগতো সেইবোৰ মূৰ্তমান হৈ পৰিছে। উৎসুকতা বৃদ্ধিৰ লগে লগে পঢ়ুৱৈৰ চকুৰ আগতো সেইবোৰ দি গৈছে যে পঢ়ুৱৈয়ে অনেক নজনা কথাৰো সম্ভেদ লাভ কৰিছে। সেইদিনা গৌৰৰ লগত তেওঁৰ দেখা-সাক্ষাৎ নহ'ল। ঘূৰি আহি ৰাতি কটালে ভদ্ৰেশ্বৰ নামৰ ৰাভা মানুহ এজনৰ পঁজা ঘৰত। ভাত, কচুৰ তৰকাৰী, মাটিমাহৰ দাইল আৰু গুগলী শামুকৰ আঞ্জা খাই শেতেলিত পৰিল। পিছদিনা ধলপুৱাতে হৰেন নামৰ ল'ৰা এজনৰ লগত পুনৰ গৌৰ বিচাৰি ওলাল। লগত এটা সৰু হাড়ী, বাঁহৰ চুঙাত ভৰোৱা শুকান মাছ, নিমখ-জলকীয়া আৰু এটোপোলা চাউল। চক্ৰশিলা পাহাৰৰ একাংশত দেখা পালে শিলৰ ভগ্নাৱশেষ, বিক্ষিপ্তভাৱে পৰি থকা বিভিন্ন আকৃতিৰ কটা শিলৰ টুকুৰা। সেইবোৰত আছে প্ৰত্নতাত্ত্বিক আৰু নৃতাত্ত্বিক অধ্যয়নৰ অনেক সমল। জংঘলৰ মাজে মাজে বহু দূৰ গৈ শেষত গৌৰৰ নজনীয়া সদস্যৰ জাক এটা দেখা পালে।... হৰেনে মুখেৰে এটা অদ্ভুত শব্দ কৰিলে— 'ঢায় ঢায় ঢায়'— আৰু লগে লগে বনগৰুৰ দলটো যেন বিদ্যুৎ গতিত সজাগ হৈ উঠিল আৰু শব্দটো লক্ষ্য কৰি গোটেইবোৰ বনগৰুৱে আমাৰ পিনে চালে। দুজনী মাইকী বনগৰুৱে দুবাৰ আমাৰ পিনে মূৰটো জোকাৰিলে, তাৰ পিছত সম্পূৰ্ণ দলটো উৰ্দ্ধশ্বাসে ওলোটা পিনে দৌৰিবলৈ ধৰিলে। শান্ত-সমাহিত অৰণ্যভূমিৰে যেন ধুমুহা বৈ গ'ল! লতা-পাত, বাঁহ আৰু অন্যান্য উদ্ভিদৰাজি সন্মুখৰ পিনে যি পালে সকলো ভাঙি-ছিঙি বনগৰুৰ দলটো নিমিষতে উধাও হৈ গ'ল। প্ৰবন্ধটোৰ দ্বিতীয় পৃষ্ঠাত দিয়া গৌৰৰ স্কেচটো চালেই অনুমান কৰিব পাৰি— কি অমিত শক্তিৰ অধিকাৰী প্ৰকৃতিৰ এই বন্য সন্তানবোৰ!

চক্ৰশিলাত দহুই ১৮৩টা প্ৰজাতিৰ চৰাই দেখা পালে। বাঘ, নাহৰফুটুকী, বান্দৰ, জহামাল, সোণালী মেকুৰী, হৰিণা আদিৰ



লগতো সাক্ষাৎ ঘটিল। এইবোৰৰ নিপুণ বৰ্ণনা আৰু সুন্দৰ স্কেচে পঢ়ুৱৈক নিশ্চয় মুগ্ধ কৰিব। দুটা উদাহৰণ দিছোঁ— ভীমৰাজ চৰাইবোৰৰ (Racket tailed drongo) চকুৰ মণি উজ্জ্বল ৰঙা, মূৰত এটা খোপাৰ দৰে পাখীৰ গুচ্ছ আছে। এই চৰাইবোৰৰ নেজৰ গুৰিৰ পৰা বেডমিণ্টনৰ ৰেকেটৰ নিচিনাকৈ দুখন পাখি ওলাই থাকে। সেয়ে ইয়াৰ ইংৰাজী নাম 'ৰেকেট টেইল্‌ড ড্ৰংগ'।

'এই শালবনৰ মাজত দুটা মৌখোৱা (chestnut headed bee eater) চৰাইক ফৰিং চিকাৰ কৰি থকা দেখা পালোঁ। সেউজীয়া বৰণৰ, পোক ধৰাৰ উপযোগী। ডেউকাৰ আগবোৰ জোঙা, সিহঁতৰ চকুৰ মণি ৰঙা, ঠোঁট আৰু চকুৰ মাজত কাজলেৰে আঁকি দিয়াৰ নিচিনা এটা ক'লা দাগ। মূৰটোৰ পিছফালে বাদামী ৰঙৰ। সিহঁতৰ নেজৰ মাজৰ পৰা দুটা বেজীৰ নিচিনা দীঘল জোঙা পাখি ওলমি থাকে। বতাহ আৰু শাল গছৰ পাতবোৰৰ ফাঁকেৰে অত্যন্ত দক্ষভাৱে সিহঁতে ফৰিং ধৰি আনে।'

সোণালী বান্দৰৰ বাসস্থান হিচাপে চক্ৰশিলা প্ৰখ্যাত। ২৪টা সদস্যৰ সোণালী বান্দৰৰ জাক এটা অধ্যয়ন কৰি পোৱা তথ্যবোৰো দত্তই প্ৰবন্ধটোত দাঙি ধৰিছে। ইহঁতৰ সামাজিক বন্ধন, খাদ্যাভ্যাস, ৰাত্ৰি যাপনৰ চমৎকাৰ ব্যৱস্থা, সদ্য মাতৃ হোৱা সোণালী বান্দৰ এজনীৰ প্ৰসৱকালত গোটেই জাকটোৱে বিভিন্ন ধৰণে আগবঢ়োৱা সহায়-সহযোগ আদিৰ বিৱৰণে মন-প্ৰাণ চুই যায়।

আচলতে অৰণ্য এখনৰ ছবিখন সম্পূৰ্ণ হয় জৈৱিক সম্পদসমূহৰ লগতে ইয়াৰ ভৌগোলিক অৱস্থান, ভূমিভাগৰ গুণাগুণ, ভূতাত্ত্বিক চৰিত্ৰ আৰু জলাশয় আদিৰ বৈচিত্ৰ্যৰ যোগেদি। চক্ৰশিলা অৰণ্যখনকো পূৰ্ণতা দান কৰিছে ইয়াৰ গাতে লাগি থকা ডিপলাই আৰু ধীৰ নামৰ বিল দুখনে। সৰু নাও এখনত উঠি দত্তই ডিপলাই বিলখনৰ বৰ্ণনা কৰিছে— 'বিলখনক আৰু ৰহস্যময় কৰি তুলিছে। বিলৰ স্থিৰ পানীত ভাহি থকা জলজ উদ্ভিদ আৰু বিলৰ তলৰ পৰা গজি উঠা কিছুমান চেপেটা ঘাঁহৰ লগত নাওখনৰ তলিৰ ঘৰ্ষণৰ ফলত এটা অদ্ভুত শব্দ হৈ আছে। বিলৰ তললৈ ভালকৈ চালে দেখিবলৈ পোৱা যায় এক অতি সমৃদ্ধিশালী অৰণ্য। এখন অন্য জগত। বিলৰ পানীৰ ওপৰত উৰি ফুৰিছে হেজাৰ হেজাৰ ৰঙা বৰণৰ জিএগ্ৰা। অসংখ্য পানী মকৰাই বিলৰ পানীৰ ওপৰত দৌৰি ফুৰিছে। বিভিন্ন প্ৰজাতিৰ হাঁহৰ জাক আৰু অন্যান্য চৰাই। দুপৰীয়াৰ আহাৰত ছাঠি, বনতুলসীক ব্যৱহাৰ কৰা হ'ল। মছলা হিচাপে কচু সিজাই এবিধ জোল বনোৱা হৈছিল। তেলবিহীন পদুমৰ ঠানিৰ ভাজি আৰু বেতপোৰা— তাৰেই দুপৰীয়া ভাত খোৱাৰ পৰ্ব শেষ হ'ল। কি চমৎকাৰ!

দত্তৰ আন পাঁচোটা প্ৰবন্ধ চক্ৰশিলাৰ অভিজ্ঞতাতকৈয়ো অধিক ৰোমাঞ্চকৰ আৰু উত্তেজনাপূৰ্ণ। বৰ্ণনা কৰা পৰ্যবেক্ষকৰ ক্ষেত্ৰত সমানেই সমৃদ্ধ। 'চিকাৰী কুকুৰৰ মাজত' নামৰ প্ৰবন্ধটোত বিখ্যাত নামদফা ৰাষ্ট্ৰীয় উদ্যানৰ এক সম্যক ধাৰণা দিয়াৰ লগতে নোৱাদিহিং নদীৰ পাৰত উলুৱনিৰ মাজত হঠাতে সন্মুখীন হোৱা ৰাং কুকুৰৰ দল এটাৰ বিষয়ে লিখিছে। দত্তহঁত সেই ঠাইলৈ যোৱাৰ আগতেই পশু চিকাৰৰ বাবে বেহু ৰচনা কৰি কেইটামান ৰাং কুকুৰে নিৰ্দিষ্ট স্থানত অৱস্থান লৈ আছিল। আনটো দলে পহু খেদি সেইফালে আনিলেই সিহঁত চিকাৰৰ ওপৰত জঁপিয়াই পৰিব। সঁচাকৈ কিছু সময়ৰ পিছতেই তেওঁলোকে ৰাং কুকুৰে পহু চিকাৰ কৰাৰ সেই বিৰল দৃশ্য প্ৰত্যক্ষ কৰিলে। দত্তহঁতৰ উপস্থিতিকো অগ্ৰাহ্য কৰি কুকুৰকেইটাই দেখুওৱা নিষ্ঠা আৰু দৃঢ়তাত তেওঁলোক অভিভূত হ'ল।

'ডিব্ৰু-ছৈখোৱাৰ সেই বাঘিনীজনী' নামৰ প্ৰবন্ধটোত দত্তই ১৯৫০ চনৰ বৰভূঁইকঁপৰ বাবে অৰণ্যখনত হোৱা ভূতাত্ত্বিক পৰিৱৰ্তন আৰু তাৰ ফলত কোমল পলসুৱা মাটিত নতুনকৈ গজি উঠা গছ-বনবোৰৰ বিষয়ে আমাক এটা ভাল ধাৰণা দিলে। অৰণ্যখনৰ ওপৰত নিৰ্ভৰশীল ম'হৰ খুঁটিবোৰ, বনৰীয়া প্ৰকাণ্ড মতা ম'হ এটাৰ মাইকী ম'হখিনিৰ মাজত বিচৰণ, প্ৰজনন ব্যৱস্থা আৰু কেম্প ৰখীয়া বাহাদুৰে ম'হ খুঁটিৰ ওপৰত বাঘে আধা খাই এৰি যোৱা ম'হৰ মাংস কাটি আনি ৰান্ধি খোৱা আদিৰ সৰস বৰ্ণনাৰে প্ৰবন্ধটো অসাধাৰণভাৱে বাঙ্ময় হৈ পৰিছে।

'অৰণ্যত বৰ্বৰতা' নামৰ প্ৰবন্ধটোত বৰ্ণিত হৈছে নামবৰ

অভয়াৰণ্যৰ এটা কৰুণ কাহিনী। নামবৰত টুপীমূৰীয়া বান্দৰৰ (cappes langur) দল এটাৰ ওপৰত দত্তই কিছুদিন অধ্যয়ন চলাইছিল। টুপীমূৰীয়া বান্দৰৰ সমাজত যিজন দলপতি থাকে, সেই দলপতিয়েই দলৰ সকলো মাইকী বান্দৰে কেতিয়াবা কেইজনীমান বান্দৰ মূল দলৰ পৰা ভাঙি আনি নতুন পৰিয়াল তথা দল এটা গঢ় দিয়ে। তেনেকুৱা এটা দলৰে দলপতি সাহসী বান্দৰটো মানুহৰ নিৰ্মম বৰ্বৰতাৰ কেনেকৈ বলি হ'ল তাৰেই কৰুণ বৰ্ণনা প্ৰকাশ কৰা হৈছে।

সেইদৰে 'মাতৃত্ব' নামৰ প্ৰবন্ধটোত আছে বাক্সা অভয়াৰণ্যত মাতৃ হাতী এজনীৰ এটা হৃদয়স্পৰ্শী কাহিনী। স্বাভাৱিকভাৱেই অন্য দুজনী অভিজ্ঞ হাতীৰ সহযোগত হাতীজনীয়ে এটা পোৱালী জন্ম দিলে। কিন্তু পোৱালীটো মৃত। এই মৃত পোৱালীটোক থিয় কৰাবলৈ মাকজনীয়ে গোটেই ৰাতি চলোৱা চেষ্টা প্ৰত্যক্ষ কৰি দত্ত কাতৰ হৈ পৰে। অভিভূত হয় উন্মাদপ্ৰায় হাতীজনীৰ অপত্য প্ৰেমত।

'যমদুৱাৰৰ ভালুক পৰিয়াল' নামৰ প্ৰবন্ধটোও যথেষ্ট শিক্ষাপ্ৰদ আৰু আমোদজনকো। ভালুকৰ পৰিয়াল এটা চাবলৈ মে' মাহৰ আৰম্ভণিতে দত্ত যমদুৱাৰলৈ গৈছিল। তেওঁৰ বৰ্ণনাত উথলি উঠিছে প্ৰকৃতি প্ৰেমো— ভূটান পাহাৰৰ নামনিত এই মনোৰম ঠাই। বৰ্তমান ইয়াত প্ৰকৃতি যেন চঞ্চলা, উন্মনা, গীতিময় আৰু প্ৰেমাকুল। বনদেৱীৰ শৰীৰত বসন্তৰ সাজ, বসন্তৰ ৰূপ। বন বিভাগৰ পুৰণি বাংলোটোৰ তলত সন্ধিয়া জুই পুৱাই থাকোতে হাণ্ডা মুৰ্মু নামৰ চাওতাল এজন ওলালহি। হাণ্ডাই কেইটামান নিগনি লৈ আহিছিল। নিগনিকেইটা আমাৰ ধুনিৰ জুইত পুৰি পুৰি খাইছিল। পোৰা নিগনি বোলে খাবলৈ বৰ ভাল। হাণ্ডাৰ লগত সোনকালেই বন্ধুত্ব হ'ল। অচিৰেই অৰণ্যত সি গছৰ বাকলি আৰু খয়েৰৰ বাকলি কেনেকৈ খায় হাণ্ডাই মোক দেখুৱাইছিল। মাজে মাজে হাণ্ডাই হাতীৰ লাদবোৰ ভালকৈ চায় আৰু মুখেৰে বিৰবিৰাই কয়— এইটো মতা হাতী— গুণ্ডা। এইটো মাইকী, অলপ আগতে পাৰ হৈ গ'ল। সিনো কেনেকৈ জানিলে বুলি সোধাত সি জনালে মাইকী হাতী হ'লে গোবৰৰ পিচফালে পেচাববোৰ থাকে আৰু মতা হাতী হ'লে গোবৰৰ অলপ আগফালে পেচাববোৰ দেখা পাব। বন্যপ্ৰাণী পৰ্যবেক্ষণৰ এই অসাধাৰণ দক্ষতা আমাৰ গাঁৱৰ সাধাৰণ মানুহবোৰৰ মাজত এনেকৈ পৰম্পৰাগতভাৱে সংৰক্ষিত হৈ আহিছে।

হাণ্ডাৰ জীৱিকাও অদ্ভুত। হাণ্ডাই অসমৰ ফালে মৰা গৰু-ম'হ পথাৰত পেলাই দিয়াৰ খবৰ পালেই সি ম'হটোৰ চামৰা চেলাই তাৰ মাংস কাটি জুইত সেকি শুকান মাংসলৈ পৰিৱৰ্তিত কৰে। তাৰ পিছত সেই শুকান মাংস ভূটানৰ গাঁওবোৰত ভূটীয়া মানুহবোৰৰ ওচৰত বিক্ৰী কৰে। বৌদ্ধ ধৰ্মাৱলম্বী হোৱাৰ বাবে এইসকল ভূটীয়া মানুহে জীৱ হত্যা নকৰে, কিন্তু মৃত জীৱৰ মাংস ভক্ষণ কৰে। কি যে অদ্ভুত বৃত্তি!

যি কি নহওক, এই হাণ্ডাৰ সহায়তে ভূটান পাহাৰৰ এখন মাঁকৈ পথাৰৰ কাষত ভালুকৰ পৰিয়াল এটা দত্তই বিচাৰি উলিয়ালেগৈ। ভালুকৰ জীৱন ধাৰণ আৰু সামাজিক ব্যৱস্থা সম্বন্ধে অধ্যয়ন চলাবলৈও সুবিধা পালে।

লেখকৰ অৰণ্য আৰু বন্য পশু-পক্ষীৰ বিষয়ে থকা গভীৰ জ্ঞান, সূক্ষ্ম পৰ্যবেক্ষণ আৰু মমত্ববোধেৰে সম্পৃক্ত প্ৰবন্ধকেইটাই আমাক বাৰুকৈয়ে উদ্বুদ্ধ কৰিলে। অৰণ্যৰ প্ৰতি থকা তেওঁৰ অকৃত্ৰিম ভালপোৱা, আৱেগ আৰু অন্তৰ্দৃষ্টি কিতাপখনৰ ছত্ৰে ছত্ৰে বিদ্যমান। তেওঁ যেন আমাক সকলোকে আহ্বান জনাইছে অৰণ্যক জানিবলৈ, বুজিবলৈ, ভাল পাবলৈ। প্ৰচ্ছদৰ বৰ্যাৰণ্যৰ অনুপম ছবিখন আৰু বিজয় কুমাৰ দে'ৰ দ্বাৰা অংকিত বিভিন্ন জীৱ-জন্তুৰ দুকুৰিখন স্কেচৰ সংযোজনে কিতাপখনক অধিক অৰ্থজ্ঞাপক কৰিছে। ●

*অসম ভূমি সংৰক্ষণ বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক শ্ৰীদত্ত কাজিৰঙা ওৱাইলড লাইফ চ ছাইটিৰ সভাপতি আৰু বন্যপ্ৰাণী সংৰক্ষণ আন্দোলনৰ উৎসাহী কৰ্মী। তেখেতে পৰিবেশ সংৰক্ষণ, জৈৱ বৈচিত্ৰ আদি সম্পৰ্কে ভালেমান লেখা মেলা কৰিছে।*

*তেখেতৰ ম'বাইল নম্বৰ ঃ ৯৪৩৫১-৪৩৭১০*

# পূৰ্বোত্তৰৰ জৈৱ-বৈচিত্ৰ্যৰ নিৰাপত্তা



আৰ চি শইকীয়া

ভাৰতৰ ঐতিহ্যমণ্ডিত জৈৱ-বৈচিত্ৰ্যকে ধৰি তুলনাবিহীন প্ৰাকৃতিক সম্পদ দিনে দিনে যে বিভিন্ন শক্তিৰ হেঁচাত বিলুপ্তি ঘটিবলৈ লৈছে তাত সন্দেহ কৰিবলগা নাই। এই সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ বৈচিত্ৰ্যময় অথচ অৱহেলিত জৈৱিক সম্পদ বিশ্বায়নৰ যুগত সংৰক্ষণ আৰু প্ৰতিপালনৰ অৰ্থে সকলো শ্ৰেণীৰ লোকেই মনোযোগ দিয়াটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়।

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলটো খাদ্যপ্ৰাণেৰে পৰিপুষ্ট বিভিন্ন প্ৰজাতিৰ উদ্ভিদ, বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ এক বিশাল ভাণ্ডাৰ। এই অঞ্চলত ৰোগ নিৰাময়ৰ বাবে বনৌষধি প্ৰয়োগৰ এক পুৰণিকলীয়া ইতিহাসো আছে। ভাৰতৰ অন্য প্ৰান্তৰ লগতে এই অঞ্চলৰ এক বৃহৎসংখ্যক জনগোষ্ঠীয়ে বিভিন্ন ৰোগ নিৰাময়ৰ প্ৰয়োজনত স্থানীয় বেজ-বৈদ্য নাইবা কবিৰাজসকলে বিধান কৰা বনৌষধিৰ ওপৰত নিৰ্ভৰ কৰিবলগা হয়। কবিৰাজসকলে স্বাস্থ্যসেৱা ক্ষেত্ৰত আগবঢ়াই অহা বনৌষধিৰ প্ৰয়োগবিধিক চৰকাৰ আৰু সমাজ দুয়ো পক্ষই স্বীকৃত কৰিছে। এই অঞ্চলটোৰ দুহেজাৰৰো অধিক প্ৰজাতিৰ ঔষধি গুণসম্পন্ন বন-লতাৰ প্ৰাপ্তিস্থানবোৰৰ উপৰি সেই বন-লতাত নিহিত হৈ থকা বিভিন্ন ঔষধি গুণাগুণ সম্বন্ধে থলুৱা বৈদ্যসকলে প্ৰগাঢ় অভিজ্ঞতা আৰু ব্যৱহাৰিক জ্ঞান আহৰণ কৰি আহিছে। তদুপৰি খাদ্যপ্ৰাণেৰে পৰিপুষ্ট নানা থলুৱা উদ্ভিদ বা শাক-পাচলি অঞ্চলটোৰ জনগোষ্ঠীৰ নিয়মিত খাদ্যৰ তালিকাভুক্ত আহাৰ। এইবোৰ শৰীৰৰ বাবে প্ৰয়োজনীয় নানা ৰাসায়নিক মৌলৰ জৈৱিক সম্পদ। এই সম্পদবোৰে অঞ্চলটোৰ খাদ্য নিৰাপত্তাত অৰিহণা যোগাই আহিছে।









কিন্তু সাম্প্ৰতিক কালত বিশ্বৰ বাণিজ্যিক নীতিত সালসলনি ঘটাৰ পৰিপ্ৰেক্ষিতত পূৰ্বোত্তৰ ৰাজ্যকেইখনৰ জৈৱ-বৈচিত্ৰ্যৰ ক্ষেত্ৰত এক সংকটে দেখা দিয়াৰ উপক্ৰম হৈছে। সেইটো হ'ল বিশ্ব বাণিজ্যিক সংস্থা বা 'World Trade Organization'ৰ পৃষ্ঠপোষকতাত 'Trade Related Intellectual Property Rights' (TRIPS), কমাৰ্চিয়েলাইজেশ্যন, বায়'প্ৰছপেক্টিং আৰু বায়'ট্ৰেডৰ প্ৰভাৱত বিভিন্ন জনগোষ্ঠীয়ে জৈৱিক সম্পদৰ ওপৰত নিয়ন্ত্ৰণ হেৰুওৱাৰ আৰু জৈৱ বৈচিত্ৰ্যত স্খলন ঘটাৰ সম্ভাৱনা। যাৰ ফলত জনগোষ্ঠীৰ জীৱন নিৰ্বাহ প্ৰণালীত কঠিন সংকটে দেখা দিব পাৰে।

পূৰ্বোত্তৰৰ জনসাধাৰণে নিৰোগী আৰু উৎসাহী জীৱন এটাৰ বাবে প্ৰয়োজনীয় খাদ্য সামগ্ৰী বৰ্তমান ক্ষুদ্ৰ খেতিয়কে পৰম্পৰানুসাৰে থলুৱা কৃষিক্ষেত্ৰৰ পৰা আহৰণ কৰা বীজ তথা বতৰ আৰু বৰষুণৰ ওপৰত নিৰ্ভৰ কৰা কৃষিৰ দ্বাৰা পাই



আহিছে। এই কৃষি সামগ্ৰীৰ প্ৰায় ৯০ শতাংশ থলুৱা জৈৱিক সম্পদ, অৰ্থাৎ থলুৱা বীজ বা পুলি-পোখাৰ পৰা উৎপন্ন কৰা সম্পদ। পুৰুষানুক্ৰমে থলুৱা জনগোষ্ঠীয়ে আঁকোৱালি লোৱা এনে এটা জীৱন ধাৰণৰ প্ৰণালীক বিশ্ব বাণিজ্যিক সংস্থাই বিচৰা ধৰণে সলনি কৰি পেলোৱাৰ যুক্তি নাইবা প্ৰয়োজন হয়তো থাকিব পাৰে। কিন্তু স্থানীয় জনগোষ্ঠীৰ বাবে তেনে এটা পৰিৱৰ্তিত প্ৰণালী সুপৰিকল্পিত হ'ব লাগিব আৰু সাৱধানেৰে ৰূপায়ণ কৰিব লাগিব, যাতে তাক স্থানীয় পৰিৱেশ আৰু পৰিস্থিতিয়ে গ্ৰহণ কৰিব পাৰে আৰু প্ৰচলিত প্ৰণালীৰ লগত খাপ খাব পাৰে। বহনক্ষম (sustainable) খাদ্য উৎপাদন আৰু খাদ্য নিৰাপত্তাৰ বাবে জৈৱ-বৈচিত্ৰ্য অপৰিহাৰ্য। জৈৱ-বৈচিত্ৰ্যত স্খলন ঘটিলে প্ৰকৃতিতন্ত্ৰত অস্থিৰতা আহিব পাৰে আৰু পৰিৱেশৰ ক্ষতিসাধন হ'ব পাৰে। যাৰ ফলত বহনক্ষম খাদ্য উৎপাদনত প্ৰভাৱ পৰিব পাৰে, জৈৱ-বৈচিত্ৰ্যত জনগোষ্ঠীয়ে নিয়ন্ত্ৰণ হেৰুৱাব পাৰে আৰু তাৰ উপলব্ধত বিঘিনি ঘটিব পাৰে। যিহেতু মানুহৰ জীৱন নিৰ্বাহৰ প্ৰয়োজনীয় খাদ্য সামগ্ৰী, ৰোগ নিৰাময়ৰ ঔষধ, আবাসৰ বাবে গৃহ আৰু সুখ-শান্তিৰ বাবে লগা উপাদানবোৰ জৈৱ-বৈচিত্ৰ্যৰ পৰাই আহৰণ কৰা হয়, বৈচিত্ৰ্যৰ ক্ষতি নাইবা স্খলন ঘটিলে মানুহৰ জীৱন নিৰ্বাহ প্ৰণালীলৈ ভয়াৱহ পৰিস্থিতি আহিব পাৰে।

১৯৭০ চনৰ ৰিয়' ডিক্লাৰেশ্যন আৰু কনভেনশ্যন অন্ বায়'ল'জিকেল ডাইভাৰ্ছিটী, চমুকৈ CBD বুলি কোৱা ৰাষ্ট্ৰসংঘৰ এই দুয়োখন লেখাই (instrument) জৈৱ-বৈচিত্ৰ্যক পৃথিৱীৰ অগণন জনতাৰ বাবে জীয়াই থকাৰ সমলৰূপে স্বীকৃত কৰিছে। কিন্তু বিশ্ব বাণিজ্যিক সংস্থাৰ Trade Related Intellectual Property Rights নামৰ চুক্তিখনে স্থানীয় জনগোষ্ঠীৰ জৈৱ-বৈচিত্ৰ্য সম্পৰ্কে থকা ব্যৱহাৰিক জ্ঞান, প্ৰযুক্তিবিদ্যা, সংস্কৰণ পদ্ধতি (innovation) আৰু প্ৰয়োগবিধিক (practices) স্বীকৃতি দিয়া নাই আৰু বৌদ্ধিক মালিকীস্বত্ব বা Intelectual Property Rights (IPR)ৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই, অৰ্থাৎ IPRৰ দ্বাৰা সুৰক্ষিত কৰা হোৱা নাই। যাৰ বাবে অদূৰ ভৱিষ্যতত থলুৱা জনগোষ্ঠীয়ে তাৰ ফল ভুগিব লগা হ'ব পাৰে। কিন্তু ওপৰত কৈ অহা ৰাষ্ট্ৰসংঘৰ CBD নামৰ ডকুমেণ্টখনে থলুৱা জনগোষ্ঠীৰ জৈৱ-বৈচিত্ৰ্যৰ সংস্কৰণ পদ্ধতি আৰু ব্যৱহাৰ প্ৰণালীক জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ হেতু অতি প্ৰয়োজন বুলি উল্লেখ কৰিছে।

বৰ্তমান সময়ত বিশ্ব বাণিজ্যিক সংস্থাত ভাৰতৰ প্ৰভাৱ থাকিলেও আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতক এখন দুৰ্বল দেশ বুলিয়েই গণ্য কৰে আৰু নিজ স্বাৰ্থ পূৰণৰ হেতু নানা সুবিধা যুগুতাই ল'ব বিচাৰে। আমেৰিকাৰ বাবে বৰ্তমান কালৰ এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল ভাৰতৰ কৃষি বজাৰখন বিশ্বৰ বাবে মুকলি কৰি দিয়াটো। ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ৭৮ শতাংশই ক্ষুদ্ৰ খেতিয়ক। তেওঁলোক কৃষিৰ ওপৰতে নিৰ্ভৰশীল আৰু চৰকাৰে প্ৰদান কৰা কৃষি ৰেহাইৰ ওপৰত আজিও নিৰ্ভৰ কৰিবলগা হয়। তদুপৰি থলুৱা জৈৱিক সম্পদৰ পৰা আহৰণ কৰা সামগ্ৰীয়েই হ'ল তেওঁলোকৰ দৈনন্দিন খাদ্যৰ তালিকাভুক্ত আহাৰ। এনেকুৱা পৰিস্থিতিত ভাৰতৰ কৃষি বজাৰখন বিশ্বৰ বাবে মুকলি হৈ পৰিলে পূৰ্বোক্তৰ জনগোষ্ঠীকে ধৰি সমগ্ৰ ভাৰতীয় জনগোষ্ঠীৰ খাদ্য আহৰণ প্ৰণালীত গভীৰ সংকট আহি পৰিব।

বিশ্বায়নৰ নেতিবাচক প্ৰভাৱবোৰ প্ৰতিহত কৰিবলৈ

আত্মনিয়ন্ত্ৰণৰ প্ৰয়োজন। এই উদ্দেশ্যে পূৰ্বোত্তৰৰ ৰাজ্যকেইখনে সমূহীয়া প্ৰচেষ্টাত আৰু আঞ্চলিক ভিত্তিত উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ-বৈচিত্ৰ্যৰ ওপৰত অধিকাৰ, জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ, উৎকৰ্ষ সাধন, মূল্যায়ন আৰু পালনক্ষম ব্যৱহাৰৰ অৰ্থে ম'ডেল আইন (model legislation) এখন প্ৰস্তুত কৰি উলিওৱা নিতান্ত প্ৰয়োজন। সেই আইনৰ আৰ্হিত নিজ নিজ ৰাজ্যৰ বাবে সুকীয়া সুকীয়া আইনৰ প্ৰস্তাৱ ল'ব পৰা হ'ব, যাতে ৰাজ্যৰ আইনকেইখনৰ মাজত ভিন্নতা নাথাকে। আইনৰ জৰিয়তে বায়'পাইৰেচী (Biopiracy) ৰোধ কৰিব পৰা হ'ব আৰু বাণিজ্যিক কাৰণত জৈৱিক সম্পদ আহৰণ সন্দৰ্ভত জৈৱ-বৈচিত্ৰ্য ক্ষেত্ৰত প্ৰৱেশ অধিকাৰ (access) পাবলৈ নীতি-নিয়ম আনিব পৰা যাব, যাতে স্থানীয় জনগোষ্ঠীয়ে বাণিজ্যিক লাভালাভৰ পৰা উচিত আৰু সমানুপাত হাৰত লাভাংশ ভোগ কৰিব পাৰে। তদুপৰি অতীজৰে পৰা জনগোষ্ঠীৰ মাজত প্ৰচলিত হৈ অহা জৈৱিক সম্পদৰ ব্যৱহাৰিক জ্ঞান, প্ৰযুক্তিবিদ্যা, সংস্কৰণ পদ্ধতি, প্ৰয়োগবিধি আৰু ব্যৱহাৰ প্ৰণালীক জৈৱ-বৈচিত্ৰ্যৰ পৰিচালনা বা resource management সংক্ৰান্তত আইনৰ দ্বাৰা সুৰক্ষিত কৰি ল'ব পৰা হ'ব। লগতে জনগোষ্ঠীৰ এই পাৰম্পৰিক প্ৰণালীবোৰ TRIPS চুক্তিৰ নেতিবাচক প্ৰভাৱৰ পৰাও সুৰক্ষিত হ'ব। এই ক্ষেত্ৰত চৰকাৰৰ পৰোক্ষ পৃষ্ঠপোষকতাৰ উপৰি চৰকাৰী প্ৰশাসনে সকলো প্ৰকাৰৰ সহায়-সহযোগ আগবঢ়াব পাৰে, যাতে বৈচিত্ৰ্যৰ সংৰক্ষণ হেতু এক থলুৱা সামৰ্থ্যই (local capacity) গঢ় লয়। ইয়াৰ লগতে কৃষি জৈৱ-বৈচিত্ৰ্যকো সাঙুৰি লোৱা উচিত, যাতে কৃষক আৰু বীজ উৎপাদকসকলেও কৃষি জৈৱিক সম্পদত অধিকাৰ সাব্যস্ত কৰিব পাৰে আৰু Genetic Engineering নাইবা Biotechnologyৰ জৰিয়তে হ'ব পৰা নেতিবাচক প্ৰভাৱৰ পৰাও সুৰক্ষিত হ'ব পাৰে। এইখিনিতে ভাৰতবৰ্ষৰ কৃষিক্ষেত্ৰ আৰু বজাৰ দখলৰ উদ্দেশ্যে genetically modified বা BT বেঙেনাৰ লৈ এটা বহুজাতিক কোম্পানীয়ে ভাৰত চৰকাৰৰ অনুমোদন বিচৰা কথাটো উল্লেখ্য। যিবিধ বেঙেনাৰ প্ৰজনন পৰাগৰেণুৰ দ্বাৰা অচিৰেই দেশখনৰ কৃষিভূমিৰ পৰা থলুৱা বেঙেনা প্ৰজাতিৰ বিলুপ্তি ঘটাব পাৰে আৰু লগতে ভাৰতীয় জনগোষ্ঠীৰ সৈতে পূৰ্বোত্তৰৰ জনগোষ্ঠীৰ জীৱন নিৰ্বাহ প্ৰণালীকো বিপন্ন কৰি তুলিব পাৰে।

যি কি নহওক, ৰাষ্ট্ৰসংঘই তেওঁলোকৰ সন্মিলনত লোৱা সিদ্ধান্ত অনুসৰি কেইবাখনো ডকুমেণ্টৰ যোগেদি সদস্য ৰাষ্ট্ৰকেইখনক জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ, প্ৰতিপালন আৰু পালনক্ষম ব্যৱহাৰ সন্দৰ্ভত গুৰুত্বসহকাৰে নিৰ্ণায়কৰ ভূমিকা ল'বলৈ নিৰ্দেশ কৰিছে। তদুপৰি জৈৱ-বৈচিত্ৰ্যৰ পৰিচালনা সংক্ৰান্তত নীতি-নিয়ম আনিবলৈ পৰামৰ্শ আগবঢ়াইছে আৰু সেই উদ্দেশ্যে এখন ম'ডেল ৰেগুলেশ্যন যুগুতাই উলিয়াইছে আৰু তাৰ আৰ্হি ল'বলৈ সকলো ৰাষ্ট্ৰকেই আহ্বান জনাইছে। আগতে উল্লেখ কৰা 'ৰিয়' ডিক্লাৰেশ্যন' আৰু 'CBD' এই দুয়োখন ডকুমেণ্টে সদস্য ৰাষ্ট্ৰৰ জনগণৰ সৰ্বোচ্চ অধিকাৰ (Sovereign Rights), তেওঁলোকৰ জৈৱিক সম্পদৰ প্ৰতি থকা দায়-দায়িত্ব আৰু জৈৱ-বৈচিত্ৰ্যৰ পৰা হ'ব পৰা বাণিজ্যিক লাভালাভৰ উচিত আৰু সমানুপাত লাভাংশ স্থানীয় জনগোষ্ঠীয়ে



ভোগ কৰিব পৰা বিষয়ত অনুমোদন জনাইছে। বাণিজ্যিক ব্যৱহাৰৰ হেতু জৈৱ-বৈচিত্ৰ্য ক্ষেত্ৰত প্ৰৱেশ অধিকাৰৰ অনুমতি বিষয়ত 'CBD'আৰু প্ৰ'টক'ল অন্‌বায়'হেফটী এই ডকুমেণ্ট দুখনে সদস্য ৰাষ্ট্ৰসমূহে কেনে প্ৰকাৰে নীতি-নিয়ম অনা উচিত সেই বিষয়ে ম'ডেল ৰেগুলেশ্যন এখন যুগুতাই দিছে আৰু সেই বিষয়ত ডকুমেণ্ট দুখনত বিস্তাৰিত ব্যাখ্যা আৰু নিৰ্দেশনা আগবঢ়াইছে। তদুপৰি ৰাষ্ট্ৰসংঘৰ ফুড্ এণ্ড এগ্ৰিকালচাৰেল অৰ্গেনাইজেশ্যনৰ (FAO) অন্তৰ্গত International Undertaking on Plant Genetic Resource চমুকৈ FAO-IU নামৰ ডকুমেণ্টখনৰ অনুশুধিত পৰিচ্ছেদকেইটাই থলুৱা জনগোষ্ঠীৰ জৈৱিক সম্পদৰ অধিকাৰ, তেওঁলোকৰ দায়-দায়িত্ব, পাৰম্পৰিকতা তথা প্ৰত্যাভূতি (guarantee) সম্পৰ্কে বিস্তাৰিতভাৱে ব্যাখ্যা দাঙি ধৰিছে। এই ডকুমেণ্টখনত WTOৰ TRIPS চুক্তিৰ অন্তৰ্নিহিত অনিশ্চয়তা আৰু অস্পষ্টতাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰসমূহে নিজকে সুৰক্ষিত কৰি লোৱাৰ বিষয়ে উল্লেখ আছে আৰু ৰাষ্ট্ৰসমূহক সেই উদ্দেশ্যে নিজ নিজ ব্যৱস্থা কৰি ল'বলৈ পৰামৰ্শ আগবঢ়াইছে। ইয়াৰ উপৰি ১৯৮৯ চনৰ 'International Labour Organisation' (ILO)ৰ কন্‌ভেনশ্যনখনেও ৰাষ্ট্ৰসমূহৰ স্থানীয় জনগোষ্ঠীক নিজস্ব উন্নয়নমূলক কামত সিদ্ধান্ত ল'বলৈ আহ্বান জনাইছে। এই পৰিপ্ৰেক্ষিতত বৈচিত্ৰ্য ক্ষেত্ৰত প্ৰৱেশ অধিকাৰ সন্দৰ্ভত নীতি-নিয়ম আনিবলৈ থলুৱা জনগোষ্ঠীয়ে গুণগতভাৱে অংশ লোৱাটো নিতান্ত প্ৰয়োজন।

ৰাষ্ট্ৰসংঘৰ এই নিৰ্দেশনাৰ পৰিপ্ৰেক্ষিতত (Perspective) আফ্ৰিকান দেশসমূহৰ সংঘ অৰ্গেনাইজেশ্যন অব্ আফ্ৰিকান ইউনিয়নে (Organization of African Union, OAU) আফ্ৰিকাৰ দেশসমূহৰ বাবে প্ৰস্তুত কৰি উলিওৱা ম'ডেল আইনখন মন কৰিবলগীয়া। আফ্ৰিকান দেশসমূহে এই ম'ডেল আইনখনৰ আৰ্হিত প্ৰতিষ্ঠা কৰি লোৱা নিজ নিজ 'Community Genetic Resource & Technological Development Trust' নামৰ একোটা ন্যাসৰ জৰিয়তে এই বিষয়বোৰত অতি প্ৰশংসনীয় ধৰণে আগবাঢ়িবলৈ সক্ষম হৈছে। তেওঁলোকে ন্যাসৰ জৰিয়তে বিভিন্ন জনগোষ্ঠী আৰু চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজত সমন্বয় ৰক্ষা কৰি অহাৰ উপৰি বাণিজ্যিক কাৰণত জৈৱিক সম্পদ আহৰণ সন্দৰ্ভত প্ৰৱেশ অধিকাৰ সম্বন্ধে নীতি-নিয়ম আনিবলৈ সক্ষম হৈছে, যাতে জৈৱিক সম্পদৰ পৰা হ'ব পৰা বাণিজ্যিক লাভালাভত স্থানীয় জনগোষ্ঠীয়ে উচিত লাভাংশ ভোগ কৰিব পাৰে। আফ্ৰিকান দেশসমূহে তাক কাৰ্যকৰী কৰিবলৈ একোটাকৈ 'Community Gene Fund'ৰ ব্যৱস্থা কৰি লৈছে। এই ফাণ্ডত জমা হোৱা ধন জনগোষ্ঠীৰ স্থানীয় উন্নয়নৰ কামত ব্যৱহাৰ কৰা হয়।

আফ্ৰিকান ম'ডেল আইনখনৰ এটা গুৰুত্বপূৰ্ণ অনুচ্ছেদ হৈছে জনগোষ্ঠীৰ জৈৱ-বৈচিত্ৰ্যত থকা অধিকাৰ (স্বত্ব) সম্বন্ধে এটা Inalienibilityৰ তত্ত্ব গ্ৰহণ। অৰ্থাৎ জৈৱ-বৈচিত্ৰ্যত থকা অধিকাৰক কোনো কাৰণতেই জনগোষ্ঠীয়ে সলনি বা স্থানান্তৰ কৰিব নোৱাৰিব। তদুপৰি যিসকলে বাণিজ্যিক কাৰণত আফ্ৰিকান জৈৱিক সম্পদ সংগ্ৰহ কৰিব খোজে তেওঁলোকে সেই সম্পদ অথবা সেই সম্পদৰ পৰা উৎপন্ন হ'ব পৰা সামগ্ৰীৰ বাবে পেটেণ্ট বিচাৰিব নোৱাৰিব। এই অনুচ্ছেদটোৰ যোগেদি জৈৱ-বৈচিত্ৰ্যৰ অনুচিত ব্যৱহাৰ আৰু বায়'পাইৰেচী ৰোধ কৰিব পৰা যাব বুলিও কোৱা হৈছে। বাৰ্চিল'নাত অৱস্থিত 'Genetic Resource Action International' (GRAIN) নামৰ এন জি অ'টোৱে আফ্ৰিকান ইউনিয়নৰ এই ম'ডেল আইনখনক ভূয়সী প্ৰশংসা কৰিছে আৰু বিশ্বৰ আন আন দেশকো তাৰ আৰ্হি ল'বলৈ আহ্বান জনাইছে।

২০০৫ চনতে ভাৰতৰ ৰাজ্যকেইখনত নিজ নিজ জৈৱ-বৈচিত্ৰ্য সুৰক্ষিতকৰণৰ উদ্দেশ্যে বিধান সভাত সুকীয়া সুকীয়া বিধেয়ক উত্থাপন কৰা হ'ব বুলি বাতৰি এটা ওলাইছিল। অসমতো তেনে এটা প্ৰস্তাৱ বিধান সভাত লোৱাৰ কথা আছিল। ইয়াৰ পিছত কি হ'ল তাৰ বাতৰি অৱশ্যে পাবলৈ নাই। বোধকৰো সেই প্ৰস্তাৱৰ কথা ৰসাতলে গ'ল নতুবা ধোঁৱাচাঙত উঠিল। এই সন্দৰ্ভত ৰাজ্যৰ অধিবক্তা, ৰাজনৈতিক কৰ্মী, সমাজ কৰ্মী, বেচৰকাৰী অনুষ্ঠান, জীৱবিজ্ঞানী গোষ্ঠী,

কৃষক আৰু কবিৰাজ সংঘ আদিয়ে এই প্ৰচেষ্টাত আগবাঢ়ি অহা উচিত। যিহেতু ৰাষ্ট্ৰসংঘই জনগোষ্ঠীক (State Community) তেওঁলোকৰ নিজ নিজ জৈৱিক সম্পদৰ কল্যাণৰ হকে আগবাঢ়ি আহিবলৈ সৰ্বতোপ্ৰকাৰে উদ্দীপনা যোগাই আহিছে, সেয়ে বহুতো ৰাষ্ট্ৰই তেওঁলোকৰ জাতীয় আইনখনত বিভিন্ন জনগোষ্ঠীৰ অধিকাৰক সমূহীয়া অধিকাৰ বুলি অভিহিত কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বসবাস কৰি অহা জনগণৰ মাজত থকা বিভিন্ন জনগোষ্ঠীয় চৰিত্ৰ, চহকী সংস্কৃতি আৰু উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা জৈৱিক সম্পদৰ পৰিপ্ৰেক্ষিতত গোষ্ঠীগত অধিকাৰ গুৰুত্বপূৰ্ণ। তথাপি পূৰ্বোত্তৰৰ জনগোষ্ঠীৰ জৈৱ-বৈচিত্ৰ্যৰ সন্দৰ্ভত থকা সমূহীয়া ব্যৱহাৰিক জ্ঞান, প্ৰযুক্তিবিদ্যা, প্ৰয়োগবিধি আৰু ব্যৱহাৰ প্ৰণালী আদি তেওঁলোকৰ পূৰ্বপুৰুষে পাৰম্পৰিক প্ৰথাৰে চলাই অহা পৰীক্ষা-নিৰীক্ষাৰ ফল— যিবোৰ বৰ্তমানৰ পুৰুষে ভোগ কৰি অহাৰ উপৰি উত্তৰ পুৰুষৰ হাতত গতাবলৈ সাঁচি থৈছে। পূৰ্বোত্তৰৰ জনগোষ্ঠীৰ এনে এক অধিকাৰক নিশ্চিত কৰিবলৈ আমাৰ চৰকাৰ দায়বদ্ধ।



আমাৰ দেশত জৈৱ-বৈচিত্ৰ্যৰ নিৰাপত্তা বিষয়ত আইনী ব্যৱস্থা নোহোৱাত উন্নত দেশ আৰু বহুজাতিক কোম্পানীৰ স্বাৰ্থক প্ৰতিহত কৰিব পৰা নাযায়। সাম্প্ৰতিক কালৰ বহু উন্নয়নশীল দেশৰ এটা সংকট হৈছে জৈৱিক সম্পদৰ অনুচিত আৰু অসমানুপাত ব্যৱহাৰ। জৈৱ-বৈচিত্ৰ্যৰ নিয়ন্ত্ৰণ বিষয়ত উচিত শাসন ব্যৱস্থা নোহোৱাত আৰু বায়'পাইৰেচী প্ৰতিৰোধক অধিনিয়মৰ অভাৱত সেই দেশসমূহে জৈৱিক সম্পদৰ পৰা হ'ব পৰা প্ৰচুৰ উপাৰ্জনৰ পৰা বঞ্চিত হৈ আহিছে।

কিছু বছৰ পূৰ্বে আফ্ৰিকাৰ বাতৰি কাকতত শিৰোনাম দখল কৰা তেনেকুৱা এটা ঘটনা আছিল কালাহাৰী মৰুভূমিৰ 'হুদিয়া' কেক্‌টাছ সন্দৰ্ভত। পুৰুষানুক্ৰমে আফ্ৰিকাৰ স্থান জনগোষ্ঠীয় লোকে হুদিয়া কেক্‌টাছৰ টুকুৰা কেইটামান খাই ভোক-পিয়াহ দূৰ কৰে। দক্ষিণ আফ্ৰিকাৰ Council of Scientific and Industrial Research (CSIR) নামৰ সংস্থাটোৱে তেওঁলোকৰ বিজ্ঞানাগাৰত কৰা অনুসন্ধানমৰ্মে ভোক-পিয়াহ দূৰ কৰিব পৰা হুদিয়া কেক্‌টাছত থকা অণুটো বিচাৰি উলিয়াই তাৰ ব্যৱহাৰিক আৰু বাণিজ্যিক স্বত্বটো এটা বহুজাতিক ঔষধ কোম্পানীক এণ্টি অ'বেছিটি ঔষধ এটা প্ৰস্তুত কৰিবলৈ বহু নিযুত ডলাৰত বিক্ৰী কৰিছিল। স্থান জনগোষ্ঠীয়ে আপত্তি কৰিছিল আৰু আবেদন দাখিল কৰিছিল। এটা দীঘলীয়া বিচাৰৰ অন্তত ২০০৩ চনত CSIR নামৰ সংস্থাটোৱে লাভ কৰা ৰ'য়েল্‌টিৰ ধনৰ ক্ষেত্ৰত স্থান জনগোষ্ঠীৰ লগত অংশীদাৰ হ'বলৈ মান্তি হ'ল। স্থানীয় জনগোষ্ঠীৰ ব্যৱহাৰিক জ্ঞানৰ পৰা উদ্ভাৱন হোৱা বাণিজ্যিক লাভালাভত থলুৱা জনগোষ্ঠীয়েও তাৰ আইনসংগত অংশীদাৰ হ'ব পৰাটো এটা দৃষ্টান্ত হৈ আছে।

তাৰ আগতে ২০০২ চনত জোহানছবাৰ্গত অনুষ্ঠিত হোৱা 'Second South Biopiracy Summit'খনত এই বিষয়বোৰক লৈ গুৰুত্বপূৰ্ণ আলোচনা হৈছিল। সেইখন আফ্ৰিকান শীৰ্ষ সন্মিলনৰ পৰা ওলোৱা ফেক্ট শ্বিটখনৰ পৰা কেইবাটাও বহুজাতিক কোম্পানীয়ে আফ্ৰিকান প্লেণ্ট জেনেটিক ৰিছ'চৰ বিভিন্ন প্ৰজাতিৰ বাবে শ শ পেটেণ্টৰ আবেদন কৰিছিল বুলি বাতৰি ওলাইছিল।

এছীয় দেশসমূহত জৈৱ-বৈচিত্ৰ্যৰ নিৰাপত্তা সন্দৰ্ভত কোনো ধৰণৰ আইন প্ৰণয়ন এতিয়ালৈ কৰা হোৱা নাই। ভাৰত International Convention on Biological

Diversity (CBD)ৰ এখন স্বাক্ষৰিত দেশ। তদুপৰি বিশ্ব বাণিজ্যিক সংস্থা (WTO) আৰু ৰাষ্ট্ৰসংঘৰ কেইবাখনো দলিল, যেনে, 'Agreement on Trade Related Intellectual Property Rights' (TRIPS), 'Global Plan of Action for Sustainable Utilization of Plant Genetic Resource for Food and Agriculture', 'International Undertaking on Plant Genetic Resource for Food and Agriculture'খনৰ উপৰি 'Biosafety Protocol'খনৰ অধীন। তথাপি স্থানীয় জনগোষ্ঠীৰ জৈৱিক সম্পদৰ অধিকাৰ নিশ্চিত কৰিবলৈ আৰু জৈৱ-বৈচিত্ৰ্যৰ নিৰাপত্তা আনিবলৈ কোনো ধৰণৰ বিস্তাৰিত জাতীয় আইন ভাৰতবৰ্ষত কৰা হোৱা নাই। যদিও এখন 'Patenting Act'বা 'Sui Generis Legislation' আছে সেয়াই যথেষ্ট নহয়। লেজিচ্‌লেশ্যনৰ মূল উদ্দেশ্য হৈছে জৈৱ-বৈচিত্ৰ্যৰ উৎকৰ্ষ সাধন, সংৰক্ষণ, মূল্যায়ন আৰু বহনক্ষম ব্যৱহাৰ নিশ্চিতকৰণ। তদুপৰি থলুৱা জনগোষ্ঠীৰ ব্যৱহাৰিক জ্ঞান, প্ৰযুক্তিবিদ্যা, সংস্কৰণ পদ্ধতি আৰু প্ৰয়োগবিধি স্বীকৃত কৰা, যাতে থলুৱা জনগোষ্ঠীৰ পাৰম্পৰিক প্ৰণালীবোৰ সুৰক্ষিত হয় আৰু লগতে জৈৱ-বৈচিত্ৰ্যও সুৰক্ষিত হ'ব পাৰে। বৰ্তমান সময়ত ভাৰতে ২০১২ চনৰ অক্টোবৰ মাহত আমাৰ দেশত অনুষ্ঠিত হ'ব লগা COP-II বায়'ল'জিকেল ডাইভাৰচিটি কনভেনশ্যনখনত (CBD) প্ৰকাশ কৰাৰ উদ্দেশ্যে বিলুপ্তিৰ গৰাহত থকা উদ্ভিদ আৰু প্ৰাণী প্ৰজাতিৰ দুখন 'ৰেড্‌লিষ্ট' প্ৰস্তুত কৰিবলৈ লৈছে। আমাৰ দেশত জৈৱ-বৈচিত্ৰ্যক সুৰক্ষিত কৰিবলৈ আন একো নকৰি হাত সাৱটি বহি থাকিলে আগলৈও এনে ৰেড্‌লিষ্ট প্ৰকাশ হৈ থাকিব।

অৰ্গেনাইজেশ্যন অৱ্‌ আফ্ৰিকান ইউনিয়নে প্ৰণয়ন কৰা জৈৱ-বৈচিত্ৰ্য সন্দৰ্ভত ম'ডেল আইনখনৰ প্ৰচেষ্টাই উন্নত দেশসমূহৰ প্ৰভুত্বক প্ৰত্যাহ্বান জনোৱাৰ উপৰি আফ্ৰিকান দেশসমূহৰ ৰাজনীতিত নতুন গতিশীলতা আনিছিল। আফ্ৰিকান প্ৰচেষ্টাৰ সূত্ৰপাত হয় ১৯৯৭ চনত, যেতিয়া TRIPS চুক্তি আৰু CBD এই ডকুমেণ্ট দুখনৰ চৰ্তসমূহৰ দায়িত্ব পালনৰ অৰ্থে আফ্ৰিকান গ্ৰুপে আফ্ৰিকান দেশসমূহক সহায়-সহযোগিতা আগবঢ়াইছিল। CBDখনে স্থানীয় জনগোষ্ঠীৰ পৰম্পৰাৰ ৰক্ষণাবেক্ষণৰ হেতু আৰু জৈৱ-বৈচিত্ৰ্যৰ ব্যৱহাৰ সন্দৰ্ভত ৰেগুলেশ্যন অনা বিষয়ত সদস্য ৰাষ্ট্ৰকেইখনক নিৰ্দেশ দিছে আৰু জৈৱিক সম্পদত জনগোষ্ঠীৰ অধিকাৰক স্বীকৃতি দিছে। কিন্তু বিশ্ব বাণিজ্যিক সংস্থাৰ চুক্তিয়ে বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ ব্যৱহাৰ সন্দৰ্ভত অধিকাৰ সাব্যস্ত কৰিবলৈ বৌদ্ধিক মালিকী স্বত্ব, অৰ্থাৎ IPRৰ দ্বাৰা পেটেণ্ট নাইবা ছুই জেনেৰিছ (Sui-Generis) পদ্ধতিৰেহে স্বত্ব পোৱাৰ কথা কৈছে। ছিয়েটলত অনুষ্ঠিত হোৱা WTO সন্মিলনত আফ্ৰিকান গ্ৰুপে আগভাগ লৈ জৈৱিক আকাৰ বা Life formৰ ওপৰত পেটেণ্ট প্ৰথা প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা বিষয়ত তুমুল আপত্তি কৰিছিল আৰু জৈৱ-বৈচিত্ৰ্যৰ ওপৰত থলুৱা জনগোষ্ঠীৰ অধিকাৰক বিশ্ব বাণিজ্যিক সংস্থাই IPRৰ অন্তৰ্ভুক্ত কৰি সুৰক্ষিত কৰিবলৈ দাবী তুলি দৃঢ় স্থিতি লৈছিল। পৰৱৰ্তী WTO সন্মিলনকেইখনতো এই দাবীবোৰক লৈ তেওঁলোকে পূৰ্বৰ স্থিতিত অটল হৈ আছে।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ জনগণে তেওঁলোকৰ জৈৱ-বৈচিত্ৰ্যৰ ওপৰত কেনেকৈ অধিকাৰ সাব্যস্ত কৰিব পৰা যায় আৰু কেনেধৰণে জৈৱ-বৈচিত্ৰ্যৰ নিৰাপত্তা নিশ্চিত কৰিব পৰা যায় সেই বিষয়ে ব্যৱস্থা লোৱাত পলম হৈছে। তদুপৰি ৰাজ্যকেইখনৰ কৃষি সম্পদ আৰু তাৰ আনুষংগিক বিষয়বোৰত কি কৰা যায় আৰু কেনে ধৰণে কৰা যায় তাৰ ব্যৱস্থা কৰাৰো সময় পাৰ হৈ গৈছে। ●

*শ্ৰী আৰ. চি. শইকীয়া বি আৰ পি এলৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া। বাতৰি কাকতত বিভিন্ন বিষয়ৰ নিয়মীয়া লেখক। অধ্যয়ন আৰু ভ্ৰমণ পিপাসু শইকীয়া ৰাজ্যৰ বিভিন্ন উন্নয়নমূলক সংগঠনৰ লগত জড়িত। তেখেতৰ ম'বাইল নম্বৰ ঃ ৯৬৭৮৬-৫৪৫৪২।*

# সংকুচিত বনাঞ্চল আৰু হস্তী-মানৱ সংঘৰ্ষ



চিদা দাস

বানপানী, খহনীয়া, চোৰাং কাৰবাৰ, বেদখল আৰু সৰ্বোপৰি ৰাজনৈতিক চাতুৰী তথা চৰকাৰী হেমাহি আদি বিভিন্ন কাৰণত অসমৰ বনাঞ্চল অৱক্ষয়ৰ মাত্ৰা দিনক দিনে বাঢ়িয়েই আছে। একবিংশ শতিকাৰ আৰম্ভণিতে প্ৰকাশিত এক চৰকাৰী তথ্য অনুসৰি অসমৰ মুঠ ২০২৭১.৫৭ বৰ্গ কিলোমিটাৰ বনাঞ্চলৰ ৩০ শতাংশই বেদখলকাৰীৰ গৰাহত। বেচৰকাৰী ভাষ্য মতে এই অংক কমেও ৫০ শতাংশ। দেশী-বিদেশী দখলকাৰীৰে ভৰি পৰিছে বনাঞ্চল। National Biodiversity Strategy and Action Planৰ আধাৰত গঠিত অসমৰ ৰাজ্যিক কমিটীয়ে ২০০২ চনত কৰা সমীক্ষা মতে কুৰি শতিকাৰ শেষ চতুৰ্থাংশ সময়খিনিত অসমৰ ৯০০০ বৰ্গ কিলোমিটাৰ বনাঞ্চল বানপানী আৰু খহনীয়াত ধ্বংস হৈছে। স্বাধীনতাৰ পিছৰ ৫৩ বছৰত অসমৰ পাৰ্বত্য জিলা দুখনৰ ২৬০০ বৰ্গ কিলোমিটাৰ বনাঞ্চল ঝুমখেতিৰ কাৰণে আৰু অন্যান্য অঞ্চলৰ ২২০০ বৰ্গ কিলোমিটাৰ চাহ খেতিৰ বাবে ব্যৱহৃত হৈছে। চৰকাৰী-বেচৰকাৰী উদ্যোগ, ব্যৱসায় ক্ষেত্ৰ আৰু ভিন ভিন কৃষি কাৰ্যত ব্যৱহাৰ হোৱা বনভূমিৰ হিচাপ ইয়াত ধৰা হোৱা নাই। অসম-অৰুণাচল সীমান্তৱৰ্তী ৰঙা, পভা, কাকৈ, দুলোং, সোৱণশিৰি, জিয়াঢল, গহপুৰ, বিহালী, ছয়দুৱাৰ, নদুৱাৰ, চাৰিদুৱাৰ, শিঙৰীজান, চিচি, চিমন, ডিমৌ আদি ঠাইৰ ভালেমান অঞ্চল অৰুণাচলীৰ দখললৈ যোৱাৰ কথা প্ৰকাশ পাইছে। সেইদৰে নগালেণ্ড সীমান্তৰ গোলাঘাট, শিৱসাগৰ আৰু কাৰ্বি আংলং জিলাৰ বহু অংশও গৈছে নগালেণ্ডৰ দখললৈ। অসম-মেঘালয় সীমাতো আছে তেনেকুৱা সমস্যা। ৰাজনৈতিক কাৰণতে এইবোৰ সমস্যা গাপ দি ৰখা হৈছে। আনকি কাজিৰঙা, মানাহ, নামেৰী আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু লাওখোৱা, পবিতৰা, বৰনদী, সোনাই, সোণাই-ৰূপাই অভয়াৰণ্য আদিৰো বৃহদাংশ সকলোৰে চকুৰ আগতে বেদখলকাৰীয়ে গ্ৰাস কৰিছে। শুনিলে আচৰিত হ'ব লাগে যে গুৱাহাটীৰ গাতে লাগি থকা থি দীপৰ বিলৰ বিস্তৃতি এসময়ত ৪০ বৰ্গকিলোমিটাৰ আছিল, তাত এতিয়া মাত্ৰ চাৰি বৰ্গকিলোমিটাৰমানহে আছেগৈ। অৰ্থাৎ এটা বৃহৎ অংশ ইতিমধ্যে অবৈধ প্ৰথাৰে দখল লোৱাসকলৰ অধীনলৈ গৈছে। সেইখন তালিকাত প্ৰভাৱশালী আৰু প্ৰখ্যাত ব্যক্তিৰ নামৰ সংখ্যা বৰ তাকৰ নহয় বুলি শুনা যায়।

আদিম কালৰে পৰা নিজকে জীৱশ্ৰেষ্ঠ বুলি দাবী কৰি অহা মানুহে এতিয়া নিজৰ সুখ-সম্ভোগৰ স্বাৰ্থত প্ৰকৃতিৰ ওপৰত অবাধ দমন আৰু লুণ্ঠন কাৰ্য চলাই প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট কৰি আছে। জনকল্যাণ, প্ৰগতি আৰু প্ৰতিৰক্ষাৰ নামত বন্য জগতখনক বঞ্চিত কৰিছে ঈশ্বৰপ্ৰদত্ত অধিকাৰৰ পৰা। আধুনিক বিজ্ঞানে প্ৰদান কৰা মতলীয়া ঘোঁৰাত উঠি বায়ুবেগে আগুৱাইছে কল্পনা-মধুৰ অনিশ্চিত ভৱিষ্যতৰ দিশে— আই ধৰিত্ৰীৰ ৰসাল বুকু বিষাক্ত কৰি নৰ প্ৰজন্মৰ ভৱিষ্যৎ অন্ধকাৰ কৰিছে। বিশ্বজুৰি সংঘটিত হোৱা পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তনৰ ভয়াৱহ পৰিস্থিতিয়েও কাকো ক্ষান্ত কৰিব পৰা নাই।

বিগত শতিকাটোত কিমান প্ৰজাতিৰ গছ-বন আৰু জীৱ-জন্তু মানুহৰ অত্যাচাৰত বিলুপ্ত হৈ গ'ল, তাৰ প্ৰকৃত হিচাপ উলিওৱাটো সহজ নহয়। তথাপি প্ৰকৃতিবিদসকলে অনুমান কৰা মতে ভাৰতত থকা ১২০০ প্ৰজাতিৰ পক্ষীৰ ভিতৰত কমেও ৭৮বিধ আৰু অসমৰ ৪৮০বিধৰ ভিতৰত কমেও ৪০বিধ

বিলুপ্ত হৈছে। কুৰি শতিকাৰ আৰম্ভণিতে ভাৰতত বাঘৰ সংখ্যা আছিল ৪০ হেজাৰ, ১৯৮৯ চনৰ গণনা মতে ৪৩৩৪, ২০০১ চনৰ গণনা মতে ৩৮০০ আৰু শেহতীয়া গণনামতে পোন্ধৰশও নহয়গৈ। বিচৰণ ভূমি আৰু খাদ্যৰ অভাৱত বিনাশ হোৱা জীৱ-জন্তুৰ পৰিণতিৰ উমান এই উদাহৰণৰ পৰাই অনুধাৱন কৰিব পাৰি। বিজ্ঞানৰ অগ্ৰগতিয়ে মানুহক যিমানখিনি দিছে, তাৰ বহুগুণে বেছি ক্ষতি কৰিছে আমাৰ চতুৰ্দিশৰ বন্য জগতখনৰ। ইপিনে অবাৰিত হাৰত বৃদ্ধি পাইছে মানুহৰ জনসংখ্যা, যাৰ কাৰণে প্ৰয়োজন হৈছে অতিৰিক্ত বাসস্থান আৰু কৰ্মস্থানৰ। চৰকাৰী শিথিলতা আৰু আমাৰ উদাৰতাই আমদানি কৰিলে লাখ লাখ বহিৰাগতৰ। জধে-মধে অধিকাৰ কৰি ল'লে বন্য প্ৰাণীৰ আবাস ক্ষেত্ৰ আৰু তাৰেই পৰিণতিত এতিয়া মানুহ আৰু বন্য প্ৰাণীৰ মাজত ভয়ংকৰ সংঘৰ্ষ।

এসময়ত মানুহ আৰু বনৰীয়া হাতীৰ মাজত কোনো ধৰণৰ বৈৰী ভাৱ নাছিল। বন্য হস্তীয়ে নিৰ্বিবাদে বিচৰণ কৰিছিল নিজ নিজ বনাঞ্চলত। দৈনন্দিন জীৱনৰ সহায়কৰূপে কিছুসংখ্যক হাতী পোহনীয়া কৰি লৈছিল মানুহে। হাতীৰ প্ৰয়োজনীয় খাদ্যৰ অভাৱ নাছিল তেতিয়া। বনাঞ্চল সংকুচিত হোৱাৰ পিছত খাদ্যৰ অভাৱত সিহঁতে ক্ষুণ্ণ হ'বলৈ আৰম্ভ কৰিলে।

একবিংশ শতিকাৰ আৰম্ভণিত অসমৰ বনাঞ্চলত থকা হাতীৰ সংখ্যা আছিল ৫৩১২টা। অৰুণাচল আৰু মেঘালয়ত ক্ৰমে ২১০২ আৰু ১৯৪০টা। ১৯৭২ চনত প্ৰণয়ন কৰা বন্যপ্ৰাণী সংৰক্ষণ আইনৰ আধাৰত ১৯৮১ চনমানত অসমত হাতী চিকাৰ বন্ধ কৰা হয়। তেতিয়াৰ পৰা হাতীয়ে কিছু স্বাধীনতা আহৰণ কৰিলেও ইতিমধ্যে সংকুচিত হোৱা বনাঞ্চলত যথোচিত খাদ্য সম্ভাৰ নোপোৱা হ'ল। বনাঞ্চলৰ কাষৰত আৰু কেতিয়াবা মধ্যস্থলত স্থাপিত কল-কাৰখানা আৰু যান-বাহনৰ কোলাহলৰ মাজত এতিয়া অন্যান্য বন্য প্ৰাণীৰ লগতে হাতীও অভ্যস্ত হৈ উঠিল। পূৰ্বৰ দৰে ভয়-ভীতিৰতো কথাই নাই, বৰং সংঘৰ্ষৰ মনোভাৱহে লোৱা হ'ল। দুৰ্যোগৰ বেলিকা মানুহ বিদ্ৰোহী হোৱাৰ দৰে স্থানচ্যুত হাতীয়েও হয়তো প্ৰতিবাদী কাৰ্যসূচী ল'বলৈ শিকিলে মানুহকে অনুসৰণ কৰি। 'প্ৰাণ দিম, বন নিদিও' চানেকীয়া মৌন দাবীৰে ৰে'ল গাড়ী, মটৰ গাড়ী আগচিবলৈও ভয় নকৰা হ'ল। নামবৰৰ হাতীয়ে পথৰ ওপৰত ট্ৰাক জব্দ কৰি খাদ্য দ্ৰব্যৰ বিনিময়তহে মুকলি কৰি দিয়া কাৰ্য এনে অৱস্থাৰে পৰিচায়ক। ভঁৰাল ভাঙি ধান উলিয়াই নিয়া আৰু শস্য পথাৰৰ অনিষ্ট সাধন কৰা উদাহৰণৰো অভাৱ নাই। খাদ্যৰ সন্ধানত ব্যস্ত নগৰৰ মাজতো সোমাবলৈ জনা হ'ল। শোণিতপুৰ জিলাৰ বালিপৰা, ৰঙাপৰা আৰু তেজপুৰত এনে দৃশ্য সংঘটিত হৈয়ে থাকে। গুৱাহাটীৰ দক্ষিণৰ বতাহঘুলি আৰু পশ্চিমৰ ৰাণী অঞ্চলতো হাতীয়ে এনে ধৰণৰ দৃশ্যৰ অৱতাৰণা কৰি থাকে। অলপতে মহীশুৰতো বনৰীয়া হাতী চহৰৰ মাজত সোমাই মানুহ, জন্তু, যান-বাহন আদি এপিনৰ পৰা মহটিয়াই নিয়াৰ দৃশ্য দূৰদৰ্শনৰ পৰ্দাত আটায়ে প্ৰত্যক্ষ কৰিছে।

আজিকালি বাতৰি কাকতৰ পৃষ্ঠাত বা দূৰদৰ্শনৰ পৰ্দাত হাতীয়ে মানুহ মৰা আৰু মানুহে হাতী মৰা খবৰৰ অন্ত নাই। যোৱা ডেৰকুৰি বছৰত অসমত কমেও ১২০০ মানুহ হাতীয়ে বধ কৰিছে। বিগত শতিকাৰ শেষৰ দশকত অসমৰ শোণিতপুৰ জিলাখনতে ১৯০জন মানুহে হাতীৰ হাতত প্ৰাণ দিছে। আনহাতে ২০০২ আৰু ২০০৩ — এই দুটা বছৰতে সেই জিলাত প্ৰায় দুকুৰি হাতী মানুহে বধ কৰিছে আৰু তাৰ ৫০ শতাংশই হ'ল শস্য নষ্ট কৰাৰ অপৰাধত। ১৯৮০ চনৰ পৰা ২০০২ চনৰ ভিতৰৰ সময়খিনিত কেৱল মানাহ ৰাষ্ট্ৰীয় উদ্যানতে ৬৬৭টা হাতী নিধন হৈছে। বানপানী আৰু ৰে'লগাড়ী-মটৰ গাড়ীৰ খুন্দাত হাতী নিধন হোৱাটো এতিয়া নধৰ্তব্য কথা হৈ পৰিল।

বনাঞ্চলৰ সংৰক্ষণৰ উচিত ব্যৱস্থা নল'লে পৰিস্থিতিৰ অধিক অৱনতি হোৱাটো নিশ্চিত। এই পৰিস্থিতিৰ অন্ত পেলোৱাটো এক প্ৰকাৰ অসম্ভৱেই হৈ পৰিছে। তথাকথিত বৈজ্ঞানিক পন্থা, কঠোৰ আইন প্ৰণয়ন, ব্যয়বহুল আঁচনি — এইবোৰ যিমানেই নকৰক— সকলো ফুটুকাৰ ফেন। আচল কথাটো হ'ল ৰাজনৈতিক সদিচ্ছাৰ অভাৱ। আইন প্ৰণয়ন কৰিলেই নহ'ব— ইয়াৰ যথোচিত প্ৰয়োগহে বিচাৰ্য বিষয়। এনে আইনে কাৰ কি ধৰণৰ উপকাৰ সাধিছে সেইটোহে মূল কথা। এইটো কাৰো অজ্ঞাত নহয় যে এইবোৰ চৰকাৰৰ গা সৰা কৌশলতহে পৰিণত হৈছেগৈ। তীখৰ বুদ্ধিৰ চোৰাং

কাৰবাৰী আৰু দালাল গোষ্ঠীয়ে এচাম দুৰ্নীতিগ্ৰস্ত ৰক্ষকৰ লগ লাগি উছন কৰি গৈছে বনজ সম্পদ। ইয়াত ইন্ধন যোগাইছে সমাজবিৰোধী সুবিধাবাদীসকলে। অপকৰ্মৰ বিৰুদ্ধে মাত মতাসকলৰ মুখ বন্ধ কৰিবলৈ ভীতি প্ৰদৰ্শন কৰাৰ কৌশল এটাও প্ৰয়োগ কৰা হয় আজিকালি। এচাম এনেকুৱা লোকো ওলাইছে, যিসকলে প্ৰতিবাদকাৰীৰ ভাও ধৰি নিজৰ বাবেও এভাগ সৰকোৱাৰ চেষ্টা কৰে। এনেবোৰ শক্তিৰ চল-চাতুৰীয়ে গোটেই পৰিস্থিতিটো জটিলতৰ কৰি তুলিছে। সবাতোকৈ চিন্তনীয় কথাটো হ'ল মহামান্য ন্যায়ালয়ৰ নিৰ্দেশৰ প্ৰতি শ্ৰদ্ধা নজনোৱাটো। ১৯৮৬ চনত উচ্চতম ন্যায়ালয়ে অসমত গছ কটা নিষিদ্ধ কৰিছিল। দৰাচলতে এনে নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ সকলো ঠাইতে কাঠৰ ব্যৱসায় বন্ধ হৈ যাব লাগিছিল। কিন্তু তাৰ বিপৰীতে ৰাজ্যৰ সকলো ঠাইতে চলি থাকিল কাঠৰ অবাধ ব্যৱসায়। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি নামৰ সৰু চহৰখনৰ আশে-পাশেই ২০০২ চনত ২৪টা কাঠ ফলা কল আৰু ৯৪খন অবৈধ ফাৰ্নিচাৰৰ দোকান অবাধে চলি আছিল বুলি প্ৰকাশ পাইছিল। ইয়াৰ লগত ৰাজ্যৰ অন্যান্য ঠাইৰ পৰিসংখ্যা যোগ দিলে ছবিখন কেনেকুৱা ভয় লগা হ'ব পাৰে চিন্তা কৰক। দেশত কেনে অনীতি-অনিয়ম চলিছে এই উদাহৰণেই তাৰ বিশদ ব্যাখ্যা নিদিবনে?

আদিতে সমাজে নিৰ্বিবাদে মানি লোৱা অলিখিত প্ৰাকৃতিক নিয়ম-পদ্ধতিবোৰ মানি চলাত গুৰুত্ব নিদিলে আজিৰ সুৰুঙাৰে পূৰ্ণ আইনৰ সহায়ত এই ভয়ানক পৰিস্থিতিৰ কেতিয়াও উপশম হ'ব নোৱাৰে। ৰক্ষকেই হেলাৰঙে ভক্ষকৰ ৰূপ লৈ লুণ্ঠন চলাব পৰা দেশত মানৱ প্ৰেম আৰু প্ৰকৃতি প্ৰেমৰ বাতাবৰণ বৰ্তাই ৰখাটো সহজ কাম নহয়। দেশত বা ৰাজ্যত নীতি নিৰ্ধাৰণৰ কাম ঠিকেই চলি আছে। কিন্তু নীতি ৰূপায়ণৰ বেলিকা উদ্ভৱ হোৱা দুৰ্নীতিৰ মাত্ৰাই আজি গগনচুম্বী ৰূপ ধাৰণ কৰি সকলো পৰিকল্পনা খোলাকটিৰ তালত পৰিণত কৰি আছে সকলোৰে চকুৰ আগতে। ধৰি লোৱা হ'ল— অধিক হাতীৰ বসতিস্থল বুলি চিহ্নিত ঠাইবোৰত Elephant Corridor নিৰ্মাণ কৰাৰ নীতি গ্ৰহণ কৰা হ'ল। কিন্তু সেইবোৰ ঠাইলৈ হাতীক আকৰ্ষণ কৰিবৰ বাবে পৰ্যাপ্ত পৰিমাণৰ খাদ্য-উপযোগী গছ-বন ৰোপণ নকৰিলে ভোকাতুৰ হাতীয়ে গ্ৰহণ কৰা সংঘৰ্ষমূলক কাৰ্যৰ ওৰ পৰিবনে?

মানৱতাৰ হকে মাত মতা প্ৰকৃতিবিদসকল আজি বিমোৰত পৰিছে। ৰাজনৈতিক সদিচ্ছাৰ অভাৱত প্ৰকৃতিৰ ভাৰসাম্য দ্ৰুতগতিত বিঘ্নিত হোৱাৰ পৰিপ্ৰেক্ষিতত এক অনিশ্চিত ভৱিষ্যতৰ আশংকাত তেওঁলোকে শুনোৱা সাৱধান বাণীলৈ কাৰো ভ্ৰূক্ষেপ নোহোৱাত বিচলিত হৈ পৰিছে প্ৰকৃতিপ্ৰেমীসকল। প্ৰাকৃতিক অৱক্ষয়ৰ আৰম্ভণিতেই অসমৰ আন্তৰ্জাতিক খ্যাতিসম্পন্ন সুযোগ্য প্ৰকৃতিবিদ তথা কাজিৰঙা ৱাইল্ডলাইফ ছ'চাইটীৰ প্ৰতিষ্ঠাপক সভাপতি ড° ৰবীন বেনাৰ্জীদেৱে ১৯৭১ চনতেই সাৱধান কৰি দিছিল— 'The wildlife of today is not our property to dispose of as we please. We must account for it to those who come after.' কিন্তু নাও বুৰিলেও টিঙৰ পৰা ননমা মানুহৰ দেশত কোনে কাৰ কথা শুনে? কেইজন আছে প্ৰকৃতিক নিজৰ আই বুলি লোৱা লোক?●

---

*পৰিবেশ, প্ৰদূষণ, জৈব বৈচিত্ৰ্য, বন্য-প্ৰাণী সংৰক্ষণ আদি বিষয়ত নিয়মীয়াকৈ লেখা-মেলা কৰা শ্ৰীচিদা দাস কাজিৰঙা ৱাইলড লাইফ চ'ছাইটিৰ এজন জ্যেষ্ঠ আৰু সক্ৰিয় সদস্য। বৰ্তমান দিল্লীবাসী শ্ৰীদাসৰ ঠিকনা ২৬/১০২ ইষ্ট এণ্ড এপাৰ্টমেণ্ট, ময়ূৰ বিহাৰ-১, দিল্লী-৬। ম'বাইল নম্বৰ ঃ ৯৮১৮৭-৫৮৩৬৭।*

# প্ৰকৃতিৰ সৈতে নৱ প্ৰজন্মৰ সংযোগ



## মোহিনী কুমাৰ গগৈ

বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু স্থিতি সম্পৰ্কে অনেক অলৌকিক আৰু ৰহস্যাবৃত ধ্যান-ধাৰণাৰে সমৃদ্ধ বিভিন্ন ধৰ্মীয় গ্ৰন্থ আৰু লোকবিশ্বাসৰ বহুতো কাহিনী লিপিবদ্ধ ৰূপত পোৱা যায়। অদৃশ্যমান এজন অতিশক্তিসম্পন্ন সৃষ্টিকৰ্তাৰ দ্বাৰা বিশ্বব্ৰহ্মাণ্ডখন সৃষ্টি হৈছে আৰু তেওঁৰ ইচ্ছাতেই লালিত-পালিত তথা চিৰ প্ৰৱাহমান সময়ৰ সৈতে বিভিন্ন বিৱৰ্তন আৰু প্ৰক্ৰিয়াৰে পৰিচালিত হৈছে। এনে ধাৰণাৰ সত্য নিৰূপণ আৰু পৰম শক্তিমান অদৃশ্য পুৰুষৰ স্বৰূপ উদ্ধাৰৰ নিমিত্তে ধৰণীৰ জ্ঞানপিপাসু আৰু অনুসন্ধিৎসু লোকসকলে অহৰহ চিন্তা-চৰ্চা আৰু অনুসন্ধান অব্যাহত ৰাখিছে। বিভিন্ন ধৰ্মীয় গ্ৰন্থ আৰু দৰ্শনসমূহৰ মাজেদি এনে প্ৰতিফলন দেখিবলৈ পোৱা যায় আৰু আজিও তাৰ শেষ মীমাংসাত উপনীত হ'ব পৰা নাই। মানুহৰ জীৱকোষ মাতৃৰ জৰায়ুত স্থিতি লোৱাৰ পৰা মানুহৰূপে জন্মধাৰণ কৰি মৃত্যু পৰ্যন্ত যি প্ৰক্ৰিয়া— তাৰ ৰহস্য আৰু সত্য সন্ধানৰ অবিৰাম গৱেষণা আজিও যতি পৰা নাই। পৃথিৱীৰ সকলো জীৱকুলেই কিছুমান নিৰ্দিষ্ট নিয়মৰ মাজেৰে পৰস্পৰে পৰস্পৰত নিৰ্ভৰশীলতা আৰু সমন্বয়েৰে আৱহমান কালৰ পৰা চলি আহিছে। এই প্ৰচলিত নিয়মটোকে 'প্ৰকৃতিৰ নিয়ম বা নীতি'ৰূপে মানৱ জাতিয়ে গ্ৰহণ কৰি আহিছে। এই নিয়মৰ ব্যতিক্ৰম কিম্বা আওতাৰ বাহিৰ হ'ব পৰাটো জীৱজগতৰ সাধনাৰ অতীত। অৱশ্যে বিজ্ঞানৰ ক্ৰমবিকাশ আৰু প্ৰযুক্তি কৌশলৰ ন ন আৱিষ্কাৰে কিছু কিছু ক্ষেত্ৰত প্ৰকৃতিক নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হৈছে। এই দিশত ক্ৰমাগতভাৱে আৰু আনুষংগিক সম্পৰ্কত আলোচনা কৰা হ'ব।

নিবন্ধৰ শিৰোনাম 'প্ৰকৃতিৰ সৈতে নৱ-প্ৰজন্মৰ সংযোগ' ঘটাবলৈ এই লেখনিৰ যোগে যি প্ৰয়াস কৰা হৈছে, সেয়া বিশ্বব্ৰহ্মাণ্ডীয় অলৌকিক ধাৰাবাহিকতা আৰু নিয়ম-নীতি সম্পৰ্কীয় নিশ্চয় নহয়। বিশ্বব্ৰহ্মাণ্ডৰ অংশবিশেষ আমাৰ পৃথিৱী আৰু এই পৃথিৱীৰ সৈতে সম্পৃক্ত জীৱকুল তথা উৎপ-বৃৰণ, গজন, ভ্ৰমণ— এই সকলোটিকে সামৰি অন্য এক প্ৰকৃতি। এই প্ৰকৃতিৰ ওপৰত জীৱশ্ৰেষ্ঠ মানুহৰ অভিপ্ৰায় আৰু প্ৰভাৱে জীৱজগতত সৃষ্টি কৰা সমস্যা আৰু বিপৰ্যয়সমূহৰ নিৰ্মোহ আৰু সম্যক অনুধাৱনৰ প্ৰয়োজন আহি পৰিছে। গছ-লতা, পশু-পক্ষী, মাছ-কাছ, কীট-পতংগ সকলোবোৰ ধৰিত্ৰীৰ জীৱ আৰু সম অংশীদাৰ নিজস্ব বৃত্তিগত উদ্দেশ্য আৰু স্বাভাৱিক অৱস্থাত। এই ইতৰ প্ৰাণীসমূহৰ বংশ বৃদ্ধিৰ ধাৰাবাহিকতা ৰক্ষা আৰু কিছু অনুভূতিসম্পন্ন হ'লেও মানুহৰ দৰে মন, বিবেক আৰু বুদ্ধি বাকী জীৱকুলৰ নাই। সেয়ে মানুহ পৃথিৱীৰ জীৱজগতৰ শ্ৰেষ্ঠ জীৱ। কিন্তু মানুহে বাকী সকলো প্ৰাণীৰ বিৰুদ্ধে এনেদৰে নিৰবিচ্ছিন্নভাৱে চলাই যোৱা ধ্বংসাত্মক কাৰ্যকলাপৰ ফলত তথাকথিত জীৱশ্ৰেষ্ঠ মানুহৰ নিজৰেই স্বাভাৱিক জীৱন-যাপন পদ্ধতিত আউল লাগিবলৈ ধৰিছে।

প্ৰাৰম্ভিক অৱস্থাত প্ৰকৃতিৰ ভাৰসাম্য বিনষ্টকাৰী উপলক্ষ্যবোৰ উপলব্ধ আৰু দৃশ্যমান হ'ব পৰা ধৰণৰ ধ্বংসাত্মক নাছিল আৰু এইবোৰৰ প্ৰতিক্ৰিয়াও প্ৰভূত নাছিল। সাধাৰণতে মানুহৰ জনবিস্ফোৰণ আৰু প্ৰাকৃতিক দুৰ্যোগ, যেনে— ভূমিকম্প, ভূমিস্খলন, বান, ধুমুহা, জুই আদিৰ দ্বাৰা ইতৰ জীৱবোৰৰ নিৰ্যাতন আৰু বিপৰ্যয় ঘটিছিল। কালক্ৰমে শিক্ষা-

দীক্ষা, জ্ঞান-বিজ্ঞান আৰু অনেক প্ৰযুক্তি-কৌশল আদিৰ উদ্ভাৱনে প্ৰকৃতিৰ সম্পদৰ ভাণ্ডাৰ আৰু জৈৱ বৈচিত্ৰ্যৰ অনুকূল পৰিৱেশ দ্ৰুত গতিত টুটাই আনিবলৈ ধৰিলে। বৈজ্ঞানিক গৱেষণাৰ চাহিদা আৰু প্ৰযুক্তি-কৌশলৰ অভাৱনীয় উদ্ভাৱনৰ ফলত প্ৰকৃতিৰ বহু ক্ষেত্ৰ নিয়ন্ত্ৰণাধীন আৰু স্বাভাৱিক গতিৰ প্ৰতিবন্ধীস্বৰূপ হৈ পৰিল। বিশ্বজোৰা পৰিৱেশ প্ৰদূষণ আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ দ্বাৰা মানুহৰ জীৱন-ধাৰণৰ প্ৰতিকূল পৰিৱেশ সৃষ্টি আৰু পৃথিৱীক ধ্বংসস্তুপত পৰিণত কৰিব পৰা পাৰমাণৱিক বোমাৰ দৰে আৱিষ্কাৰবোৰ বিজ্ঞানৰেই অৱদান। চিকিৎসা বিজ্ঞানৰ দ্বাৰা মানুহৰ শৰীৰ আৰু জীৱকোষৰ গৱেষণাৰ দ্বাৰা জীৱ সৃষ্টিৰ ক্ষমতা আহৰণ কৰিবলৈ মানুহ সক্ষম হৈছে। আনকি এখন কাকতত পঢ়িলোঁ— বৃটিছ জীৱ বিজ্ঞানী আওৱে ডি গ্ৰে' (Aubrey De Grey) আৰু আমেৰিকাৰ কম্পিউটাৰ বিজ্ঞানী ৰেমণ্ড কুৰ্জৱেইলে (Raymond Kurzweil) ঘোষণা কৰিছে যে ২০৪৫ চনৰ ভিতৰত মানুহে মৃত্যুকো জয় কৰিবলৈ সক্ষম হ'ব।

উক্ত বিভিন্ন দিশবোৰ আৰু প্ৰকৃতিৰ স্বাভাৱিক অৱস্থাৰ বিৰুদ্ধে মানুহৰ নিৰ্যাতনে প্ৰকৃতিৰ বুকুৰ পৰা চিৰদিনৰ বাবে অনেকবোৰ জীৱ-জন্তু, চৰাই-চিৰিকতি, গছ-লতাৰ বিলুপ্তি ঘটাইছে। জীৱশ্ৰেষ্ঠ মানুহৰ দ্বাৰা সৃষ্ট প্ৰকৃতিৰ এনে সন্ধিক্ষণত মানুহৰ দ্বাৰাই প্ৰতিৰোধ আৰু প্ৰতিকাৰৰ ব্যৱস্থা জানো ল'ব নালাগিব?

**বোধোদয় আৰু সজাগতা :** পৰিৱেশ প্ৰদূষণ আৰু প্ৰকৃতিৰ স্বাভাৱিক ভাৰসাম্যৰ বিসংগতিবোৰ লাহে লাহে মানুহৰ নজৰত ধৰা দিবলৈ ধৰিলে। লগতে এইটো উপলব্ধি হ'ল যে প্ৰকৃতিৰ বিপৰ্যয় কোনো এখন দেশ বা মহাদেশৰ ভৌগোলিক, ৰাজনৈতিক সীমাৰেখা নিয়ন্ত্ৰণৰ অধীনস্থ বিষয়বস্তু নহয়। বিশ্বৰ সকলোবোৰ দেশ আৰু জাতিৰ ঐকান্তিক প্ৰচেষ্টা আৰু সংঘবদ্ধ সহযোগৰ অবিহনে পৰিৱেশ প্ৰদূষণ ৰোধ আৰু সন্তুলিত অৱস্থা বাহাল ৰখা সম্ভৱ নহয়। ধৰিত্ৰীব্যাপ্ত পৰিৱেশ প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তন সম্পৰ্কে বিচাৰ-বিবেচনা আৰু যাৱতীয় ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে এখন আন্তৰ্জাতিক সন্মিলন ছুইডেনৰ ষ্টকহ'মত ১৯৭২ চনত অনুষ্ঠিত হয়। সেই সন্মিলনতে জনসাধাৰণৰ মাজত পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সজাগতা আনিবৰ বাবে ৫ জুন তাৰিখটো বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তাৰ পিছতো পৰিৱেশ প্ৰদূষণ আৰু জলবায়ুৰ উষ্ণতা বৃদ্ধি সম্পৰ্কে আলোচনা আৰু ব্যৱস্থা গ্ৰহণৰ নিমিত্তে কেইবাখনো আন্তৰ্জাতিক সন্মিলন অনুষ্ঠিত হ'ল। ১৯৯২ চনত ব্ৰাজিলৰ ৰাজধানী ৰিওত বিশ্বৰপ্ৰায় সকলো ৰৰমূৰীয়া লগ হৈ ধৰিত্ৰী শীৰ্ষ সন্মিলনত (Earth Summit) বিশ্বজোৰা পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ নিয়ন্ত্ৰণৰ নিমিত্তে উপায় উদ্ভাৱন



কৰিবলৈ বিশদভাৱে আলোচনা-বিলোচনা কৰে। অৱশেষত ধৰিত্ৰী শীৰ্ষ সম্মিলনত উন্নত আৰু উন্নয়নশীল দেশসমূহৰ মাজত থকা বিভেদ আৰু খোকোজা দূৰীকৰণত কিছু বুজা-পৰা হ'লেও কোনো চুক্তিত উপনীত হ'ব পৰা নগ'ল। উন্নয়নশীল ৭৭খন দেশৰ দাবীবোৰ উন্নত দেশবোৰে মানি ল'ব নুখুজিলে।

পৰৱৰ্তী কালত ১৯৯৭ চনত জাপানৰ কয়টো' (Kyato) নগৰত বিশ্বৰ ১৭৪খন দেশ মিলিত হৈ সৰ্বসন্মতিৰে কাৰ্বন গেছৰ নিৰ্গত পৰিমাণ হ্ৰাস আৰু নিয়ন্ত্ৰণ কৰাৰ (Cap and Trade) আঁচনি লয়— যাক কয়টো' প্ৰট'কল (Kyato Protocol) বুলি কোৱা হয়। কাৰ্যক্ষেত্ৰত কিন্তু এই প্ৰট'কল কাৰ্যকৰী কৰাত ব্যৰ্থ হয়। বিশ্বৰ মুঠ উৎপন্ন কাৰ্বন গেছৰ ভিতৰত এক-চতুৰ্থাংশ কাৰ্বন গেছ বা গ্ৰীণ হাউছ গেছ বছৰি নিৰ্গত কৰিও আমেৰিকা যুক্তৰাষ্ট্ৰ আঁচনি অনুসাৰে কাৰ্বন গেছৰ নিৰ্গমন হ্ৰাস কৰিবলৈ প্ৰস্তুত নহয়। এনেদৰে উন্নত আৰু উন্নয়নশীল দেশৰ মাজত বিভেদ আৰু খোকোজাবোৰ মীমাংসা নোহোৱাকৈ থাকি যায়। বিশ্বৰ পৰিৱেশ প্ৰদূষণ আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ পটভূমিত আন্তৰ্জাতিক সন্থাই আজিকোপতি কাৰ্যকৰী সিদ্ধান্ত ল'ব নোৱাৰাত মানৱ জাতিৰ বিপৰ্যয় ঘনীভূত হ'বলৈ ধৰিছে।

**নৱ প্ৰজন্মৰ ভূমিকা ঃ** পৰিৱেশ প্ৰদূষণ আৰু গোলকীয় জলবায়ু পৰিৱৰ্তনৰ ফলত বিশ্বৰ সবাতোকৈ ভুক্তভোগী আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগা হৈছে নৱজাত শিশুহঁত। বিভিন্ন ধৰণৰ ৰোগ-ব্যাধি আৰু শাৰীৰিক অক্ষমতাৰ প্ৰাৰম্ভিক কাৰণ হৈছে পৰিৱেশ প্ৰদূষণ। প্ৰকৃতিৰ সৈতে নৱ প্ৰজন্মৰ সংযোগ ঘটাই একাত্মবোধ আৰু উন্নয়নশীল মনোভাৱ গঢ়ি তুলিব নোৱাৰিলে পৰিৱেশ প্ৰদূষণৰ মাত্ৰা অধিক গুৰুতৰ হ'ব। নৱ প্ৰজন্মৰ ধ্যান-ধাৰণা, জীৱন-যাপন পদ্ধতি আৰু কৰ্ম-কাণ্ডৰ ওপৰত পৰিৱেশ আৰু পৰিস্থিতি তন্ত্ৰৰ ভাৰসাম্যৰ কাৰ্যক্ষম অৱস্থাৰ অক্ষমতা ভৱিষ্যতে প্ৰতিফলন ঘটিব। ইয়াৰ পৰিপ্ৰেক্ষিতত শিক্ষা-দীক্ষা, জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তিৰ যিমানেই উৎকৰ্ষ সাধন নহওক কিয়, প্ৰকৃতিৰ প্ৰতি মানুহৰ অন্তৰত ধনিষ্ঠামানো সহৃদয়তা অংকুৰণ কৰিব পৰা নাযায়। এইখিনিতে আহি পৰিছে নৱ প্ৰজন্মক সৌন্দৰ্যবোধ আৰু আত্মিক অনুভূতিৰে উদ্বুদ্ধ কৰি প্ৰকৃতিৰ প্ৰতি আকৰ্ষিত কৰাৰ চিন্তা।

**প্ৰাথমিক পৰ্যায় ঃ** প্ৰকৃতিক ভাল পাবলৈ, জীৱ-জন্তু, চৰাই-চিৰিকতি আদি বন্যপ্ৰাণীৰ প্ৰতি প্ৰীতি আৰু সংবেদনশীলতাৰ মনোবৃত্তি শিশু অৱস্থাৰ পৰাই গঢ় দিব পাৰিলে সেয়া পিছলৈও থাকি যাব। যি দেখা যায়, যি শিকা যায়, যি কৰা যায় শিশু অৱস্থাৰ পৰা অভ্যস্ত আৰু অনুশীলনে মানুহৰ মনত একোটা সাঁচ বহুৱায়। খেলা-ধূলাৰ আচবাব, পুতলা আদি বিভিন্ন সামগ্ৰীবোৰ কেঁচুৱাৰ পৰা শিশু অৱস্থালৈ মনোৰঞ্জনৰ বাবে যোগান ধৰা হয়। সেইসমূহৰ ভিতৰত বনৰীয়া জীৱ-জন্তু, চৰাই আৰু গছ-গছনিৰ আৰ্হিত নিৰ্মিত ৰং-বিৰঙৰ আকৰ্ষণীয় খেলাৰ সামগ্ৰীৰ যোগান ধৰি যথাক্ৰমে প্ৰকৃতিৰ সম্পদৰ পৰিচয় আৰু উপকাৰিতা সম্পৰ্কে কিছু কিছু জ্ঞান দিব পৰা যায়। সাধাৰণতে শিশুহঁতক পুতলা পিষ্টল আদি খেলাৰ বাবে উপহাৰ দি গুলীয়াগুলী খেলি সন্ত্ৰাসৰ আখৰা কৰিবলৈ দিয়াৰ পৰিৱৰ্তে বন-বননিৰ প্ৰতি তথা বন্যপ্ৰাণীলৈ আকৰ্ষণ আৰু সহৃদয়তা ওপজাব পৰা ব্যৱস্থাই যথাৰ্থতে নৱ প্ৰজন্মক প্ৰকৃতিপ্ৰেমীৰূপে গঢ় দিয়াত সহায়ক হ'ব।

পঢ়াশালিৰ বিভিন্ন বিষয়ৰ শিক্ষা ব্যৱস্থাৰ লগতে প্ৰকৃতিৰ গছ-গছনি, পশু-পক্ষী আৰু নদ-নদী, পাহাৰ-ভৈয়ামৰ আকৰ্ষণীয় দৃশ্যসমৃদ্ধ কিছুমান কিতাপ শিশুহঁতে পঢ়াৰ বাবে যুগুতাই দিব পাৰিলে লক্ষ্য সাধনত কাৰ্যকৰী হ'ব বুলি বিশ্বাস। শিক্ষাৰ অনুষ্ঠানবিলাকে পৰিৱেশ আৰু বন্যপ্ৰাণীৰ বিষয়ৰ শিক্ষা প্ৰদান এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে গ্ৰহণ কৰা উচিত। ক্ষেত্ৰভিত্তিক কৰ্মশালা, অনুশীলন আৰু ভ্ৰমণৰ দ্বাৰা শিক্ষাৰ্থীসকলক অধিক মনোগ্ৰাহী আৰু শিকনিৰ পৰিপূৰকতা আনি দিব। ৰাষ্ট্ৰীয় উদ্যান, বৰ্ষাৰণ্যৰ আভৰণ, সংৰক্ষিত অৰণ্যৰ মাজত অৱস্থিত আকৰ্ষণীয় মনোমোহা স্থানবোৰলৈ শিক্ষাৰ্থীসকলক চাক্ষুষ দৰ্শন আৰু বাস্তৱ উপলব্ধিৰ বাবে শিক্ষামূলক ভ্ৰমণ কৰোৱাৰ দিহা ৰখা উচিত।

**পৰোক্ষ নিযুক্তি কিম্বা গৱেষণাৰ উদ্দেশ্য ঃ** প্ৰকৃতিৰ সৈতে নিবিড় সম্পৰ্ক আৰু অধ্যয়নৰ মানসিকতাৰে সংযোগ নঘটালে প্ৰকৃতিৰ বিভিন্ন লীলা-খেলা আৰু বিৱৰ্তনৰ সম্যক

জ্ঞান আহৰণ কৰা কঠিন। ২০০৮ চনৰ মোৰ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণকালত ভালেকেইখন ৰাষ্ট্ৰীয় উদ্যান আৰু অনেক আকৰ্ষণীয় পৰ্যটন কেন্দ্ৰ চোৱাৰ সুযোগ পাইছিলোঁ। প্ৰশান্ত মহাসাগৰীয় উপকূলস্থিত নেচনেল অলিম্পিক পাৰ্কক ধৰি আটলাণ্টিক মহাসাগৰীয় গ্ৰেট বেৰিয়াৰ আইলেণ্ডছ বা দ্য আউটাৰ বেংকৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্য আৰু অনেক মেমৰিয়েল স্থল চাই আপ্লুত হৈ পৰিছিলোঁ। এই ভ্ৰমণত মোৰ মনত আটাইতকৈ সাঁচ বহুওৱা কথাটো আছিল— স্কুলৰ শিক্ষাৰ্থীসকলে বিভিন্ন পাৰ্ক, মিউজিয়াম আদিত সক্ৰিয় সহযোগেৰে পৰ্যটকসকলক বিভিন্ন ধৰণে সহায়-সহযোগ আগবঢ়াই সন্তোষিত কৰা দিহাবোৰ দেখি। স্কুল-কলেজৰ বন্ধৰ দিনকেইটাত শিক্ষাৰ্থীসকলে স্বেচ্ছাই আটলাণ্টিক মহাসাগৰীয় সীমাৰে সৈতে সংলগ্ন বহুবোৰ ৰাষ্ট্ৰীয় উদ্যান, মনুমেণ্ট আৰু প্ৰাকৃতিক সম্পদৰ সুৰক্ষা, পৰিচালনা, পৰ্যটক গাইড আদি কামবোৰত জড়িত হৈ পৰিছিল। প্ৰতিটো পৰ্যটন কেন্দ্ৰৰ নিয়ম-শৃংখলা বাহাল ৰখা কামবোৰত বিভিন্ন বাছকবনীয়া ইউনিৰ্ফৰ্ম পিন্ধি উৎসাহেৰে কৰ্তব্য পালনত একান্তভাৱে মনোযোগ দিছিল। চৰকাৰী কৰ্তৃপক্ষৰ দ্বাৰাও শিক্ষাৰ্থীসকলক বিভিন্ন কৰ্ম-আঁচনিবোৰৰ সৈতে পৰিচয় কৰি দিয়াৰ লগতে অনুশীলন আৰু কৰ্ম সমাপ্তিৰ অন্তত উদ্‌গনিমূলক ভাট্টাসহ বিদায় দিছিল। এয়া নৱ প্ৰজন্মক হাতে-কামে লাগি প্ৰকৃতিৰ মূল্যবোধ, সুৰক্ষা আৰু বাস্তৱ উপলব্ধি কৰোৱাৰ যথাৰ্থ কাৰ্যকৰী ব্যৱস্থা।

আমাৰ দেশৰ শিক্ষাৰ্থীসকলৰ বাবেও এনে কিছুমান প্ৰণালীগত পদ্ধতিমূলক আঁচনি গ্ৰহণ কৰি প্ৰকৃতিৰ সৈতে সংযোজন ঘটাই নৱ প্ৰজন্মক প্ৰকৃতিপ্ৰেমী হ'বলৈ আৰু পৰিবেশ অৱক্ষয়ৰ ফলত হ'ব পৰা দুৰ্যোগ সম্পৰ্কে জ্ঞান দিয়াটো আজিৰ সময়ৰ আহ্বান। প্ৰকৃতিৰ বিভিন্ন দিশ আৰু প্ৰাণী জগতৰ প্ৰয়োজনীয়তা সম্পৰ্কত মানুহৰ ভূমিকা আৰু কৰণীয় বিষয়ত অধ্যয়ন, গৱেষণা আৰু অনুশীলনৰ দ্বাৰা নিৰ্ণায়ক ব্যৱস্থাৱলীৰ ৰূপায়ণৰ সংকল্প লোৱা বাঞ্ছনীয়। মনত ৰখা ভাল— পৰিৱেশ প্ৰদূষণ আৰু জলবায়ুৰ উষ্ণতা বৃদ্ধি কোনো দেশ বা মহাদেশৰ ভৌগোলিক, ৰাজনৈতিক সীমাৰেখাত আবদ্ধ নাথাকে। গতিকে মাউথে উটিলে গুড়ি পৰুৱাৰো মৰণ নোহোৱাৰ দৰে সকলোৱে একগোট হৈ সুচিন্তিতভাৱে কাম কৰিলেহে আমাৰ বসুন্ধৰা সুন্দৰ হৈ থাকিব।●

**মোহিনী কুমাৰ গগৈ** *অসম বন বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী বন সংৰক্ষক। বন পৰিবেশ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ওপৰত বিভিন্ন কাগজ-আলোচনীত নিয়মীয়াকৈ প্ৰবন্ধ-পাতি লিখি আছে। মবাইল নম্বৰ ঃ ৯৪৩৫১-১৯৩৩৪*

# নদীৰে সৈতে এটা হালধীয়া ঘৰ

তৃপ্তি ভট্টাচাৰ্য

মই আধ্যাত্মিক প্ৰত্যাহ্বানত ভুগিছোঁ বুলি ক'ব পাৰে। ধ্যানীসকলৰ দৰে ময়ো নিৰ্মল, শান্ত মন এটা একাগ্ৰভাৱে বিচাৰি আছোঁ, আৰু তাক পাবৰ বাবে বিভিন্ন উপায়েৰে চেষ্টাও কৰিছোঁ— পিছে কোনো কামত অহা নাই। এদিন সন্ধিয়া পৰমাৰ্থৰ সন্ধানত থকা এদল লোকৰ সৈতে এক চক্ৰবেহুত সোমাইছিলোঁ, টিমিক-টামাককৈ জ্বলি থকা মমবাতিবোৰ আৰু মহিলাসকলে কাঁচৰ বাতিত কাঠৰ মাৰিৰে ভুংভুঙাই বজোৱা সৃষ্টি কৰা ভয় মিহলি শব্দবোৰেৰে সেয়া এক সুন্দৰ অভিজ্ঞতা আছিল। আনে হয়তো তাত অন্তৰৰ শান্তি বিচাৰি পাইছিল, কিন্তু মই পোৱা নাছিলোঁ। আনন্দ লাভ কৰিছিলোঁ ঠিকেই, কিন্তু ঈশ্বৰৰ মূৰ্ত্ত প্ৰকাশ বিচাৰি পোৱা নাছিলোঁ।

মই যোগাসনৰ শ্ৰেণীটোও ভাল পাইছিলোঁ। সপ্তাহত তিনি দিন তালৈ গৈছিলোঁ। শৰীৰটোক শৱাসন বা মৰাশৰ দৰে কৰি পৰি থকাটো; অৰ্থাৎ চূড়ান্ত স্থিতিটো, যি শূন্যতা অনুভৱ কৰাত সহায় কৰে— কথাটো অতি সুন্দৰ, কিন্তু মই মোৰ মনটো কৰিব লগা ধৰণে উদং কৰি পেলাব নোৱাৰিছিলোঁ। সংসাৰখনৰ লাগতিয়াল বস্তুবোৰৰ তালিকাই তেতিয়া মোৰ মূৰত নাচি থাকে, নাইবা মই দিবলগীয়া বিলবোৰৰ বিষয়ে বা গাড়ী মেৰামতিৰ চিন্তাই মূৰত ঠাই পায় নাইবা..... নাইবা ..... আন কিবাবোৰে।

মই ৰেইকিৰ ক্লাছ এটাও কৰি চাইছিলোঁ। মই আনকি Level one practitionerৰ চাৰ্টিফিকেটো পাইছিলোঁ, পিছে মোৰ নিজকে প্ৰতাৰক যেন ভাব হৈছিল। মোৰ সহযোগীৰ হাতৰ পৰা যদি কোনো শক্তি মোলৈ আহিছিল, সেয়া মোৰ মাজেদি পাৰ হৈ গুচি গৈছিল।

মই যিমানবোৰ আধ্যাত্মিকতাৰ বাটৰ সন্ধান পালোঁ, তাৰ প্ৰত্যেকটো গ্ৰহণ কৰিও মই সেইবোৰৰ পৰা আঁতৰি আহিলোঁ। মই বুজি পালোঁ যে মই ভীষণভাৱে সাধাৰণ। যোগী আৰু শ্ৰমণসকলে বিচাৰি পোৱা যাদুকৰী মুহূৰ্তৰ পোহৰৰ চমক মই নেদেখো।

তাৰ পিছত এদিন মই এটা নতুন ঘৰলৈ আহিলোঁ, নিউয়ৰ্কৰ হাডছন নদীৰ অন্তৰীপ এটাৰ হালধীয়া ৰঙৰ ঘৰ এটালৈ। প্ৰথমদিনা ৰাতিপুৱা খিৰিকীমুখত থিয় দিওঁতে, ওপৰত অসীম আকাশৰ কিৰীটি পিন্ধি বৈ থকা পানীৰ প্ৰকাণ্ড সোঁতবোৰ দেখি মোৰ মন শান্ত হৈ পৰিল— প্ৰশান্তিৰে পৰিপূৰ্ণ হৈ পৰিল। নদীখন ঐশ্বৰিক অৱতাৰ হ'বলৈ বিচৰা নাই বা তাৰ কোনো মূৰ্ত্ত প্ৰকাশো হ'ব খোজা নাই। ই মাত্ৰ শতিকাৰ পিছত শতিকা জুৰি যিটো কৰি আহিছে তাকেহে কৰি আছে— নৈখন বৈ আছে। আৰু ইয়াৰ উপস্থিতিত মই সংসাৰৰ জুমুৰিবোৰ নাইকীয়া কৰিব পাৰিছোঁ। এসময়ত মোৰ মগজুত দৈনিক ভিৰ কৰা— কৰিবলগীয়া কামবোৰৰ কথা, ফ্ল'ৰিডাত থকা মোৰ আইৰ বাবে হোৱা দুশ্চিন্তা— এই আটাইবোৰ তাৰ সৈতে উটি গৈছে। মই সেইবোৰৰ সৈতে অকণো আবেগিক নোহোৱাকৈ সহজভাৱে চলিব পাৰিছোঁ। ইয়ালৈ আহিবলৈ বন্ধা-মেলা কৰি থাকোঁতেও মই ভবা নাছিলো যে কেৱল নীলাৰে ভৰা দিগন্তই মোক অনুভৱ কৰিবলৈ শিকাব যে মোৰ আধ্যাত্মিক ভাগটোক বল প্ৰয়োগ কৰাৰ প্ৰয়োজন নাই; মাত্ৰ ইয়াত কি কোৱা হৈছে তাক মুকলিভাৱে চোৱাৰহে প্ৰয়োজন। নদীখন অলৰ-অচৰ আৰু শান্ত। আৰু ময়ো।

বহু বছৰ জুৰি মনক শান্ত কৰিব পৰা উপায় এটা বিচাৰি ফুৰিছিলোঁ। পিছে কোনে বাৰু জানিছিল নদীৰে সৈতে এটা হালধীয়া ঘৰেই তাৰ উপায় দিব পাৰিব বুলি?●

*(মানসিক স্বাস্থ্য সন্দৰ্ভত বিভিন্ন লেখাৰে প্ৰখ্যাত হোৱা আমেৰিকান মহিলা চুচান ক্ৰেণ্ডেলৰ এটা লেখনীৰ মুকলি অনুবাদ।*

---

*প্ৰকৃতি, চৰাই-চিৰিকতি, জীৱ-জন্তু আদিৰ লগত একাত্ম অনুভৱৰে সৃষ্ট তৃপ্তি ভট্টাচাৰ্যৰ মনোজগতৰ একোখন মনোগ্ৰাহী চিত্ৰ তেওঁৰ লেখা বিলাকত সদায়ে উজ্জ্বল হৈ থাকে। অনুবাদ তেওঁৰ সাহিত্যকৰ্মৰ এক উল্লেখনীয় কীৰ্তি। ম'বাইল- ৯৮৬৪৯-১২০৩৪।*



# দিল্লীঘাট


**দৰদী শইকীয়া বড়া**

**নামৰূপ মহাবিদ্যালয়**


দিল্লীঘাট— উজনি অসমৰ, বিশেষকৈ শিৱসাগৰ আৰু ডিব্রুগড় জিলাৰ বনভোজপ্রেমীসকলৰ বাবে এটা অতি চিনাকী নাম। অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ দিল্লীঘাটৰ দক্ষিণপাৰে আছে দিল্লী সংৰক্ষিত বনাঞ্চল আৰু উত্তৰপাৰে আছে জয়পুৰ বৰ্ষাৰণ্য। এই দুই বনাঞ্চলৰ মাজেৰে প্ৰকাণ্ড শিলত ঠেকা খাই পাটকাই পৰ্বতৰ পৰা আহি দিল্লী নদী সমতলত দেখা দিছেহি এই দিল্লীঘাটতে। দিল্লীঘাটৰ পিছতে দিল্লী নদী বৈ গৈছে অসমৰ এখন প্ৰসিদ্ধ ঔদ্যোগিক নগৰ নামৰূপৰ কাষেৰে। বাৰিষাৰ সময়ত পানীৰে উপচি পৰা, খৰস্রোতা দিল্লী নদী শীতকালি হৈ পৰে শীৰ্ণ, শান্ত আৰু সমাহিত। তেতিয়াই আগমন ঘটে অসমৰ বিভিন্ন ঠাইৰ পৰা বনভোজপ্রেমীসকলৰ। নগৰীয়া যান্ত্রিকতাৰ পৰা আঁতৰি প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰাই এইসকল লোকৰ প্ৰধান উদ্দেশ্য। দিল্লী নদীৰ শিল-বালিৰে ভৰা পানীৰ যুঁৰলিত হাঁহি-ধেমালিৰে বনভোজ খোৱাৰ উপৰি অত্যুৎসাহীসকল সোমাই যায় বনাঞ্চলৰ মাজলৈ— আদিম মাদকতাৰ সুবাস বিচাৰি। জিৰ জিৰ সেমেকা বতাহ, চৰাইৰ মধুৰ কলৰৱ, হলৌ বান্দৰৰ চিঞৰ আৰু অৰণ্যৰ গভীৰতাত জাগি উঠা অজান ভয়ে সকলোৰে মন পুলকিত কৰি তোলে। শুনা মতে, কোনো কোনোৱে এক-দুই কিলোমিটাৰ পৰ্যন্ত নাৱেৰে উজাই গৈ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰেগৈ।

ওপৰত উল্লেখ কৰা সকলোবোৰেই কিন্তু আজি অতীত। বনভোজপ্রেমীসকলৰ পছন্দৰ ঠাইৰ তালিকাত আজিকালি দিল্লীঘাটৰ নাম নাথাকে। প্ৰাকৃতিক সম্পদ আহৰণৰ নামত দিল্লী নদীৰ বুকুত চলা ধ্বংসযজ্ঞই এই অঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু ইয়াৰ পৰিৱেশ বিনষ্ট কৰি তুলিছে। দিল্লী নদীৰ এই অংশটো — দিল্লীঘাটৰ পৰা উজাই আৰু ভটিয়াই প্ৰায় চাৰি-পাঁচ কিলোমিটাৰ দূৰলৈ সৰু-বৰ শিলেৰে ঠাহ খোৱা। শিলৰ এই ভাণ্ডাৰটোৰ ওপৰতে নিৰ্ভৰ কৰি গঢ় লৈ উঠিছে ১৭টা শিলৰ কোৱেৰী। ঔদ্যোগিক বিকাশৰ বাবে শিলৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি যদিও এটা কথা ঠিক যে অবৈজ্ঞানিকভাৱে অতিমাত্ৰা শিল উঠোৱাৰ ফলত ইয়াৰ পৰিৱেশ আৰু পৰিস্থিতি তত্ত্বত ব্যাঘাত জন্মে, যাৰ পৰিণতি ভোগ কৰিব লগীয়া হয় ইয়াত থকা জলচৰ প্ৰাণী আৰু উদ্ভিদবিলাকে। কিয়নো শিল উঠোৱাৰ ফলত পানী ঘোলা হয় আৰু Suspended particleৰ পৰিমান বাঢ়ি যায়। অত্যাধিক Suspended particle-এ বিভিন্ন ধৰণে পৰিৱেশ বিনিষ্ট কৰে। যেনে—

১। সালোক-সংশ্লেষণত বাধা প্ৰদান কৰি পানীত অক্সিজেনৰ পৰিমাণ কমাই দিয়ে।

২। উৎপাদনত ব্যাঘাত জন্মাই খাদ্য শৃংখল ব্যাহত কৰে।

৩। জলচৰ প্ৰাণীসমূহৰ চকুত আঘাত কৰাৰ বাবে খাদ্য বিচাৰি উলিওৱাত ব্যৰ্থ হয়।

৪। জলচৰ প্ৰাণীসমূহৰ শ্বাস অংগত লাগি ধৰি এইবিলাক নষ্ট কৰি পেলায়, ইত্যাদি।

নদীত থকা শিলৰ কোৱেৰীৰ আন এটা কুফল হ'ল— গৰাখহনীয়া। নদীৰ তলিৰপৰা শিল উঠাই অনাৰ ফলত নদীখনৰ স্বাভাৱিক গতি ব্যাহত হয় আৰু গৰাখহনীয়া হ'বলৈ আৰম্ভ কৰে। গৰাখহনীয়াৰ ফলত ধ্বংস হয় riparian

vegetationৰ; অৰ্থাৎ নদীৰ পাৰতে থকা উদ্ভিদসমূহৰ। এই উদ্ভিদবিলাকৰ গুৰুত্ব অপৰিসীম, কিয়নো নদীৰ পাৰৰ এই উদ্ভিদবিলাকৰ শিপাই মাটি ধৰি ৰাখি গৰাখহনীয়া ৰোধ কৰে। এই অঞ্চলটো হ'ল বিভিন্ন প্ৰজাতিৰ প্ৰাণীৰ বাসস্থান। গতিকে শিল উঠোৱা কাৰ্যৰ ফলত হোৱা গৰাখহনীয়াই ইয়াত থকা উদ্ভিদ আৰু প্ৰাণীকুলতো প্ৰভাৱ পেলায়।

শিলৰ কোৱেৰীত শিল ভাঙিবৰ বাবে ব্যৱহাৰ কৰা মেচিন আৰু শিল কঢ়িয়াবৰ বাবে ব্যৱহাৰ হোৱা যান-বাহনে সৃষ্টি কৰা শব্দ আৰু ধূলি আৰু লগতে ইয়াৰ পৰা নিগৰ্মন হোৱা তেলে সমস্যাৰ সৃষ্টি কৰিছে। শব্দ প্ৰদূষণ আৰু ধূলিয়ে জীৱ-জন্তু, চৰাই-চিৰিকটিৰ ওপৰত প্ৰভাৱ পেলায় আৰু তেলৰ পৰা হোৱা জল প্ৰদূষণে পানীত থকা উদ্ভিদ আৰু প্ৰাণীসমূহৰ ওপৰত কুপ্ৰভাৱ পেলায়।

দিল্লীঘাটত কৰা এক ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু স্থানীয় লোকৰ ভাষ্য অনুসৰি দিল্লী নদীত শিলৰ কোৱেৰী বহুওৱাৰ ফলত উদ্ভৱ হোৱা সমস্যাসমূহ হৈছে—

(১) বিভিন্ন প্ৰজাতিৰ মাছ আৰু পানীত থকা অন্যান্য উদ্ভিদ আৰু প্ৰাণীসমূহ ক্ৰমে কমি যোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ খৰালি শিলৰ কোৱেৰীত কাম চলি থকা সময়ত অঞ্চলটোত মাছ পোৱা নাযায়।

(২) গৰা খহনীয়া।

(৩) হ'লৌ বান্দৰবিলাকৰ বাসস্থান পৰিৱৰ্তন।

(৪) দিল্লীঘাটৰ সৌন্দৰ্যৰ অৱনতি।

মুঠৰ ওপৰত দিল্লীঘাটৰ পূৰ্বৰ যি প্ৰাকৃতিক সৌন্দৰ্য, সেয়া এতিয়া সম্পূৰ্ণ বিধ্বস্ত। হ'লৌ বান্দৰৰ চিঞৰত মুখৰিত হৈ থকা দিল্লী নদীৰ দুয়োপাৰ এতিয়া প্ৰায় নিস্তব্ধ। মেচিন, গাড়ীৰ শব্দ আৰু ধূলিয়ে সৃষ্টি কৰা এক প্ৰদূষিত পৰিৱেশ।

দিল্লীঘাটৰ এই অৱস্থাৰ বাবে থাউকতে আমাৰ মনলৈ অহা কাৰণবোৰ হ'ল—

(১) প্ৰাকৃতিক সম্পদৰ ওপৰত মাত্ৰাধিক হেঁচা,

(২) এচাম লুভীয়া মানুহৰ কম সময়তে অত্যধিক মুনাফা লাভৰ প্ৰচেষ্টা, আৰু

(৩) জনসাধাৰণৰ সচেতনতা আৰু দায়বদ্ধতাৰ অভাৱ।

এই সকলোবোৰ চালি-জাৰি চোৱাৰ পাছত আমি ইয়াকে ক'ব পাৰোঁ যে দিল্লীঘাটৰ আগৰ পৰিৱেশ ঘূৰাই আনিবলৈ হ'লে কিছুমান জৰুৰী পদক্ষেপ হাতত ল'ব লাগিব। যেনে—

(১) শিলৰ কোৱেৰীৰ পৰা যাতে অত্যধিক শিল উঠাই নিব নোৱাৰে সেয়া নিশ্চিত কৰা।

(২) জনসাধাৰণ আৰু ঠিকাদাৰসকলৰ মাজত সজাগতাৰ সৃষ্টি কৰিব লাগিব।

(৩) নদী সম্পৰ্কীয় ভৱিষ্যত আঁচনিত 'বহনক্ষম উন্নয়ন'ৰ কথা মনত ৰাখি প্ৰাকৃতিক সম্পদ আহৰণৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগিব।●

**দৰদী শইকীয়া বড়া** *নামৰূপ কলেজৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা। তেখেতৰ বন্যপ্ৰাণী আৰু পৰিৱেশ সংৰক্ষণৰ ওপৰত চলোৱা ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ বহুকেইটা প্ৰবন্ধ ইতিমধ্যে প্ৰকাশিত হৈছে। ম'বাইল নম্বৰ ঃ ৯৪৩৫৩-৩২১০৮।*

# এটা নিশা, এজাক হাতী আৰু মই





ফকিল আহমেদ বৰা

হঠাতে সাৰ পালোঁ, কোনোবা এজনে দুৱাৰত ঢকিয়াই ঢকিয়াই চিঞৰিছে— ছাৰ! ছাৰ! গীতাল ছাৰ! মই দুৱাৰ খুলি দেখোঁ যে চকীদাৰজনে চাহ একাপ হাতত লৈ ৰৈ আছে। তেতিয়া পুৱা ন বাজিছে। 'গীতাল' মানে কি বুলি সোধাত গম পালোঁ যে গাৰো ভাষাত নতুন— অৰ্থাৎ মই নতুন ছাৰ। হয়, মই চাকৰিত নতুন, কামত নতুন— নতুন ঠাই, নতুন কথা, নতুন পৰিৱেশ।

১৯৬৯ চনৰ এপ্ৰিল মাহৰ কথা। তেতিয়াৰ অসমৰ গাৰো পাহাৰ জিলাৰ ওৱাগিয়াছি নামৰ এই সৰু ঠাইখনৰ ভূমি সংৰক্ষণ আঞ্চলিক কাৰ্যালয়ৰ 'পৰিদৰ্শন কোঠা' হিচাপে ৰখা কোঠাটোত যোৱা ৰাতি কেনেবাকৈ কটালোঁ। নিশা বহু পলমকৈ শুব লগা হোৱাত টোপনিয়ে হেঁচা মাৰি ধৰিছিল। সেয়েহে মোক জগাবলগীয়া হ'ল।

গাৰো পাহাৰ ভূমি সংৰক্ষণ সংমণ্ডলৰ তুৰাৰ কাৰ্যালয়ত যোগদান কৰাৰ কিছুদিনৰ পিছতেই বিশেষ এটা বিভাগীয় গোচৰৰ চৰজমিন তদন্ত কৰিবলৈ ওৱাগিয়াছিলৈ আহিছিলো। [1] ওৱাগিয়াছি— গোৱালপাৰা জিলাৰ দুধনৈ, দামৰা, দাইনাডুবি হৈ ১৫ কিলোমিটাৰমান দক্ষিণে। এখন অটব্য হাবি এৰি দলংবিহীন দুধনৈখন পাৰ হৈ গাৰো পাহাৰৰ পাদদেশত দুখনমান সৰু সৰু দোকানৰে কিছুসংখ্যক মানুহৰ বসতিৰে এখন সৰু বস্তি। আমাৰ কাৰ্যালয়টোলৈ মূল পথৰ পৰা অকণমান যাব লাগে। সেই ফালে পাহাৰ, বিভাগীয় কফি, ৰবৰৰ বাগিছাকেইখনে পৰিৱেশটো আৰু মনোমোহা কৰি তুলিছে। কেৱল হাবি আৰু হাবি, চকুৰে মনিব পৰালৈকে। হাবিৰ পৰা ভাঁহি আহে ঝিলীৰ মাত। গধূলি হোৱাৰ লগে লগে চৌপাশ নীৰৱ-নিস্তব্ধ হৈ পৰে।

অৱশ্যে চৰাই-চিৰিকটিৰ কোলাহলে মাজে মাজে নীৰৱতা ভংগ কৰে। ঘোপমৰা এন্ধাৰ, লেমৰ পোহৰতে সকলো। ভাগ্য ভাল দুটা বেটাৰীৰ টিপ চাকি এটা লৈ আনিছিলোঁ।

আবেলি পৰতে ওৱাগিয়াছি আহি পাইছিলোঁহি। ৰাতিটো থাকি ৰাতিপুৱাই কাম-কাজখিনি কৰি তুৰালৈ ঘূৰি যোৱাৰ প্ৰ'গ্ৰেম। নৰ আচহুৱা লাগিছিল। আঞ্চলিক বিষয়া আটকিংচন মাৰাকে মোৰ কোনো অসুবিধা নোহোৱাকৈ থকা-মেলাৰ সকলো ব্যৱস্থা কৰি দিছিল। ভৈয়ামৰ ফালৰ বেক্ত উপাধিৰ জনৈক কৰ্মচাৰীৰ বাহিৰে বাকী সকলো কৰ্মচাৰী গাৰো গোষ্ঠীৰ। [2] 'নাখাম' আঞ্জাৰে ৰাতিৰ ভাতসাজ খাই শুই পৰিলোঁ। টোপনি ক'ত আহে? যিহে গৰম! বিচনী মাৰি মাৰি গাটো জুৰ পেলাবলৈ বহুত সময় লাগিল। কোনো সাৰি-শব্দ নাই। কোনোবা এজন কৰ্মচাৰীৰ ঘৰৰ ৰেডিঅ'ৰ গান কেতিয়াবাই বন্ধ হ'ল। নিমাত নিজম বহাগৰ নিশা।

'পৰিদৰ্শন কোঠা' তথা কাৰ্যালয়টোৰ গাতে লাগি থকা অসম আৰ্হিৰ পনীয়লি বেৰৰ ঘৰটো গুদাম ঘৰ, এফালে সাবৰ গুদাম। হঠাতে ঘৰটোত হোৱা কিছুমান শব্দত মই শিয়ঁৰি উঠিলো, ধুমুহাইহে যেন ঘৰটো জোকাৰি গ'ল। তীব্ৰ জোকাৰণিত ঘৰটো যেন বাগৰি পৰিব! নানানটা চিন্তাই মনটো জুমুৰি দি ধৰিলে, কি হ'ল? বতাহ-বৰষুণো নাই, ভূমিকম্প অহা বুলি বিছনাখনতে বহি পৰিলোঁ, এহাতে টৰ্চ লাইটটো আনহাতে বিচনীখন। কি কৰোঁ— চিঞৰি কাৰোবাক মাতিলেও

নুশুনিব, দুৱাৰ খুলি ওলাই যাবলৈও সাহস কৰিব পৰা নাই। ঘোৰ অন্ধকাৰ, এনেতে এটা বিকট চিঞৰ শুনি গম পালোঁ যে বনৰীয়া হাতীয়ে গুদাম ঘৰৰ নিমখীয়া সাৰ খাবলৈ আহিছে। খিৰীকিৰ ফাঁকেৰে চাই চকামকাকৈ দেখিলো দুটামান হাতী মোৰ কোঠাৰ কাষতে ৰৈ আছে। মই হাতীজাকৰ মাজতে থকা যেন লাগিল। মই ইফাল-সিফাল কৰিলেই বা টৰ্চ মাৰিলেই মোৰ কোঠাটোকে মহটিয়াই পেলাব। ভাগ্যক ধিয়াই ঘৰটোৰ ভিতৰতে উচ-পিচাই থাকিলোঁ। কিছু সময়ৰ পাছত মাৰাকে গাৰো ভাষাতে কাৰোবাক চিঞৰি চিঞৰি কিবা কৈ থকা যেন পালোঁ। মই নিশ্চিত হ'লোঁ যে বাহিৰত মানুহ জমা হৈছে, এতিয়া অন্ততঃ সম্ভাব্য বিপদৰ পৰা তেওঁলোকে মোক ৰক্ষা কৰিব। কিন্তু ঘৰটোৰ পৰা কোনটো সাহসত ওলাওঁ? দুৱাৰৰ মুখতে গজৰাজ! ইতিমধ্যে খিৰীকিৰ ফাঁকেৰে বাহিৰত জুইৰ পোহৰ দেখা পালোঁ। কেইজনমান লোকে ঢাক-ঢোল, টিং-ঘণ্টা বজাই হুলস্থুলীয়া পৰিৱেশ এটাৰ সৃষ্টি কৰিলে। এনেকৈয়ে কিছু সময় যোৱাৰ পিছত মাৰাকে মোক বাহিৰলৈ ওলাই আহিবলৈ কোৱাত ময়ো নিৰাপদ বুলি ভাবি বাহিৰলৈ ওলাই আহিলোঁ। মানুহৰ মাজ পাই ঘূৰি চাই দেখোঁ প্ৰায় সাত-আঠটামান হাতীয়ে সেই ঠাইৰ পৰা লাহে লাহে কফি বাগানৰ ফালে প্ৰস্থান কৰিছে।

আগতে শুনিছিলো, পঢ়িছিলোঁ, এতিয়া স্বচক্ষুৰে দেখা পালো যে হাতী খেদিবৰ কাৰণে জুই জ্বলোৱা, ঢাক-ঢোল বজোৱা স্থানীয় পৰম্পৰা। পুৱালৈকে জুইকুৰা জ্বলাই ৰাখিবলৈ কৈ, মোক শুবলৈ দি মাৰাক নিজৰ কোৱাৰ্টাৰলৈ গ'লগৈ। মই কোঠালৈ আহি নিৰ্ভয় মনে বিছনাত শুই পৰিলোঁহি। বাহিৰত দুজনমানে গীত গাই গাই জুইকুৰা বঢ়াই থাকিল। তেওঁলোকৰ গীত শুনি শুনি কেতিয়া টোপনি আহিল গমেই নাপালোঁ।

চাকৰি জীৱনৰ আৰম্ভণিতে বনৰীয়া হাতীৰ সৈতে নিশাটো কটোৱা মোৰ বাবে আছিল অতি ভয়লগা অভিজ্ঞতা, কিন্তু এটা কথা উপলব্ধি কৰিলোঁ যে অপকাৰ বা অন্যায় নকৰিলে হাতীয়ে কেতিয়াও আক্ৰমণ নকৰে। আজিও সেই নীতিকে মই বিশ্বাস কৰোঁ। সেই নিশাটোৰ কথা মনত পৰিলে মোৰ গাৰ নোম এতিয়াও শিয়ঁৰি উঠে।

পিছতহে গম পালোঁ যে সাৰ খাবলৈ কেতিয়াবা কেতিয়াবা হাতীৰ আগমন হয়, তেতিয়া জুই জ্বলাই ঢাক-ঢোল বজাই হাতী খেদি পঠোৱাৰ ব্যৱস্থা কৰা হয়। ●



বিঃ দ্ৰঃ *(১) বৰ্তমান ওৱাগিয়াছি ৰাষ্ট্ৰীয় পথৰ দাঁতিত। ৰাষ্ট্ৰীয় পথটো দুধনৈৰ পৰা দাৰুগিৰি-ৰংজেক হৈ বাঘমাৰালৈ গৈছে।*
*(২) 'নাখাম'ৰ অৰ্থ গাৰো ভাষাত শুকান মাছ।*

*ভূমি সংৰক্ষণ বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ফকিল আহমেদ বৰা বন্যপ্ৰাণী, পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদ সমূহৰ যথাযথ সংৰক্ষণৰ বিভিন্ন কাম কাজত সক্ৰিয়ভাৱে জড়িত। তেখেতৰ ম'বাইল নম্বৰ ঃ ৯৪৩৫১-৪৪২৯৮।*

# তাহানিৰ স্মৰণীয় দিনবোৰ



**দয়াল দাস**

১৯৭৭ চনৰ শেষ ভাগ কি ১৯৭৮ চনৰ আৰম্ভণি। সঠিক চন-মাহ-দিন এতিয়া মনত পৰা নাই। খুব সম্ভৱ ১৯৭৮ চনেই হ'ব। আমি তেতিয়া তেজপুৰৰ সদৰ ৰেঞ্জত কৰ্মৰত। তেজপুৰৰ দক্ষিণে ব্ৰহ্মপুত্ৰৰ সিটো পাৰে থকা বুঢ়াচাপৰি নামৰ বৃহৎ চৰাঞ্চল আৰু সৰু-ডাঙৰ আন আন চৰ-চাপৰিবোৰো সেই সময়ত সদৰ ৰেঞ্জৰ অন্তৰ্গত। সেই চাপৰি এলেকাবোৰলৈ যাবলৈ হ'লে নাৱেৰে ব্ৰহ্মপুত্ৰ নৈ পাৰ হৈ যোৱাত বাদে আন উপায় নাছিল, কাৰণ সেই সময়ত ব্ৰহ্মপুত্ৰৰ ওপৰত ভোমোৰাগুৰি-শিলঘাট সংযোগী কলিয়াভোমোৰা দলং হৈ উঠা নাছিল। তেজপুৰৰ পৰা নগাঁৱলৈ যাবলৈ হ'লে ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ যাব লগা হৈছিল। ফেৰীও অৱশ্যে বৃহদাকৃতিৰ আছিল। তাত একেলগে ট্ৰাক আৰু তিনি-চাৰিখন সৰু গাড়ীৰ লগতে ৪০-৫০জন মানুহে এবাৰতে পাৰ হ'ব পাৰিছিল। তেজপুৰ-শিলঘাটৰ মাজত ফেৰী চলিছিল দিনত দুবাৰ। বুঢ়াচাপৰি শিলঘাটৰ পৰা প্ৰায় আঠ-দহ কিলোমিটাৰ দক্ষিণত। সেই ঠাইৰ পৰাও খোজ কাঢ়ি নাইবা চাইকেলতহে যাব পৰা ৰাস্তা আছিল।

বুঢ়াচাপৰিলৈ যাবলৈ হ'লে তেজপুৰতকৈ নগাঁৱৰ ফালৰ পৰাহে আহিবলৈ চমু আৰু সুবিধাজনক যদিও বহু দূৰ ঘূৰি আহিব লাগে বাবে সাধাৰণতে নাৱেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ যোৱাটোকে সুবিধাজনক বুলি তেনেকৈয়ে যোৱা হয়।

বুঢ়াচাপৰিত সেই সময়ত জনবসতি নাছিল। বন বিভাগৰ এটি কাঠৰ চাংঘৰ আছিল। তাত এজন ফৰেষ্টাৰ আৰু তেখেতৰ অধীনত চাৰি-পাঁচজন ফৰেষ্ট গাৰ্ড আছিল। সদৰ ৰেঞ্জৰ অধীনত সেইটো আছিল এটা ছাব বিট অফিচ। মানুহৰ বসতি নাছিল যদিও শিমলু, চিদা, খয়েৰ, ভেলকৰ, আজাৰ আৰু ঝাও বনেৰে ঠায়ে ঠায়ে আবৃত ঘন অৰণ্য আছিল। মুকলি ঠাইবোৰ আছিল বিৰিণা, কহুৱা, খেৰ আদি তৃণজাতীয় বনেৰে আবৃত। জলাশয় আৰু দ ঠাইবোৰত প্ৰচুৰ পৰিমাণে ইকৰা, নল, দলঘাঁহ, কহুৱা আদি গজিছিল। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ বুঢ়াচাপৰি আছিল প্ৰকৃতিৰ লীলাভূমি। এপ্ৰিল-মে' মাহত যেতিয়া শিমলু আৰু আজাৰ গছবোৰত ফুল ফুলি উঠে, তেতিয়া এনে লাগে যেন এইখন মৰতৰ নন্দন কাননহেঞ্চ একেই সময়তে পলাশবোৰত যেতিয়া ফুল ফুলে, দূৰৈৰ পৰা দেখিলে এনে লাগে যেন গছৰ ওপৰত জুই জ্বলি আছেঞ্চ কিয়নো পলাশ ফুলৰ ৰং জুই শিখাৰ নিচিনা। সেই সময়ত প্ৰদূষণৰ পৰা সম্পূৰ্ণভাৱে মুক্ত বুঢ়াচাপৰি এখন ঋষিৰ আশ্ৰমৰ নিচিনা আছিল।

সেই অৰণ্যত মুক্তভাৱে বিচৰণ কৰিছিল বনৰীয়া হাতী, গঁড়, বাঘ, ম'হ, মেথোন, পহু, গাহৰি আদি জন্তুবোৰে। চাপৰিয়ে চাপৰিয়ে কাজিৰঙাৰ লগত বুঢ়াচাপৰিৰ সংযোগ আছিল বাবে এঠাইৰ পৰা আন ঠাইলৈ বনৰীয়া জন্তুবোৰে মুক্তভাৱে বিচৰণ কৰি ফুৰিছিল। চৰাইৰ ভিতৰত বেছিকৈ দেখা পোৱা গৈছিল বনৰীয়া মুৰ্গী, দাউক, নানা জাতৰ বগলী, পানী কাউৰী, শগুন, চিলনী ইত্যাদি। শীতকালি চাকৈ চকোৱা, ভেলা আদি চৰাইবোৰে জাক পাতি জলক্ৰীড়া কৰি থকা দেখিলে মনটো অজান মুলুকলৈ ক্ষন্তেকৰ বাবে হ'লেও উৰা মাৰিছিল। তথাপিও নিৰ্দয় নিষ্ঠুৰ চিকাৰীৰ হাতত পহু, গাহৰি আৰু চৰাইবোৰে মাজে মাজে প্ৰাণ দিব লগা হৈছিল। ভদ্ৰতাৰ মুখা পিন্ধা বহু তথাকথিত ভদ্ৰ মানুহেও এনে জঘন্য কাম কৰিছিল।

বন আইনমতে ৰিজাৰ্ভ ফৰেষ্টৰ ভিতৰত সাধাৰণ লোকে জুইশলা, যাঠি-জোং, বন্দুক আদি লৈ সোমোৱাত বাধা-নিষেধ আছে যদিও চোৰাং চিকাৰী সোমাই মাজে মাজে বন্যজন্তু নিধন কৰাটো চকুত পৰিছিল। চোৰাং চিকাৰীৰ শেনচকু আছিল গঁড় আৰু পহুৰ ওপৰত। তেজপুৰৰ ফালৰ পৰা তালৈ যোৱাটো



সুবিধাজনক নহয় বাবে সাধাৰণতে নগাঁৰৰ ফালৰ পৰা চোৰাং চিকাৰী তাত সোমাই মাজে মাজে গঁড় নিধন কৰি খড়্গটো কাটি লৈ গৈছিল। বাৰিষাকালত গঁড় নিধন যজ্ঞ বেছিকৈ হৈছিল, কাৰণ ইপাৰৰ পৰা ব্ৰহ্মপুত্ৰ পাৰ হৈ গৈ হঠাৎ পেট্ৰ'লিং কৰাটো উজু নহয়। তাত থকা তাকৰীয়া কৰ্মচাৰীসকলৰ বাবেও বৃহৎ এলেকাটো চোৰা-চিতা কৰা ইমান সহজ কাম নাছিল। তদুপৰি বাৰিষা কালত চাপৰিৰ সৰহ অংশ পানীত বুৰ গৈ থাকে। তথাপিও জীৱনটো হাতত লৈ গঁড় মৰা খবৰ পোৱাৰ লগে লগে ভেটেৰীনেৰী ডাক্তৰক লগত লৈ সৰু নাৱেৰে হ'লেও ভৰ বাৰিষাৰ ব্ৰহ্মপুত্ৰ নৈ পাৰ হৈ গৈ প'ষ্ট মৰ্টেম্ কৰি ঘূৰি আহিব লগাত পৰিছিল। তেজপুৰৰ ওচৰত ভোমোৰাগুৰিত জীয়া ভৰলু নৈ আহি ব্ৰহ্মপুত্ৰত পৰিছে বাবে সেই অংশত বাৰিষা কালত পানীৰ সোঁত ইমান বেছি হয় যে নেদেখা মানুহে কল্পনা কৰিব নোৱাৰে। তেনেকুৱা সময়ত ব্ৰহ্মপুত্ৰ পাৰ হবলৈ স্থানীয় লোকে হকা-বধা কৰা সত্বেও কৰ্তব্যৰ খাতিৰত সেই কাম কৰিবলগীয়া হৈছিল। সেই কথা স্মৰণ কৰিলে এতিয়াও গাৰ নোম শিয়ঁৰি উঠে। এবাৰ তেনেকৈ গৈ ব্ৰহ্মপুত্ৰৰ ৰুদ্ৰ মূৰ্ত্তি দেখি নৈৰ মাজমানৰ পৰা উভতি আহিবলগীয়াত পৰিছিলোঁ। পাৰৰ মানুহ আৰু মাছমৰীয়াসকলে ধৰি লৈছিল যে ইহঁত আৰু ঘূৰি নাহে। খৰস্ৰোতা নৈৰ পানীত ইহঁতৰ সলিল সমাধি ঘটিব। কিন্তু ৰাখে হৰি মাৰে কোনেঙ্গ সেইবাৰলৈ যেনিবা ভগৱানৰ কৃপাত প্ৰাণ ৰক্ষা পৰিল।

আন এবাৰ তেনেকৈ গৈ নৈৰ মাজমানৰ পৰা পাৰ হব নোৱাৰি ঘূৰি আহি উপায়ুক্তৰ পৰা তেখেতৰ যন্ত্ৰচালিত নাওখন লৈ গৈ দ্বিতীয়বাৰ যেতিয়া চেষ্টা চলাওঁ, সেইবাৰো সফল হ'ব নোৱাৰিলোঁ। নৈত ইমান সোঁত আছিল যে চাকনৈয়াত পৰি যন্ত্ৰচালিত নাওখন ঘূৰিবলৈ ধৰিলে। ভাবিলোঁ এইবাৰ সকলো শেষ। পশু চিকিৎসকজনে মোক সাৰটি ধৰি হৰিৰ নাম ল'বলৈ ধৰিলে। তেখেতে ক'বলৈ ধৰিলে, "আজি আমি সকলোকেইজনে বাবা ব্ৰহ্মপুত্ৰৰ বুকুত শুই পৰিব লাগিব।" তেখেতে আৰু ক'লে, "মোৰ ঘৰ শুৱালকুছিত। ব্ৰহ্মপুত্ৰৰ পানীত বাৰিষা-খৰালি গা ধুই খেলা কৰা অভ্যাস আছে। কিন্তু আজি ব্ৰহ্মপুত্ৰৰ যি ৰূপ দেখিলোঁ তেনেকুৱা ৰূপ কোনোদিনেই দেখা নাই। আজি এই ধৰাত আমাৰ শেষ দিন।" কিন্তু শ্ৰীহৰিৰ কৃপাত সেইবাৰ যেনিবা ৰক্ষা পৰিলোঁ। ব্ৰহ্মপুত্ৰ পাৰ হ'ব নোৱাৰি কোনোমতে প্ৰাণ বচাই ঘূৰি আহিলোঁ। সেইবাৰো দ্বিতীয়বাৰ বাবে প্ৰাণ ৰক্ষা পৰিল।

বুঢ়াচাপৰিত বহু ডাঙৰ ডাঙৰ জলাশয় আৰু বিল আছে। ঠিক কাজিৰঙাৰ ভিতৰত থকা বিলবোৰৰ নিচিনা। সেইবোৰত অসংখ্য মাছ-কাছ আদি পোৱা গৈছিল। সেই বিলবিলাকত ডাঙৰ ডাঙৰ চিতল, ৰৌ, ভকুৱা, বৰালি, বাহু, শাল, শোল, কাৱৈ, গৰৈ আদি মাছ পোৱা গৈছিল। তদুপৰি ২০-২৫ কেজি ওজনৰ একোটা কাছ। বিলবোৰ লীজত দি তাহানিতে বন বিভাগে সাত-আঠ লাখ টকা ৰেভিনিউ লাভ কৰিছিল— যেতিয়া ৰৌ মাছৰ কেজি আছিল ডেৰ-দুটকা।

জন্তু-জানোৱাৰতো বাদেই, বিলৰ মাছ-কাছৰ ওপৰতো মানুহৰ শেন চকু। লেচীবিলাকে ওচৰ পাজৰৰ মানুহক খোৱাৰ বাবে খুব কম দামতে মাছ দিম বুলি কয় যদিও তেওঁলোকে নামানে। আটাইখিনি মাছেই সিহঁতক বিনা পইচাই দিব লাগে। সিহঁতে কয়— এই ঠাইডোখৰ আমাৰ। ইয়াৰ মাছ-কাছবোৰক আমি সংৰক্ষণ দি ৰাখিছোঁ। গতিকে গোটেইখিনি মাছ আমাক দিব লাগে। ইয়াৰ মাছ-কাছৰ ওপৰত আমাৰ সম্পূৰ্ণ অধিকাৰ আছে। লাগিলে আমি তোমালোকক (লেচীবোৰক) অলপ পইচা দিম। এদিন লেচীবোৰে আহি ক'লে যে দুদিন পাছত ওচৰৰ গাঁৱৰ মানুহখিনি আহি বলপূৰ্বক মাছ মৰাৰ সিদ্ধান্ত লৈছে। তেতিয়া সংমণ্ডল প্ৰাধিকাৰীয়ে আমাক মাতি নি ক'লে, "দাস, আপুনি নিজে গৈ সিহঁতক তেনে অন্যায় কামৰ পৰা যিকোনো উপায়ে বিৰত ৰাখক।" সিপাৰৰ গাঁৱৰ মানুহখিনি উগ্ৰ স্বভাৱৰ বুলি তেজপুৰৰ সকলো মানুহে জানে। গতিকে বন্ধুভাৱাপন্ন মানুহখিনিয়ে মোক তালৈ যাবলৈ বাৰম্বাৰ মানা কৰিলে।

তেওঁলোকে ক'লে যে যদি অগত্যা যায়ো, লগত পুলিচ লৈ যাব। কিন্তু কি কৰোঁ— এপিনে কৰ্তব্যৰ দায়িত্ব, আনপিনে ওপৰৱালাৰ হুকুম। উভয় সংকটত পৰিলোঁ। গোটেই ৰাতি চিন্তা কৰিলোঁ। বিভাগীয় বাসগৃহত নৱ বিবাহিতা পত্নী দুবছৰীয়া কেঁচুৱাৰ সৈতে। কৰ্তব্য ডাঙৰ নে পৰিয়াল? এটাই ভাত দিছে, আনটোৱে মানসিক শান্তি। কৰ্তব্যৰ কথা চিন্তা কৰি শেষত যোৱাটোকে ঠিক কৰিলোঁ। ভাবিলোঁ পুলিচ লগত নিয়া মানে সিহঁতক আৰু অধিক উত্তেজিত কৰা। গতিকে পুলিচ নিনিয়াটোকে ঠিক কৰিলোঁ। ডাঙৰ নাও নাপালোঁ। সেয়েহে লগত চাৰিজনমান কৰ্মচাৰী লৈ সৰু নাও এখনেৰে ৰাতিপুৱাই যাত্ৰা কৰিলোঁ। ৮-৩০মান বজাত গৈ নৈৰ সিপাৰ পালোঁ। ইপাৰৰ বন্ধুস্থানীয় মানুহখিনিয়ে চিন্তা কৰিবলৈ ধৰিলে— আমাৰ হাক-বচন নামানি দাস গ'ল। প্ৰভু, তেওঁলোকক যেন ভালে-কুশলে ঘূৰাই আনা! মইয়ো গোটেই বাটছোৱা ভগৱানৰ নাম স্মৰণ কৰি গৈ থাকিলোঁ। বন্ধুবৰ্গৰ হাক-বচন নামানি আহিলোঁ। হে প্ৰভু, আজি যেন ভালে-কুশলে ঘূৰি আহিব পাৰোঁ! গৈ পাই দূৰৈৰ পৰা দেখোঁ প্ৰায় ১৫০জন মানুহে যিটো আটাইতকৈ ডাঙৰ বিল তাতে নামি মাছ মৰা আৰম্ভ কৰিছে। ওচৰলৈ গৈ সিহঁতক বুজাবলৈ ধৰিলোঁ। কিন্তু সিহঁতে নামানে, মাছ মাৰিলই। যিমানে বুজাবলৈ ধৰিলোঁ সিমানে সিহঁত উগ্ৰ হ'বলৈ ধৰিলে। যেতিয়া টান কথা শুনাবলৈ ধৰিলোঁ, এপাকত আহি চাৰিওফালৰ পৰা আমাক ঘেৰি ধৰিলে। অভিমন্যু চক্ৰবেহুৰ ভিতৰত সোমোৱা দি আমিও সিহঁতৰ চক্ৰবেহুৰ মাজত আবদ্ধ হৈ পৰিলোঁ। সিহঁতৰ হাতত দা-যাঠী। ভাবিলোঁ আজি সিহঁতৰ হাতত প্ৰাণ হেৰুৱাব লাগিব। বন্ধুবৰ্গৰ হাক-বচন নামানি এনেদৰে অহাৰ প্ৰতিফল পাব লাগিব বুলি ভয়ো খাইছিলোঁ।

বিপদত ধৈৰ্য হেৰুওৱা উচিত নহয়; সেই কথা মনত পৰাত শেষ অস্ত্ৰ হিচাপে হাতযোৰ কৰি সিহঁতক বুজাবলৈ চেষ্টা কৰিলোঁ। কিছুমানে বুজে, কিছুমানে নুবুজে। বয়সিয়াল কেইজনমান মানুহ আগবাঢ়ি আহি ক'লে— "ছাৰ ইয়াত কেইজনমান খুব বেয়া মানুহ আছে। বহুত বুজায়ো আমি সিহঁতক মনাব পৰা নাই। গতিকে আপোনালোকে যিমান সোনকালে পাৰে ইয়াৰ পৰা গুচি যোৱাই ভাল হ'ব। নহ'লে পাছত কিবা অঘটন হ'লে আমাক নুদুষিব"। সেই সময়ত মোৰো গাত ডেকা তেজৰ পিৰ্‌পিৰণি। যি হয় হওক বুলি চিঞৰি চিঞৰি সিহঁতৰ লগত তৰ্ক যুদ্ধত লিপ্ত হ'লোঁ। দেখিলো বয়সিয়াল লোককেইজনে সিহঁতৰ কাণে কাণে কিবা কথা কৈছে। খুব সম্ভৱ সিহঁতক বুজালে যে তেওঁলোক চৰকাৰৰ মানুহ। চৰকাৰৰ হুকুম মানি কৰ্তব্য পালন কৰিবলৈ ইয়ালৈ আহিছে। এনে সময়ত যদি তেওঁলোকৰ ইয়াত কিবা অঘটন ঘটোৱা, তেনেহ'লে পিছৰ পৰিণতি কি হ'ব এবাৰ ভাবি চোৱা। সেয়েহে তোমালোকে ভালে ভালে ইয়াৰ পৰা গুচি যোৱাই মংগল।

দেখিলোঁ সিহঁতৰ মাজৰ কেইজনমান পিছুৱাই গৈছে। বুজিলোঁ খণ্ডৰ ভমকত কিবা এটা কৰি পিছৰ পৰিণতি কি হ'ব ভাবি ভয় খালে। সেয়েহে লাহে লাহে তেওঁলোক সেই ঠাইৰ পৰা আঁতৰি গ'লগৈ। আমিও নিশ্চিত মৃত্যুৰ দুৱাবদলিৰ পৰা প্ৰাণ লৈ আঁতৰি আহিলোঁ।

ইপাৰলৈ আহি দেখোঁ কেইজনমান হিতাকাংক্ষী লোক নৈৰ পাৰত ঠিয় হৈ আছে। কোনো ধৰণৰ হানি-বিঘিনি নোহোৱাকৈ ঘূৰি অহাৰ বাবে তেওঁলোকে আমাক অভিনন্দন জনালে। তাত যি যি ঘটিছিল সেই কথা যেতিয়া তেওঁলোকৰ আগত বৰ্ণনা কৰিলোঁ, তেতিয়া তেওঁলোকে ওপৰলৈ হাতযোৰ কৰি নেদেখাজনৰ ওচৰত প্ৰণাম জনালে। তেওঁলোকে আৰু ক'লে— "আমি থানাত সকলো কথা ইতিমধ্যে জনাই থৈ নাও পৰ্যন্ত সাজু কৰি ৰাখিছোঁ। আৰু অলপ দেৰি হ'লে পুলিচ লৈ আমি তালৈ গ'লোঁহেতেন।" সেই কথা শুনাৰ পাছত তেওঁলোকক অশেষ ধন্যবাদ জনালোঁ।

পিছত জানিব পাৰিলোঁ শুভাকাংক্ষীকেইজনে হেনো এই বিষয়ে সংমণ্ডল প্ৰাধিকাৰীৰ লগতো আলোচনা কৰিছিল। তেওঁলোকৰ লগত আলোচনা হোৱাৰ পাছত সংমণ্ডল প্ৰাধিকাৰীয়েও হেনো গোটেই দিনটো যথেষ্ট চিন্তাত কটালে। পাছত মোক মাতি নি ক'লে— "মই জানিছিলোঁৱেই, দাস গৈছে যেতিয়া কামটো সুকলমে সমাধা কৰি ঘূৰি আহিবই।"●

*শ্ৰী দয়াল দাস অসম ভূমি সংৰক্ষণ বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধিকাৰী। বৰ্তমান অৱসৰপ্ৰাপ্ত বন বিষয়া সংস্থা, অসমৰ সম্পাদক। তেখেতে বন, পৰিবেশ আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ বিভিন্ন কাম-কাজৰ সৈতে জড়িত হৈ আছে।*

# শিল্পপ্ৰাণ চন্দ্ৰ ফুকনদেৱৰ আদৰ্শ আৰু কৰ্মৰাজি



প্ৰেমদা ফুকন

চন্দ্ৰ ফুকনদেৱৰ লগত আমাৰ বিয়া হয় ১৯৪৮ চনত। বিয়া হৈ আহি তেখেতৰ সৈতে মৃত্যু পৰ্যন্ত সহবাস কৰিছিলোঁ। তেখেতে ১৯৩৬ চনত ইংৰাজীত সন্মান সহকাৰে স্নাতক ডিগ্ৰী লাভ কৰিও কোনো চৰকাৰী চাকৰি নকৰি মৌজা লৈ কুঠৰীলৈ আহিছিল। ১৯০৯ চনৰ ২৭ আগষ্টত নগাঁও চহৰৰ আমোলাপট্টিত তেখেতে জন্মগ্ৰহণ কৰে। তেখেতৰ পিতৃ প্ৰয়াত কন্দৰ্পেশ্বৰ ফুকন আৰু মাতৃ প্ৰয়াত সৰু আইদেউ। সাতঘৰীয়া আহোম বংশৰ বুঢ়াগোহাঁই ফৈদৰ বিখ্যাত নাওবৈচা ফুকন পৰিয়ালৰ লোক আছিল ফুকন ডাঙৰীয়া। মৌজাদাৰ হৈ কুঠৰীলৈ আহি তেখেতে ইয়াৰ পাহাৰ-ভৈয়ামৰ সকলো লোকৰ লগত মিলি সকলোৰে সহযোগত কুঠৰী অঞ্চলটো আগবঢ়াই নিবলৈ যত্নপৰ হৈছিল। তেখেতে অৰ্থনৈতিকভাৱে আগবঢ়াৰ নতুন পদক্ষেপ হিচাপে নীলা হাফপেণ্ট, বগা চাৰ্ট আৰু মূৰত টুপী পিন্ধি হাতত বুটি কোৰ লৈ আনাৰসৰ বাগিচা খুলিলে। লগে লগে উদ্যোগ স্থাপনৰ বাটকটীয়া হৈ "গ্ৰীণভিউ প্ৰডাক্টছ" নামেৰে ফল সংৰক্ষণ কাৰখানা প্ৰতিষ্ঠা কৰিলে। আমি কুঠৰীলৈ অহাৰ সময়ত আনাৰসৰ বাগিচা আৰু ফল সংৰক্ষণ কাৰখানা পূৰ্ণোদ্যমে চলি আছিল। নিকট আত্মীয়ৰ বিষয়ে কোৱাটো বা লিখাটো বৰ টান। তেখেতৰ কৰ্ম আৰু চিন্তাৰ জগতখনৰ ওচৰ চপাই টান। তেখেতৰ চিন্তা দৌৰিছিল সময়তকৈ আগত।

অসমৰ এগৰাকী প্ৰখ্যাত নাট্য শিল্পী হিচাপে ইতিমধ্যে সকলোৰে পৰিচিত হৈ পৰা ফুকনদেৱে সকলো কামৰ ব্যস্ততাৰ মাজতো নগাঁও নাট্য মন্দিৰৰ লগত সদায় নিবিড় সম্পৰ্ক ৰক্ষা কৰি চলিছিল। নাটকত অভিনয় কৰা, নাট পৰিচালনা কৰা আৰু প্ৰযোজনা কৰা— সকলো কৰ্মতে তেখেত জড়িত হৈ আছিল। নগাঁও নাট্য মন্দিৰটো সৰ্বাংগীনভাৱে গঢ়ি তোলাটো তেখেতৰ সপোন আছিল। নাট্য প্ৰদৰ্শনৰ উপৰি লটাৰী খেল পাতি অৰ্থ সংগ্ৰহ কৰি নাট্য মন্দিৰৰ কাম কৰি গৈছিল। নাটকৰ উপৰি তেখেতে 'বিপ্লৱী' আৰু 'পাৰঘাট' নামৰ দুখন কথাছবিতো নায়কৰ ভূমিকাত অভিনয় কৰিছিল। আমি নিজে শিল্পী নহ'লেও তেখেতক শিল্প কৰ্মত সহযোগিতা আগবঢ়াই আহিছিলোঁ।

অসম আৰু দেশৰ বিভিন্ন শিল্পী, জননেতাই তেখেতক লগ পাবলৈ আহিলে আদৰ-অভ্যৰ্থনাৰ দায়িত্ব নিজে কান্ধ পাতিলৈ সকলোকে আপ্যায়ন কৰিছিলোঁ। এনে আদৰ-অপ্যায়ন কৰিবলৈ পাই নিজেও বৰ সুখী হৈছিলোঁ। উজনি-নামনিলৈ আহ-যাহ কৰা সেই সময়ৰ শিল্পী, সাহিত্যিক, পণ্ডিত, অধ্যাপক, জননেতাসকলে ফুকনদেৱক দেখা নকৰাকৈ কুঠৰী তিনি আলিৰ এই বাসভৱন পাৰ হৈ যাব নোৱাৰিছিল। সেইদৰে কুঠৰী অঞ্চলৰ সহজ-সৰল লোকসকলকো অৱহেলা নকৰি মৰম, স্নেহ আৰু সৌহাৰ্দ্যতাৰে আদিৰ লৈছিল। তেখেতৰ সৈতে এবাৰ কথা-বতৰা পতা লোকে তেখেতক পাহৰিব নোৱাৰিছিল। বুদ্ধিদীপ্ত সুন্দৰ কথা-বতৰাৰে তেওঁ সকলোকে মুহিব পাৰিছিল। বাক্ চাতুৰ্য তেখেতৰ ব্যক্তিত্বৰ এটি আকৰ্ষণীয় দিশ আছিল।

১৯৫৬ চন মানলৈকে কাজিৰঙাখন আছিল সংৰক্ষিত বনাঞ্চল। বন বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়াসকল আহি তেখেতৰ সৈতে কাজিৰঙাখনক এখনি উচ্চমানবিশিষ্ট অভয়াৰণ্য কৰি কেনেকৈ গঢ়ি তুলিব পাৰি সেই বিষয়ে আলোচনা কৰিছিল।

পিছত ইয়াক অভয়াৰণ্যলৈ উন্নীত কৰা হৈছিল। কাজিৰঙাক ৰাষ্ট্ৰীয় উদ্যান পতাৰ বিষয়েও সংশ্লিষ্টসকলে তেখেতৰ লগত আলোচনা কৰিছিল। উদ্যান পতাৰ নামত ইয়াৰ কাষৰীয়া লোকসকল যাতে কোনো ধৰণৰ ক্ষতিৰ সন্মুখীন নহয়, তাৰ বিষয়ে নিজৰ মত ব্যক্ত কৰিছিল। তেখেতৰ মৃত্যুৰ পিছত ১৯৭৪ চনত কাজিৰঙাক ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰা হ'ল। আন্তৰ্জাতিক খ্যাতিসম্পন্ন কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগতে কাষৰীয়া অঞ্চলসমূহো বিখ্যাত হৈ পৰিল। কিন্তু কাজিৰঙাৰ কাষৰীয়া অঞ্চলৰ নিৰীহ জনসাধাৰণৰ জীৱন যাপনৰ মান উন্নীত কৰা আঁচনি কৰ্তৃপক্ষৰ ফালৰ পৰা বা চৰকাৰৰ ফালৰ পৰা লোৱা দেখা পোৱা হোৱা নাই।

কুঠৰী অঞ্চলৰ লোকসকলক শিক্ষাৰ পোহৰ দিবলৈ তেখেতে স্থানীয় উৎসাহী লোকসকলক লগত লৈ "কুঠৰী ৰায়ত সভা" (পিছলৈ কুঠৰী উন্নয়ন পৰিষদ) গঠন কৰি পুঁজি সংগ্ৰহ কৰি গাঁৱে গাঁৱে প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিলে। কুঠৰী উচ্চ মাধ্যমিক বিদ্যালয়খন বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হৈ অঞ্চলটোত শিক্ষাৰ এটি পৰিৱেশ গঠন হৈছে।

কৃষিৰ লগতে হাঁহ-কুকুৰাৰ ফাৰ্ম, মৌ পালন, মৎস্য পালন আদি নিজে কৰি আনক আদৰ্শ দেখুৱাইছিল। কুঠৰীক অসমৰ মানচিত্ৰত এটি বিন্দুৰূপে প্ৰতিষ্ঠা কৰিবলৈ কৰা তেখেতৰ প্ৰচেষ্টাৰ ফলত অসমৰ মানচিত্ৰত কুঠৰী এক বিন্দুৰূপে চিহ্নিত হ'ল।

আমাকো ভাৰতীয় নাৰীৰ আদৰ্শৰে স্বামীৰ সেৱা কৰাৰ লগতে সমাজ সেৱাৰ বাবেও প্ৰেৰণা দিছিল। ফুকনদেৱ এজন জীৱন শিল্পী আছিল। এজন গৃহস্থ হিচাপেও তেখেত আছিল আদৰ্শ ব্যক্তি। বাক্য-বচন, আচাৰ-ব্যৱহাৰ, খোজ-কাটল সকলোতে তেখেতৰ শিল্পীসুলভ মনোভাৱ ফুটি উঠিছিল। সেয়ে স্থানীয় ৰাইজে তেখেতৰ ৰাজকীয় গাম্ভীৰ্যৰ ব্যক্তিত্বৰ বাবে ফুকন চাহাব বুলি মাতিছিল। তেখেতৰ সমসাময়িক শিল্পীসকলে তেখেতক এজন প্ৰকৃত ভদ্ৰলোক বুলি কৈছিল। অভিনয় শিল্পী হিচাপে তেখেতক পূৰ্ণতাপ্ৰাপ্ত শিল্পী বুলিও কৈছিল।

আমাৰ বিশ্বাস, ফুকনদেৱে অসমৰ নাট্যজগতত এক নজহা-নপমা সত্বাৰূপে সকলোকে অনুপ্ৰেৰণা দি থাকিব। নগাঁও নাট্য মন্দিৰ অত্যাধুনিকৰূপে গঢ় দিওঁতা এচাম ন শিল্পীক তেখেতে পোহৰলৈ আনি প্ৰতিষ্ঠিত কৰি গ'ল।

কুঠৰী অঞ্চলৰ সৰ্বাংগীন উন্নয়নৰ হকে ফুকনদেৱে দেহে-কেহে খাটিছিল। অঞ্চলটোৰ নিৰীহ লোকসকলক শিক্ষা-সংস্কৃতিৰ পোহৰে আলোকিত কৰি তুলিবলৈও তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। দুখীয়া-নিচলা লোকসকলক স্বাৱলম্বী হ'বলৈও নানা দিহা দি ফুৰিছিল। অসম সাহিত্য সভাৰ শাখা হিচাপে কলিয়াবৰ সাহিত্য সভা স্থাপনতো ফুকনদেৱে আগভাগ লৈছিল। কুঠৰীৰ ৰাইজেও ফুকনৰ নিস্বাৰ্থ সেৱাৰ স্বীকৃতি হিচাপে স্থানীয় বিধায়ক শ্ৰীকেশৱ মহন্তক ধৰি কুঠৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত তেখেতৰ এটি মূৰ্তি প্ৰতিষ্ঠা কৰিলে। অসম পৰ্যটন বিভাগেও তেখেতৰ বাসস্থানৰ লগতে পৰ্যটন কেন্দ্ৰ এটি প্ৰতিষ্ঠাৰ জৰিয়তে তেখেতৰ স্মৃতি স্থায়ী কৰাৰ মহান ব্যৱস্থাত আমি স্বাভাৱিকতে গৌৰৱ অনুভৱ কৰিছোঁ। ইয়েই নিশ্চয় উঠি অহা প্ৰজন্মক আগুৱাই যোৱাৰ প্ৰেৰণা দিব। ফুকনদেৱৰ কৰ্ম আৰু আদৰ্শই সকলোকে প্ৰেৰণা যোগাওক, ইয়াকে কামনা কৰিলোঁ।●

*শ্ৰীযুতা প্ৰেমদা ফুকন প্ৰয়াত চন্দ্ৰ ফুকন দেৱৰ পত্নী। তেখেতে কাজিৰঙাৰ বাগৰি অঞ্চলত নানা জনহিতকৰ কাৰ্যৰ লগত জড়িত হৈ আছে, লগতে পৰ্যটন উদ্যোগলৈও সেৱা আগবঢ়াই আছে। ম'বাইল নম্বৰ ঃ ৯৬৭৪৩– ১৫৩৪২।*

# ফ্ৰিঅ'ডৰ বুকুত



**দীপালী দত্ত বৰদলৈ**

ফ্ৰিঅ'ড শব্দটো চিনাকি হৈও অচিনাকি। ভূগোলৰ হাইস্কুলৰ জ্ঞানৰ পৰিসীমাত ফ্ৰিঅ'ড কি কাহানিও শুনা যেন মনত নপৰে। তথাপি ২০০৫ চনত 'ইউনেস্কৰ হেৰিটেজ ছাইট' হিচাপে পৰিগণিত হোৱা নৰৱেৰ চগ্নেফ্ৰিঅ'ডৰ কথা পঢ়িছিলোঁ। ২০১১ চনত সুবিধা ওলাল ছুইডেনলৈ যাবলৈ। ছুইডেনৰ লিঞ্চপিন বিশ্ববিদ্যালয়ত কৰ্মৰত দ্বিতীয় পুত্ৰ উন্মেষে মাতিলে ছুইডেনলৈ। সেই সময়তে আমেৰিকাৰ পৰা বৰপুত্ৰ উদ্দীপ্তয়ো চাকৰি সংক্ৰান্তত জাৰ্মানীলৈ অহাৰ কথা। গতিকে দুয়ো ঠিক কৰিলে নৰৱেলৈ গৈ ফ্ৰিঅ'ড চাবলৈ। গতিকে ছুইডেনৰ পৰা ২০১১ চনৰ ২৪ জুনত আমি নৰৱেৰ ৰাজধানী অছলো পালোঁগৈ। ২৫ জুনৰ পুৱা ৮-১১ বজাত ৰে'লেৰে যাত্ৰা আৰম্ভ কৰিলো। গন্তব্যস্থল নৰৱেৰ পশ্চিম উপকূলৰ বাৰ্গেন চহৰ যদিও মূল উদ্দেশ্য ফ্ৰিঅ'ড চোৱা। সাধাৰণভাৱে ক'বলৈ গ'লে ফ্ৰিঅ'ড হ'ল যুগ যুগৰ প্ৰাকৃতিক বিৱৰ্তনৰ সাক্ষী, কাহিনী। যেতিয়া কোনো গ্লেচিয়াৰ দুটা পাহাৰৰ মাজেদি বৈ আহোতে পাহাৰৰ



শিল, মাটি, বালি খান্দি লৈ আহে আৰু এনেদৰে বৰফ বৈ আহোঁতে আহোঁতে পাহাৰৰ মাজৰ ঠাইখিনি সাগৰৰ জলপৃষ্ঠতকৈ দ হৈ পৰাত তালৈ সাগৰৰ পানী সোমাই আহে, তেতিয়াই ফ্ৰিঅ'ডৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে নৰৱেৰ চগ্নেফ্ৰিঅ'ড, কানাডাৰ গ্ৰীলি ফ্ৰিঅ'ড আদি। গ্ৰীণলেণ্ড, আয়াৰলেণ্ড, স্কটলেণ্ড আদিতো এনে ফ্ৰিঅ'ড আছে। পৃথিৱীৰ আটাইতকৈ দীঘল ফ্ৰিঅ'ডবিলাকৰ এটা দক্ষিণ নৰৱেৰ চগ্নেফ্ৰিঅ'ড চাবলৈ আমি গৈছিলোঁ। চগ্নেফ্ৰিঅ'ড সাগৰৰ জলপৃষ্ঠতকৈ ১.৩ কিলোমিটাৰ দ। দীঘলে ২০৪ কিলোমিটাৰ। এইটোৱেই নৰৱেৰ আটাইতকৈ দীঘল আৰু দ ফ্ৰিঅ'ড। চগ্নেফ্ৰিঅ'ডৰ কেইবাটাও শাখা ফ্ৰিঅ'ড আছে। মূল ফ্ৰিঅ'ড চগ্নেফ্ৰিঅ'ডৰ বাহিৰেও আমি ইয়াৰ শাখা অৰলেণ্ড ফ্ৰিঅ'ড আৰু ডাল্‌চফ্ৰিঅ'ডত নাৱেৰে ফুৰিছিলোঁ— মুঠতে প্ৰায় ৭ ঘণ্টা সময়। অনুমান কৰা হয় চগ্নেফ্ৰিঅ'ডৰ গঠন Pleistocene epochতে আৰম্ভ হৈছিল, অৰ্থাৎ বৰ্তমানৰ পৰা ২.৫ মিলিয়ন (১০ লাখ) বছৰৰ আগতে। কেইবাটাও তুষাৰ যুগ পাৰ হৈ হৈ ফ্ৰিঅ'ডবোৰ গঠন হৈছে। শেষৰ তুষাৰ যুগ আজিৰ পৰা দহ হেজাৰ বছৰৰ আগতে হৈছিল। চগ্নেফ্ৰিঅ'ডৰ দ পানীত ২০৪ কিলোমিটাৰ আৰু ইয়াৰ শাখা ফ্ৰিঅ'ডসমূহতো নাৱেৰে অতিক্ৰম কৰি দেখিছিলোঁ দুয়োপাৰৰ পাহাৰবোৰ অতি থিয় ওখ আৰু কাষৰ সমতলভূমিত ডাঠ সেউজীয়া আৰু কোমল ঘাঁহনি, খেতিপথাৰৰ মাজত দুই-এখন গাঁৱৰ দৃশ্য অতি সুন্দৰ, অপূৰ্ব। অপৰূপা, অনন্যা, অতুলনীয় যি বিশেষণকেই নিদিওঁ কিয়, সেই ৰূপৰ বৰ্ণনা দিয়া মোৰ বাবে অসম্ভৱ। বিনন্দীয়া প্ৰকৃতিৰ মনোমোহা ৰূপ দেখি ক'লোঁ— হে প্ৰভু, হে সৰ্বশক্তিমান, তোমাক নিচেই কাষতে অনুভৱ কৰিছোঁ। হে সৃষ্টিকৰ্তা, তোমাক বাস্তৱ ৰূপত দেখিছোঁ। এই অনুভৱেই আৱৰি ৰাখিছিল নৰৱে দেশৰ ফ্ৰিঅ'ডৰ বুকুত নাৱেৰে যাওঁতে আৰু ফ্ৰিঅ'ড গাঁওবোৰৰ মাজেৰে ৰে'ল আৰু বাছত ফুৰোঁতে। মহাপুৰুষ মাধৱদেৱে ভক্তি ৰত্নাৱলী পুথিৰ নৱম বন্দনা বিৰচন ভাগত লিখাৰ দৰেই অৱস্থা—

"জল বায়ু বহ্নি মহী নক্ষত্ৰ আকাশ।
বৃক্ষ নদী সমুদ্ৰ তটস্থ দিশ পাশ।।
আছে আনো সংসাৰত বস্তু যত যত।
কৃষ্ণক দেখিব মাত্ৰ মনে সমস্তত।।"

প্ৰকৃতিৰ যুগ যুগৰ বিৱৰ্তনৰ ফলত সৃষ্টি হোৱা ফ্ৰিঅ'ডৰ দুয়োকাষৰ পাহাৰীয়া গাঁওবোৰে সৌন্দৰ্য বঢ়াইছেহে, কাৰণ নৰৱেইয়ানসকলে প্ৰকৃতিক শোষণ নকৰি মাত্ৰ ল'ব লগা মাত্ৰাৰ সুবিধাহে লৈছে। ইক'লজীত থকা পৃথিৱীৰ "Carrying Capacity"ত তেওঁলোকে হাত দিয়া নাই। প্ৰাকৃতিক ভাৰসাম্য অটুট ৰাখি সম্পূৰ্ণ আধুনিকীকৰণত তেওঁলোক সম্পূৰ্ণ কৃতকাৰ্য হৈছে। অনুকৰণীয়।



ফ্ৰিঅ'ড চাবলৈকে ৰে'লেৰে আৰম্ভ কৰা আমাৰ যাত্ৰাৰ মাজৰখিনি আছিল নাও, বাছ আৰু শেষত নাও যাত্ৰা। অৰ্থাৎ নাৱত উঠিছোঁ— ফ্ৰিঅ'ডৰ পানীত। ২০১১ৰ ২৫ জুনৰ পুৱা ৮-১১ বজাত অছলো চেণ্ট্ৰেল ষ্টেচনৰ পৰা ৰে'লেৰে যাত্ৰা আৰম্ভ কৰিলোঁ। পুৱাতেই

ট্ৰেইনত উঠি মনটো ফৰকাল লাগিল। অৱশ্যে হোটেলৰ পৰা যিখন টেক্সী (আচলতে আমি পাঁচজন থকাত ডাঙৰ গাড়ী বিচাৰোঁতে আহিল সৰু বাছ এখন) আহিল, তাৰ চালকজনক দেখি নৰৱেৰ লোক বুলি ভাবিছিলোঁ যদিও গাড়ীত গৈ থাকোতে তেওঁ পঞ্জাবী ভাষাত কথা পাতি থকাত বুজিলোঁ— হয় তেওঁ এই দেশৰ নাগৰিকত্ব লৈ বহুদিন আছে, নতুবা তাতেই ডাঙৰ-দীঘল হৈছে— চেহেৰা-পাতিয়ে নকয় কোন দেশৰ। সেইটো জনাৰ আমাৰ উদ্দেশ্যও নাছিল বা আগ্ৰহীও নহয়— কথাটো ভাবিব লগাত পৰিলোঁ তেওঁৰ ক্ষন্তেকীয়া ব্যৱহাৰতহে। এনে ৰূঢ় ব্যৱহাৰ দেশে-বিদেশে ঘূৰি ফুৰোঁতে কোনো চালকৰ পৰাই পোৱা নাছিলোঁ। যি কি নহওক, তেওঁ আমাক ট্ৰেইন ষ্টেচনত নমাই দি গ'লগৈ আৰু পুৱাই পুৱাই বেয়া লগা মনটো ট্ৰেইনত উঠি বহিলতহে মুকলি হ'ল।

আমাৰ ফ্লিঅ'ড যাত্ৰা আৰম্ভ হ'ল। বিছ মিনিটৰ পিছতে প্ৰথমবাৰৰ কাৰণে ৰ'লগৈ আচকাৰ নামৰ এটা সৰু ষ্টেচনত। অতি সুন্দৰ প্ৰাকৃতিক দৃশ্যৰাজি আৰম্ভ হৈছিল ইতিমধ্যে। সৰু নৈ পাৰ হৈ একাষে পাহাৰৰ কাষে কাষে আমাৰ ৰে'লখন গৈছিল ড্ৰেমেন, হকচাণ্ড, হনফচ আদি সৰু সৰু টাউনবোৰৰ মাজেৰে। ৰে'ল লাহে লাহে চলিল। চালে চকু ৰোৱা, যেন কোনোবা শিল্পীয়ে দুয়োকাষে নীলা পানী, সেউজীয়া কাৰ্পেটসদৃশ ঘাঁহনি, গাঢ় সেউজীয়া পাইন গছেৰে পৰিপূৰ্ণ হাবি, পাহাৰ আঁকিহে দিছে! দূৰৈৰ নীলা পাহাৰ, নীলা আকাশত কমোৱা তুলাৰ দৰে উৰি ফুৰিছে ডাৱৰ। খেতি পথাৰবোৰ বিশাল, সেউজীয়া। মাজে মাজে কেতিয়াবা অকলশৰে, কেতিয়াবা পাঁচ-ছটা পুতলাসদৃশ ঘৰ। ঘৰবোৰৰ বাহিৰত গাড়ী, ট্ৰেক্টৰ, কৃষকৰ সঁজুলি দেখি ভাবিছিলোঁ— এই নিৰিবিলি প্ৰকৃতিৰ বিশুদ্ধতাৰে তেওঁলোক নিশ্চয় ইয়াতে আত্মবিভোৰ। ক'তো ঘৰৰ বাহিৰত মানুহ নেদেখিলোঁ। এই ঠাইবোৰৰ ৰে'ল ষ্টেচনবোৰত ৰওঁতে দেখিছিলোঁ সৰু টাউনৰ সৰু ষ্টেচন হ'লেও পৰিপাটী। গাড়ী ৰখাৰ ঠাই, চাইকেল ৰখা ঠাই, আনকি অক্ষম লোকৰ গাড়ী ৰখাৰ সুবিধাও কৰি থৈছে। এই ৰে'লপথছোৱাৰ দুয়োপাৰে পানী, পাইন গছেৰে ভৰা পাহাৰীয়া ঠাই। পাহাৰৰ মাজে মাজে সেয়ে বহু সুৰংগ পাৰ হৈ আহিছিলোঁ। পুৱাৰে পৰা আহি থকা ৰে'লখন ঠায়ে ঠায়ে সুদৃশ্যৰ বিশেষত্ব থকা ঠাইত কিছুসময় ৰখাই দিছিল। ৰে'লখন পৰ্যটকেৰে ভৰা। সেয়ে ট্ৰেইনৰ চালকে ইংৰাজীতে মাজে মাজে ব্যাখ্যা কৰি গৈছিল আৰু পৰ্যটকসকলে নামি ফটোও তুলিছিল। এনেদৰে ৰে'লখন ১০-৪৭ বজাত নেছ্বায়েন নামৰ ঠাইখন পাইছিলহি। ইয়াতহে ডাঙৰ ডাঙৰ ঘৰ দেখিলোঁ। কাঠৰ কাৰবাৰ কৰে বুলি ধৰিব পাৰিলোঁ, যিহেতু বহুতো কাঠ কটিওৱা গাড়ী আৰু কাঠৰ দ'ম পৰি থকা দেখিছিলোঁ। নেছ্বায়েনৰ পিছত 'গল' আৰু $A^0L$ (নৰৱেৰ বহুতো ঠাইত $A^0$ এনেদৰে চাইনবৰ্ডত লিখা দেখিছিলোঁ, উচ্চাৰণ নাজানিলোঁ) নামৰ অন্যতকৈ ঘনবসতি অথচ আমাৰ চকুত সেৰেঙা দুখন ঠাই পাৰ হৈ আহি "গেইল" আৰু ফিন্চে নামৰ ঠাই পালোঁহি, য'ত জুন মাহতো দুয়োকাষৰ পাহাৰবোৰ বৰফাবৃত হৈ আছিল। ৰে'লৰ পৰা নামি সেই অপূৰ্ব দৃশ্য চাই আহি পুনৰ ৰে'লৰ কাফেত আমি দুপৰীয়াৰ আহাৰ কৰিলোঁ। ইতিমধ্যে বাৰটা বাজিছিল। আমি গৰম চক'লেট ড্ৰিংক, স্পিনাক পেটিচ আৰু চিকেন চিজেল' খালোঁ। ইয়াত ট্ৰেইনখনত সুন্দৰ ৰেস্তোৰাঁ, পৰিস্কাৰ টয়লেট, লেপটপ ব্যৱহাৰ কৰিব পৰা টেবুল— সকলো সুবিধাই আছে।

ফিন্চে নামৰ ঠাইখন এৰি আমি



এটা সুৰংগ পাৰ হ'লোঁ। প্ৰায় আধা ঘণ্টা সময় লাগিছিল। সুৰংগৰ পৰা ওলায়েই দেখিলোঁ কাষৰ পানী আৰু বৰফ।

এনেদৰে দুয়োকাষে বৰফাবৃত পাহাৰ, পাহাৰৰ নামনিত পাইন গছৰ গাঢ় সেউজীয়া, কোমল কুঁহিপাতৰ দৰে কোমল সেউজীয়া ৰঙৰ ঘাঁহনি, মাজে মাজে হ্ৰদৰ নীলা পানী চাই চাই আমি ১২-৫৩ বজাত 'মিৰডাল' নামৰ ঠাইখন পালোঁহি। এই মিৰডাল প্লেট্‌ফৰ্মতেই বাৰ্গান ৰে'লৰে আৰু ফ্লম ৰে'লৰে লগ হয়। পৃথিৱীৰ আটাইতকৈ ধুনীয়া ট্ৰেইন যাত্ৰাবোৰৰ ভিতৰত বাৰ্গান ৰে'ল যাত্ৰাও এক মোহনীয়া যাত্ৰা। উত্তৰ ইউৰোপৰ আটাইতকৈ ডাঙৰ পাহাৰীয়া সমতল ভূমিত এই যাত্ৰা অতি মনোমোহা আৰু বিচিত্ৰ। ফিন্‌চে নামৰ ঠাইখনতে আমি বাৰ্গান ৰে'ল যাত্ৰাৰ সৰ্বোচ্চ উচ্চতা ১২২২ মিটাৰ পাৰ হৈছিলোঁ আৰু তাৰ পৰাই দক্ষিণ-পশ্চিমৰ Hardangerjokul গ্লেচিয়াৰৰ অভূতপূৰ্ব চিক্‌মিকনি দেখিছিলোঁ।

মিৰডালত আমি ট্ৰেইন সলাই ফ্লম ৰে'লৰেৰ ট্ৰেইন ফ্লমচ্‌বানাত উঠিছিলোঁ। সুন্দৰ ফ্লম অ'ৰলেণ্ড ফ্ৰিঅ'ডৰ অন্তঃভাগত অৱস্থিত। দুশ চাৰি কিলোমিটাৰ দীঘল আৰু ১৩০৮ মিটাৰ গভীৰ চগ্নেফ্ৰিঅ'ডৰ এটা শাখা অ'ৰলেণ্ড ফ্ৰিঅ'ড। ৰে'লেৰে মিৰডাল আৰু অছলোৰ মাজৰ যাত্ৰা এটা অভিনৱ যাত্ৰা। বিশ্বৰ আটাইতকৈ ওখ আৰু আটাইতকৈ সুন্দৰ ৰে'লযাত্ৰা। অতি ডাঠ, ঘন বৰফেৰে ঢকা। শীতকালত দৈনিক দুবাৰ বা চাৰিবাৰ ফ্লম-অছলো-অছলো-ফ্লম লাইনত ৰে'ল অহা-যোৱা কৰে। গৰমৰ দিনত অৱশ্যে বেছিসংখ্যক ৰে'লৰ আহ-যাহ হয়। স্কাণ্ডিনেভিয়ান দেশত পাহাৰীয়া ষ্টেচন মিৰডালৰ পৰা ফ্লম ৰে'লৰেৰ যাত্ৰা অতিকৈ উত্তেজনাপূৰ্ণ। মিৰডালৰ (উচ্চতা ৮৬৬ মিটাৰ) পৰা ফ্লমলৈ (উচ্চতা ২ মিটাৰ) ৰে'লেৰে এঘণ্টা সময় লাগে। দূৰত্ব মাত্ৰ ২০ কিলোমিটাৰ।

আনহাতে বিশ্বৰ সবাতোকৈ সুন্দৰ, অপূৰ্ব প্ৰাকৃতিক দৃশ্যৰে ভৰপূৰ অন্যতম ৰে'ললাইন থকা, সৰু ষ্টেচনটো থকা ফ্লম নামৰ ঠাইখন মাত্ৰ চাৰিশ পঞ্চাছজন বাসিন্দাৰে অ'ৰলেণ্ড ফ্ৰিঅ'ডৰ বুকুৰ কাষৰ এখন সৰু ঠাই। ফ্লম ৰে'লৰ যাত্ৰাপথত আমি বাৰ্কি সুৰংগ পাৰ হৈ ৬৬৯ মিটাৰ উচ্চতাত থকা Kgosfassen ষ্টেচনত ৰ'লোঁগৈ। এই ষ্টেচনতে আমি অতি সুন্দৰ kgos জলপ্ৰপাত দেখা পালোঁ। Reinunga হ্ৰদৰ পানী জলবিদ্যুৎ উৎপাদনৰ কাৰণে ব্যৱহাৰ কৰি এৰি দিয়া পানীখিনিয়ে এই মনোমোহা জলপ্ৰপাত সৃষ্টি কৰিছে। পৰ্যটকৰ মন হৰি নিয়া জলপ্ৰপাতৰ পানীৰ খলকনিৰ লগত সুৰ-তাল মিলাই সৃষ্টি কৰা সংগীতৰ সুৰত জলপ্ৰপাতৰ উচ্চ শিখৰৰ কাষতে সোঁশৰীৰে নাচি থাকে এগৰাকী যুৱতীয়ে। সংগীত, নৃত্য আৰু প্ৰকৃতিৰ প্ৰাকৃতিক শব্দৰ সংগমে সৃষ্টি কৰে এক অনন্য পৰিৱেশ। যুৱতীগৰাকীৰ সুৰক্ষাৰ কাৰণে তেওঁক যে কোনো অংশৰ লগত ৰচীৰে কঁকালৰ পৰা বান্ধি ৰাখিছিল, সেয়া ধৰিব পাৰিছিলোঁ বহু তলৰ পৰাই। জলপ্ৰপাত চাই থাকোঁতেই তললৈ চাই দেখিলোঁ ৰে'লপথটোৰ তিনিটা খলপা। ৰে'ল লাইনৰ কাষে কাষে গৈ থকা ৰে'লাৰভিগেন স্থলপথত থকা ২১টা তীক্ষ্ণ বেঁকা-বেঁকি পইণ্টৰ মনোমোহা একাবেঁকা পথৰ ছবিখনো চকুত পৰে। দুৰ্গম ঠাইকো সুগম কৰি সুউচ্চ পাহাৰৰ মাজেৰে বহুতো সুৰংগ সাজি বিদ্যুৎ পৰিবাহিত ৰে'লৰ কোনো বিজুতি নঘটাকৈ গ্ৰীষ্মকালতেই নহয়, প্ৰচণ্ড শীতৰ ডাঠ বৰফৰ মাজতো ৰে'ল চলাচল অব্যাহত ৰাখে। পথছোৱাত মুঠতে বিছটা সুৰংগ পাৰ হৈছিলোঁ। আটাইতকৈ দীঘল সুৰংগ হৈছে নালি। নালি সুৰংগৰ দৈৰ্ঘ্য ১.৩৪ কিলোমিটাৰ। ৰে'লখনৰ উচ্চগামী আৰু নিম্নগামী গতিবেগ আছিল ক্ৰমে ঘণ্টাত ৪০ কিলোমিটাৰ আৰু ৩০ কিলোমিটাৰ। ১৯৪০ চনৰ পৰাই এই পথছোৱাত বিদ্যুৎচালিত ৰে'ল চলি আছে। পাহাৰীয়া ৰে'ল পথছোৱা সাজোঁতে সাজিব লগা হোৱা ২০টা সুৰংগৰ ওঠৰটাই মানুহে হাতেৰে শিল কাটি উলিয়াইছিল। পথ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল ১৯২৩ চনত আৰু শেষ হৈছিল ১৯৩৬ চনত। পথছোৱাত ১৯৪০ চনত প্ৰথমে বাষ্প ইঞ্জিনচালিত ৰে'ল চলিবলৈ আৰম্ভ কৰে আৰু ১৯৪৪ চনৰ পৰাই বিদ্যুৎচালিত ৰে'ল চলিবলৈ লয়। নৰৱেৰ ৰে'লৰে ইঞ্জিনিয়াৰিঙৰ দুঃসাহসী, আত্মবিশ্বাসী সেই কৰ্মপটু ইঞ্জিনিয়াৰসকলৰ ২০ বছৰীয়া কঠোৰ পৰিশ্ৰমৰ ফল এই ফ্লম ৰে'লপথ। পাহাৰীয়া ৰে'ল ষ্টেচন মিৰডালৰ পৰা ফ্লমৰ ২০ কিলোমিটাৰ দূৰত্ব পথছোৱা অতিক্ৰম কৰিবলৈ সময় লাগিছিল এঘণ্টা।

বিশ্বৰ অন্যতম, অত্যন্ত আকৰ্ষণীয় আৰু চাবলগীয়া ফ্লম ৰে'লত এঘণ্টা সময়ৰ যাত্ৰাত, নৰৱেৰ পাহাৰৰ মাজেৰে বৈ থকা নৈ, ওখ পাহাৰৰ মাজৰ সুন্দৰ সমতল ভূমি, নাচি থকা জলপ্ৰপাত, জুন মাহতো বৰফাবৃত পাহাৰৰ শৃংগ, পাহাৰৰ নামনিৰ খেতিপথাৰ চাই চাই আপোন পাহৰি ফ্লম উপত্যকাৰ মাজেৰে আহি আমি ৰ'লোঁহি ফ্লম ৰে'ল ষ্টেচনত। ইয়াৰ পিছতেই আৰম্ভ হ'ল আমাৰ প্ৰকৃত ফ্ৰিঅ'ড যাত্ৰা।

সিদিনাই (২৫ জুন, ২০১১) দিনৰ ৩-৩০ বজাত আমি এক্সপ্ৰেছ নাৱেৰে ফ্লমৰ পৰা বেলেছট্ৰেণ্ড নামৰ ঠাইলৈ যাত্ৰা কৰিলোঁ। পৃথিৱীৰ ভিন ভিন ঠাইৰ মানুহ আহি ভৰি পৰেহি ফ্লম, ফ্ৰিঅ'ডৰ পানীয়েদি নাৱেৰে যাত্ৰা কৰিবলৈ। নাৱত সকলো সা-সুবিধাৰে প্ৰায় এশজন মানুহ উঠিলোঁ অতি শৃংখলাবদ্ধভাৱে। পাৰত সকলো ৰৈ আছিলোঁ। সময়মতে নাৱৰ দায়িত্বত থকা লোকে আহি নাৱৰ দুৱাৰমুখৰ এটা ছুইচ টিপাৰ লগে লগে বৰ ডাঙৰ ষ্টীলৰ প্লেট (দুৱাৰ) এখন নামি আহি লাগিলহি পাৰৰ মাটিত। আমি সেইজন লোককে নিজৰ নিজৰ টিকট দেখুৱাই এজন এজনকৈ উঠিলোঁ আৰু উঠিয়েই নিজৰ নিজৰ বাকচ ৰাখিবলৈ থোৱা ৰেকবিলাকত ছুটকেচবোৰ থৈ ভিতৰৰ টেবুলৰে সৈতে থকা চকীবোৰত বহিলোঁ। নাও চলিবলৈ আৰম্ভ হ'ল— কিন্তু নাৱত উঠাৰ সময়ত এই সকলো দেখি মোৰ বৰকৈ মনত পৰিল ব্ৰহ্মপুত্ৰ নদীৰ নাৱত উঠা-নমা কৰা অৱস্থাটোলৈ। ডিব্ৰুগড়ৰ মোহনাঘাটৰ পৰা উত্তৰ লখিমপুৰৰ কমলাবাৰী ঘাটলৈকে হওক বা অন্য ঘাটলৈকে হওক, এতিয়াও আমাৰ নাৱত উঠা-নমা কৰিবলৈ কোনো স্থায়ী আধুনিক ব্যৱস্থা নহ'ল। সদায় বাৰিষা বোকা, খৰালি অতিপাত ঠিয় গৰাত কাঠৰ কঁপনিৰ ওপৰেদি নাৱত ভৰি দিবগৈ লাগে। তথাপি আমাৰ নাওখনে গতি লোৱাত পানী আৰু কাষৰ পাহাৰৰ সংমিশ্ৰণত গঢ় লৈ উঠা প্ৰাকৃতিক পৰিৱেশ চাবলৈ আৰম্ভ কৰাত মনৰ পৰা সেই ভাৱ আঁতৰিল। আৰম্ভ হ'ল ফ্ৰিঅ'ডৰ সৌন্দৰ্যৰ অতুলনীয় ৰূপৰাশি। ফ্লমৰ পৰা যাত্ৰা আৰম্ভ হ'ল অ'ৰলেণ্ড ফ্ৰিঅ'ডৰ পানীয়েদি। অ'ৰলেণ্ড ফ্ৰিঅ'ড চগ্নেফ্ৰিঅ'ডৰ (Sognefiord) এটা শাখা। এক্সপ্ৰেছ নাও গৈছিল কেতিয়াবা দুয়োকাষে পাহাৰৰ মাজেৰে আৰু কেতিয়াবা একাষে পাহাৰ একাষে সৰু সৰু গাঁৱৰ মাজেৰে। গাঁও মানে বিশাল খেতিপথাৰ, সেউজীয়া ঘাঁহনি আৰু কেইটামান সুন্দৰ ঘৰ। নাও চলিছিল মধ্যমীয়া গতিত, কিন্তু বতাহৰ কোব ইমান বেছি আছিল যে নাৱৰ বেৰৰ বাহিৰলৈ গ'লে ঠিয় হৈ থাকিলে পেলাই দিওঁ যেন কৰিছিল। তথাপি কাৰো যেন নাৱৰ গ্লাছৰ খিৰিকিৰে বাহিৰলৈ চাই হেঁপাহ পলোৱা নাই। অতি ঠাণ্ডা বতাহে গৰমৰ দিনতো হাড় কঁপাই তুলিছিল যদিও প্ৰায়খিনি মানুহেই বাহিৰত থিয় হৈ থকাৰ ইচ্ছা কৰিলেও এসময়ত ভিতৰ সোমাবলৈ বাধ্য হৈছিল। নাও গৈ অ'ৰলেণ্ড নামৰ সুন্দৰ ঠাইখনৰ পাৰত ৰৈছিল। বহু পৰ্যটক তাতো উঠিছিল আৰু বহুতে সেই ঠাইত ৰাতি কটাবৰ বাবে নামিছিল। ফ্ৰিঅ'ডৰ পাৰে পাৰে থকা এনে ভালেমান ঠাই পৰ্যটনস্থলী হিচাপে গঢ়ি তুলি পৰ্যটকক সেই পাহাৰৰ কাষৰ ঠাইবোৰত থাকি চাইকেল চলোৱা, হাইকিং কৰা, বৰশী বোৱা আদি কাৰ্য কৰি অৱসৰ সময় কটোৱাৰ ব্যৱস্থা কৰি দিছে। অ'ৰলেণ্ডৰ পৰা আমি নাৱেৰে আগুৱাই গৈ পালোঁগৈ ফ্ৰিঅ'ডৰ পাৰৰ বেলেছট্ৰেণ্ড নামৰ ঠাই। ইতিমধ্যে আমি নৰৱেৰ আটাইতকৈ দীঘল ফ্ৰিঅ'ড Sognefjord অংশত সোমাইছিলোঁ। নিৰ্মল পানী, নীলা আকাশ, কোবাল বতাহৰ শব্দই আমাক অভিভূত কৰিছিল। দুশ চাৰি কিলোমিটাৰ দীঘল চগ্নেফ্ৰিঅ'ডৰ ঠিক সোঁমাজত বেলেছট্ৰেণ্ড অৱস্থিত। বহুতো পুৰণা ধুনীয়া ঘৰ থকা বেলেছট্ৰেণ্ড চগ্নেফ্ৰিঅ'ডৰ পাৰৰ এখন সৰু গাঁও। ৰে'লপথৰ জংছন এটাৰ দৰে নৰৱে ফ্ৰিঅ'ডবিলাকৰ মাজত চলাচল কৰা এক্সপ্ৰেছ নাও, ফেৰীবিলাক ইয়াত ৰয়হি।



যাত্ৰীসকল উঠা-নমা কৰে। আমি ইয়াতেই ৰাতিটো কটালোঁ। অ'ৰলেণ্ড ফ্লিম্অ'ডৰ মাজেৰে আহি থাকোঁতে পাৰে পাৰে দেখা গাঁওবিলাকত বহু পুৰণা গীৰ্জ্জাঘৰ, দূৰৈত বৰফাবৃত পাহাৰৰ শিখৰ, ৰ'দত চিক্‌মিকাই থকা কোবাল জলপ্ৰপাতৰ পানী আৰু পানীৰ পৰা উফৰি পৰা কণিকাই সৃষ্টি কৰা ভাপ আৰু প্ৰকৃতিত মাত্ৰ জলপ্ৰপাতৰ শব্দ শুনি আৰু দেখি আত্মহাৰা হৈছিলোঁ। ফ্লিঅ'ডৰ বুকুৰেদি নাৱত আহি থাকোঁতে কেতিয়াবা ছীল আৰু কেতিয়াবা তিমি মাছো আঁতৰৰ পৰা দেখিছিলোঁ। পানী ইমানেই স্বচ্ছ যে বহু তলিলৈকে পানীৰ তলৰ ছবি দেখিছিলোঁ।

ফ্লিঅ'ড গাঁও বেলেছ্‌ট্ৰেণ্ডৰ প্ৰাকৃতিক শোভাই উনৈছ শতিকাৰ মাজভাগৰ পৰাই পৰ্যটকক চুম্বকে আকৰ্ষণ কৰাদি কৰি আহিছে। ১৮৭৭ চনতে ছুইছ ডিজাইনত সজা ২১০টা কোঠাৰ Kvikne হোটেলখন উত্তৰ ইউৰোপৰ আটাইতকৈ ডাঙৰ কাঠৰ ঘৰ আৰু চগ্নেফ্লিঅ'ড উপকূলৰ এইখন গাঁৱতে ঘৰটো ৰাজপ্ৰাসাদ জিলিকাদি জিলিকি আছে। ঘৰটো ইমান সুন্দৰকৈ প্ৰতিপাল কৰি ৰাখিছে যে ইয়াৰ বয়স ১৩৫ বছৰ হ'ল যেন নালাগেই। বেলেছ্‌ট্ৰেণ্ড গাঁও ইমান ধুনীয়া যে ঠাইখনত অতীতৰ বহু শিল্পী থাকিছিলহি আৰু এতিয়াও বহুতো শিল্পীয়ে ইয়াত থাকিবলৈ ভাল পায়। প্ৰুছিয়াৰ ৰজা তথা অন্তিম জাৰ্মান সম্ৰাট Kaiser Wilhelm II-এও বেলেছ্‌ট্ৰেণ্ড বৰ ভাল পাইছিল আৰু মাজে মাজে আহিছিল আৰু তাত থাকি প্ৰকৃতিৰ নৈসৰ্গিক ৰূপ উপভোগ কৰিছিলহি। অন্য এক উল্লেখনীয় বিশেষত্ব হৈছে ইয়াৰ ঘৰবিলাকৰ ছুইছ ষ্টাইলৰ কাঠৰ আৰ্কিটেক্সাৰ। সৰুতে পঢ়া সাধুকথাৰ কিতাপৰ ইংলিছ ষ্টাইলৰ গীৰ্জ্জাঘৰ আৰু চগ্নেফ্লিঅ'ডৰ বহলাংশৰ বিস্তৃত প্ৰাকৃতিক দৃশ্য দেখিলোঁ। কাঠৰ ঘৰবিলাক সুন্দৰকৈ সজোৱা; কিছুমান ড্ৰেগনৰ মূৰ অংশৰ আৰ্হিত সজোৱা। বেলেছ্‌ট্ৰেণ্ডৰ সৌন্দৰ্য বঢ়াইছে ফ্লিঅ'ড পানীৰ লগত তাৰ কাষৰ বৰফাবৃত মেজেষ্টিক পাহাৰ কেইটাই।

আমি বেলেছ্‌ট্ৰেণ্ডৰ Midtnes হোটেলত আছিলোঁ। হোটেলৰ পৰা ওলায়েই দেখিবলৈ পোৱা যায় ১৮৯৭ চনত সজা ছেইণ্ট অলফ ইংলিছ গীৰ্জ্জা। গৰমৰ দিনত ইংলেণ্ডৰ চাৰ্চৰ গোটটো এইটো গীৰ্জ্জাৰ দায়িত্বত থাকে। মুঠতে সৰু গাঁও বুলিলেও আমাক অবাক কৰি নাৱৰ পৰা নামিয়েই দেখিলো— টুৰিষ্ট অফিচ, ডাকঘৰ, বাছ, নাও ৰোৱা, উঠা-নমা ঠাই, বেংক, পুলিচ ষ্টেচন, দোকান-পোহাৰ, একুৱেৰিয়াম আদি। হোটেলত থকা সময়ছোৱাতে চাৰিওপিনে চকু ফুৰাই বুজি উঠিলোঁ পুৰণা ঐতিহ্য নেৰাকৈ হোটেলখনে কেনেকৈ নিজকে আধুনিক কৰি নিছে। ডাইনিং হলত আৰু ৰিচেপ্চনত সজাই ৰখা পুৰণা বস্তুৱে ঠাইখনৰ বুৰঞ্জী সলসলীয়াকৈ কৈ দিয়ে আৰু হোটেলৰ বেৰত আঁৰি থোৱা ছবিবিলাকেও সোঁৱৰাই দিয়ে কিমান পুৰণা এই সৰু গাঁৱৰ ইতিহাস। কোনজন শিল্পী কেতিয়া আহি ছবিবোৰ ফ্লিঅ'ডৰ পাৰত বহি বহি আঁকি গ'লহি তাৰ সাক্ষী এই ছবিবোৰ। আমাৰ অচিনাকি বহু স্বনামধন্য শিল্পীয়ে আহি বহুবোৰ ঘৰ সাজিছিল বা নিজেও ইয়াতে থাকি ল'লে ঘৰ লৈ। সেয়ে ঠাইখনেই শিল্পীৰ তুলিকাত সজ্জিত হৈ পৰিল। আমাক আকৰ্ষণ কৰা অন্য এক কথা হ'ল ইয়াৰ ডাক বিলোৱা ব্যৱস্থা। ৰাস্তাৰ কাষতে আমাৰ ঘুমটি দোকানৰ দৰে সন্মুখ খোলা এটা কণমানি ঘৰ আৰু তাৰ তিনিওখন বেৰত নাম লিখি লিখি লেটাৰ বক্সবোৰ আঁৰি থয়। অৰ্থাৎ ডাকোৱাল ঘৰে ঘৰে নগৈ একে ঠাইতে ৰখা বাকচবিলাকত চিঠিবোৰ ভাগে ভাগে ভৰাই থৈ যায়— মানুহে আহি তাৰ পৰা লৈ যায়হি। হয়তো শীতকালত অত্যন্ত বৰফৰ মাজত প্ৰত্যেক ঘৰে ঘৰে যোৱাৰ অসুবিধাৰ বাবেই এই ব্যৱস্থা।

এইখন সপোনপুৰী যেন লগা কণমানি ঠাইৰ পৰা ২০১১ৰ ২৬ জুনৰ পুৱা ১০ বজাত বাছেৰে আগবাঢ়িলোঁ উত্তৰ-পশ্চিম নৰৱেলৈ। এই পথছোৱা ইমান ধুনীয়া যে পথছোৱাক "National tourist Route" বুলি কয়। বেলেছ্‌ট্ৰেণ্ডৰ উত্তৰপিনে থকা সুন্দৰ পাহাৰৰ শাৰী, যাৰ কাষে কাষে ৰাস্তাটো গৈছে, সেই পাহাৰটোৰ নাম Gaularfjellet পাহাৰ। বেলেছ্‌ট্ৰেণ্ডৰ পৰা গৈ থাকোঁতে ৰাস্তাটোৰ মুঠ নটুকুৰা ঠাইত এনেকৈ পাক লৈছে যেন পাক কেউটা মূৰত মৰা কাঁটাডালৰ পিছপিনৰ বেঁকা অংশখিনিহে! গৈ থাকোঁতে কেইবাঠাইতো বৰ পৰিস্কাৰ পানীৰ সুন্দৰ নদী আৰু জলপ্ৰপাত দেখি গৈছিলোঁ। আনকি আমাৰ বাছত যোৱা মহিলা গাইডগৰাকীৰ ধুনীয়া গাঁওখন বাছৰ পৰাই আমাক দেখুৱাই তেওঁ অতি গৌৰৱবোধ কৰিছিল।

এই ঠাইবিলাকত থকা লোকসকলে প্ৰদূষণমুক্ত বায়ু আৰু প্ৰকৃতিৰ পৰা নিৰোগী হৈ জীয়াই থকাৰ সম্পূৰ্ণ অধিকাৰ পাইছে। এনে স্বাস্থ্যৱতী মানুহগৰাকী আৰু গাড়ীৰ চালকজনক দেখি বৰ ভাল লাগিছিল। পিছে গাইড যদিও তেওঁ ইংৰাজী ভাষাত সলসলীয়া নহয়। আমাৰ বাছখনে ৰাস্তাৰ কাষত ৰৈ থকা মানুহো তুলি নিছিল সৰু সৰু দূৰত্ব বিলাকত। কিছুমানে আকৌ আধা ৰাস্তাতে নামি খোজ কঢ়া (hiking) ৰাস্তালৈ গুচি গৈছিল। বাছখন অতি আৰামদায়ক আছিল, পিছে তাতকৈও দেখি ভাল লাগিছিল ড্ৰাইভাৰ বহা ঠাইত সন্মুখৰ পৰা ৰ'দ পৰি থকা কাৰণে ছুইচ টিপি দিয়াত এখন স্ক্ৰীন নামি আহি ওপৰৰ পৰা আধালৈকে ছাঁ পৰিছিলহি। ৰাস্তাত গাড়ী, মানুহ তেনেই কম লগ পালোঁ। মাত্ৰ মাজত ফৰ্ড নামৰ ডাঙৰ চহৰ এখন পাৰ হ'লোঁ। ঠাইবোৰত মাজে মাজে মানুহ উঠা-নমা চলি আছিল। আমাৰ বাছখন আহি ব্ৰেডষ্টেণ্ড নামৰ ঠাইখন পালেহি এক বজাত। নামিয়েই আমি খোৱাৰ কাৰণে কথা পাতি থোৱা হোটেলখনলৈ গ'লোঁ। হোটেলখনৰ নাম 'টনা'। বাছৰ পৰাই হোটেলত কি খাব যাত্ৰীয়ে অৰ্ডাৰ দিব পাৰে— গাইডগৰাকীৰ সহায়ত। তেওঁ বাছতেই যাত্ৰীসকলৰ পৰা অৰ্ডাৰ লৈ হোটেললৈ ফোন কৰি কৈ থয়। আমি সাগৰৰ পাৰৰ কাঠেৰে সজা ৰেষ্টোৰাঁখনলৈ গৈ নিজেই অৰ্ডাৰ দিলোঁ। এই ঠাইবিলাকত আমি খোৱাবস্তু বিচাৰি পোৱা বৰ টান। তথাপি চাই চাই "Fish soup" আৰু "Baked Salmon with cidersauce" খালোঁ। Salmon সাগৰীয় মাছ। হৰিণাৰ মাংসৰে বনোৱা burgerও আমাৰ ল'ৰাহঁতে খালে। লগতে অতি সুন্দৰকৈ ঘৰতে বনোৱা Cheese-ice-cake with nut খাই পুনৰ নাৱেৰে যাত্ৰা আৰম্ভ কৰিলোঁ। এইবাৰ এইখন সৰু নাও, নাম Christina। নাৱত মাত্ৰ দুজন লোক— এজন চালক, আনজন সহায়কাৰী। সহায়কাৰী ল'ৰাজন ১৮ বা ২০ বছৰ বয়সীয়া এজন চফল ডেকা, চালকজন আদহীয়া। দুয়োৰে সাজ-পোছাক অতি পৰিপাটী। নাৱলৈ আমাৰ বয়-বস্তু সকলো পাৰৰ পৰা তেওঁলোকেই দাঙি নি তুলিলেগৈ। এইবাৰ সৰু নাৱাৰে আমি চগ্নেফ্ৰিঅ'ডৰ শাখা ডালচ্‌ফ্ৰিঅ'ডৰ মাজেৰে আগবাঢ়িলোঁ। অপূৰ্ব প্ৰাকৃতিক শোভাই মন উৎফুল্লিত কৰিছিল।

তাতে নাওখনত বাৰ্গেন চহৰলৈ যাত্ৰী বুলিবলৈ আমাৰ পৰিয়ালটোৰ পাঁচজন সদস্য আৰু এযোৰ অষ্ট্ৰেলিয়ান দম্পতী। নাৱেৰে আমাৰ যাত্ৰা Askroll নামৰ ঠাইলৈ। নাৱেৰে গৈ গৈ প্ৰকৃতিৰ নৈসৰ্গিক ৰূপ-লাৱণ্য চাই অভিভূত হৈ পৰিছিলোঁ। পাহাৰ, পানী আৰু সেউজীয়া গছ-গছনিৰ অভূতপূৰ্ব সমাহাৰ, তাতে আকৌ পানীত ৰ'দৰ জিলিকনি। লগে লগে আছিল নাৱৰ সহায়কাৰী নৰৱেৰ ডেকা উৰ্বানৰ সকীয়নি— এতিয়া বাহিৰত নাথাকিব, বতাহ ৩০ কিলোমিটাৰ বেগেৰে আহিব— এতিয়া ৰ'দ লুকাই যাব, নাও কোবেৰে চলিব, ভিতৰলৈ আহক, আদি। বাৰ্গেন চহৰৰ কলেজত পঢ়ি থকা সুন্দৰ চেহেৰাৰ ল'ৰাজনে যে গৰমৰ বন্ধত নাৱত থাকি নাৱৰ যাত্ৰীৰ বস্তু উঠোৱা-নমোৱা আৰু যাত্ৰীৰ টিকট চোৱা, সা-সুবিধা চোৱা কাম কৰি পইচা উপাৰ্জন কৰাই নহয়, দেশ-বিদেশৰ মানুহৰ লগত চা-চিনাকি হৈ অভিজ্ঞতাও অৰ্জন কৰিছেহি। তাকে দেখি নিজৰ দেশৰ ডেকা-গাভৰুসকলে গৰমৰ বন্ধত এনেদৰে সৰু-ডাঙৰ কাম কৰিবলৈ দ্বিধাবোধ নকৰি এক কৰ্ম সংস্কৃতিৰ পথ মুকলি কৰিব পৰা পৰিৱেশ সৃষ্টি কৰিবৰ বাবে চৰকাৰ আৰু ব্যক্তিগত খণ্ডক অনুৰোধ কৰিবলৈ মন গ'ল।

ইতিমধ্যে আমাৰ নাও ডালচ্‌ফ্ৰিঅ'ডৰ পানীৰে গৈ থাকোঁতে ফ্ৰিঅ'ড গাঁও Dale আৰু Elkenes আদিৰ কাষেৰে গৈছিল আৰু সেইবোৰ ঠাইত মানুহ উঠা-নমা কৰিছিল। কিন্তু নাৱৰ চাৰে তিনিঘণ্টীয়া যাত্ৰাৰ সময়ত বিগষ্টেণ্ডত উঠি বাৰ্গেনত নামিবলৈ আমি আৰু অষ্ট্ৰেলিয়ান দম্পতীহে থকাত স্বাভাৱিকতেই তেওঁলোকৰ লগত সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধ এটি গঢ় লৈ উঠিছিল। তেওঁলোকৰ লগত আমি দুয়ো দেশৰ অৰ্থনৈতিক অৱস্থাৰ পৰা পৰ্যটনলৈকে বহুত কথাই আলোচনা কৰিলো। নাও আহি Askvollত ৰ'লহি। পাৰত ৰ'বৰ কাৰণে সুন্দৰ জিৰণি কোঠা, পৰিস্কাৰ বাথৰুম আদি সকলো আছে। তাতে জিৰাই-সতাই কাষৰ ৰেষ্টোৰাঁৰ পৰা চাহ-কফি আনি খাই বেলেগ বেলেগ নাৱেৰে মানুহ, গাড়ী অনা-নিয়া কৰা চাই নৰৱেত জলপৰিবহনৰ গুৰুত্ব দেখি আচৰিত লাগিল। কি সুশৃংখল এই ব্যৱস্থা! নাওবোৰো ইমান উন্নত!

Askvollত আমি পুনৰ Express নাৱত উঠিলোঁ। ডাঙৰ

দুমহলীয়া নাও। আদব-কায়দা সম্পূৰ্ণ প্লে'নৰ দৰে। বহা চকী, চকীৰ কোমল কুশ্বন, গাৰু, সন্মুখত Planeৰ ছীটৰ দৰেই খুলি ল'ব পৰা ফ'ল্ডিং টেবুল, খোৱা-বোৱা কৰিবলৈ আৰু লেপটপ চলাব পৰা ব্যৱস্থা, Mobile phone চাৰ্জ কৰিবলৈ পইণ্ট, সন্মুখত টেলিভিছন, মুঠতে বাহিৰলৈ নাচালে উৰাজাহাজ নে নাও কোৱা টান। তদুপৰি পৰিস্কাৰ টয়লেট (Rest room), টয়লেটত আয়না, পনীয়া হাত ধোৱা চাবোন, টয়লেট পেপাৰ, পেপাৰ টাৱেলৰে সৈতে অত্যাধুনিক ব্যৱস্থা। দুয়োটা মহলাতে টয়লেট আছে। যাত্ৰীসকলেও নিয়াৰিকৈ ব্যৱহাৰ কৰে বাবে ইমান যাত্ৰীয়ে ব্যৱহাৰ কৰে যদিও দুৰ্গন্ধ নোলায়। তিনি ঘণ্টা ডালচ্‌ফ্ৰিঅ'ডত এক্সপ্ৰেছ নাৱত আহি থাকোঁতে আগৰ দৰেই ৰাস্তাত কেইবাবাৰো পাৰে পাৰে নাও ৰখাই মানুহ তুলিলে, নমালে— ক'তো হৈ-হাল্লা নাই। নৰৱে দেশত থকা জল সম্পদক দেশখনে অতীতৰ পৰা চলি থকা জল পৰিবহণক উন্নত পৰিকল্পনাৰে, সুশংখলভাবে চলাই থকাত পৰিবহণ ব্যৱস্থাত ইমান সুবিধা হৈছে যে চুকে-কোণে থকা কোনো গাঁও বা টাউনৰ লোকেই অসুবিধাৰ সন্মুখীন হোৱা নাই। ডাল্‌চফ্ৰিঅ'ডৰ প্ৰাকৃতিক শোভা বৰ্ণনা কৰিবলৈ ভাষা নাই। পূব ফ্ৰান্সৰ সীমাৰ পশ্চিম ছুইজাৰলেণ্ড সীমাত থকা Chamonix নামৰ সৰু পৰ্যটক থলীত Mer-de-glace, অৰ্থাৎ Sea of Ice glacier আৰু তাত থকা বৰফৰ গুহাৰ সৌন্দৰ্য উপভোগ কৰিছোঁ। UNESCOৰ হেৰিটেজ ছাইট হিচাপে পৰিগণিত হোৱা আমেৰিকাৰ এৰিজ'না প্ৰদেশৰ গ্ৰেণ্ড কেনিয়ন দেখিছোঁ — কিবা এষাৰ ক'ব পাৰি; কিন্তু UNESCOৰ হেৰিটেজ ছাইট হিচাপে ২০০৫ চনত সামৰি লোৱা নৰৱেৰ চগ্নেফ্ৰিঅ'ডৰ ৰূপৰ বৰ্ণনা কৰিবলৈ শব্দ নাই— মাত্ৰ চাই উপভোগ কৰিলোঁ। চাই চাই আমি পিছবেলা ৭.৩০ বজাত নৰৱেৰ পশ্চিম উপকূলৰ আটলাণ্টিক মহাসাগৰৰ পাৰৰ বাৰ্গেন চহৰৰ চিটী চেণ্টাৰত নাৱৰ পৰা নামিলোঁ। বাৰ্গেন চহৰ নৰৱেৰ প্ৰধান কচ্‌ম'পলিটান চহৰ, যিখন চহৰ ১০৭০ চনতেই স্থাপন হৈছিল। ১৭০২ চনত চহৰখন জুয়ে সম্পূৰ্ণ ধ্বংস কৰিছিল, কিন্তু পুনৰ নিৰ্মাণ কৰিলে। যি ডিজাইনত ঘৰবিলাক সজা হ'ল, সেই ডিজাইন নশ বছৰতকৈও পুৰণি। বাৰ্গেন এতিয়া ইউনেস্ক'ৰ ৱৰ্ল্ড হেৰিটেজ ছাইট। ইউৰোপৰ কোনো এখন নগৰেই বাৰ্গেনৰ দৰে ইমান সুন্দৰকৈ, সুবিধাৰে সাগৰেদি সোমাব নোৱাৰি। বাৰ্গেন চহৰত আমি নামোতে সম্পূৰ্ণ পোহৰ, প্ৰদূষণমুক্ত নীল আকাশ— আবেলি নে সন্ধ্যা বুলি ক'ম পিছবেলাৰ ৭.৩০ বজাৰ সময়খিনি নাজানো — কাৰণ উত্তৰ ইউৰোপৰ নৰৱে, ছুইডেন দুয়োখনেই যে — Land of midnight Sun. ●

*নামৰূপ কলেজৰ প্ৰাণীবিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপিকা শ্ৰীদীপালী দত্ত বৰদলৈয়ে ভ্ৰমণ, প্ৰাকৃতিক পৰিবেশ, বন্যপ্ৰাণী আদি বিভিন্ন বিষয়ত নিয়মীয়া প্ৰবন্ধ-পাতি লিখে। পৰিবেশ তথা বন্য প্ৰাণী সংৰক্ষণৰ সক্ৰিয় কৰ্মী শ্ৰীদত্ত বৰদলৈ বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত হৈ আছে। ম'বাইল নম্বৰ ঃ ৯৪৩৫১-৯৯০৪৬।*

# বিশ্ব পৰিৱেশ দিৱস



❑ **লাৱণ্য গগৈ**

৫ জুন
বিশ্ব পৰিৱেশ দিৱস
বিশ্বজুৰি উদ্‌যাপিত এক পৱিত্ৰ দিন।
কলুষিত পৰিৱেশ কৰিব লাগে সচেতন।
প্ৰদূষিত চৌদিশ আমাৰ

জল স্থল আকাশ বতাহ।
আৱৰ্জনা-মলিনতা, ধূলি ধোঁৱাৰে ঢকা
ধৰিত্ৰী এতিয়া দুৰ্বল ৰোগগ্ৰস্তা।

গছ লতা শ্যামলী সেউজী ধৰণী
জীৱৰ আশ্ৰয়স্থলীত মৰুভূমিৰ ক'লা ছায়া।
আজিৰ মানুহে গছ-বন কাটি
ৰচিছে যেন নিজৰ সমাধি।

কংক্ৰিটৰ নগৰ, মহানগৰ পৰিৱেশ প্ৰদূষণে ধৰিছে আৱৰি
যান্ত্ৰিক জীৱন কল-কাৰখানা উন্নয়নৰ জখলাত উঠিছে গঢ়ি।
নিৰ্মল বায়ু, বিশুদ্ধ জল, নিৰ্ভেজাল খাদ্যৰ অভাৱ।
জীৱনলৈ আনিছে অনেক দুৰ্যোগ, অনেক যাতনা।

আমি হেৰুৱাইছোঁ জীৱনৰ সতেজ স্বাচ্ছন্দ্য
আগুৱাই আহিছে গোলকীয় উষ্ণতাৰ গভীৰ সংকট।
বিশ্বকবিৰ ভাষাত আমিও বিচাৰিছোঁ—
"ফিৰে দাও সেই অৰণ্য, লাও এই নগৰ।"

বিশ্ব পৰিৱেশ দিৱসে বহন কৰিছে তাৰেই তাৎপৰ্য
এই পৱিত্ৰ দিনত আমি হওঁ সংকল্পবদ্ধ।
বিশ্ববাসীৰ বিপদ কালত সকলোৱে মিলি
প্ৰতিদিনে হওঁ সচেতন।



*শ্ৰীমতী লাৱণ্য গগৈ প্ৰকৃতি, পৰিৱেশ আদি উন্নয়নৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত।*
*তেখেতৰ ম'বাইল নম্বৰ ঃ ৯৪৩৫১-১৯৩৩৪।*